# গণেশ লাল চৌধুৰী মহাবিদ্যালয়

# আলোচনী



তত্ত্বাৱধায়িকা
ৰূপামণি কাকতি

সম্পাদিকা
শিপ্রা কৰ

MOHAN LAL CHOUDHURY LIBRARY :

# গণেশ লাল চৌধুৰী মহাবিদ্যালয়
# আলোচনী

চতুৰ্থ সংখ্যা

২০১১ - ১২ ইং বৰ্ষ



আগ্ৰহ আৰু আন্তৰিকতাৰে.......

প্ৰতি

.................................................................

.................................................................

তত্ত্বাৱধায়িকা
ৰূপামণি কাকতি

সম্পাদিকা
শিপ্ৰা কৰ

MOHAN LAL CHOUDHURY LIBRARY :

# গণেশ লাল চৌধুৰী মহাবিদ্যালয়
# আলোচনী




**চতুৰ্থ সংখ্যা**
**২০১১ - ১২ ইং বৰ্ষ**

**ঃ সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
প্ৰবক্তা শ্ৰীযুত জয়া বিশ্বাস কুণ্ডু
প্ৰবক্তা শ্ৰীযুত সঞ্জীৱ কুমাৰ দাস
প্ৰবক্তা শ্ৰীযুত পূৰ্ণ বাহাদুৰ ছেত্ৰী

**সভাপতি ঃ**
শ্ৰীযুত জগন্নাথ বৰ্মন, ভাৰপ্ৰাপ্ত অধ্যক্ষ

**তত্বাৱধায়িকা ঃ**
প্ৰবক্তা শ্ৰীযুতা ৰূপামণি কাকতি

**সম্পাদিকা ঃ**
শ্ৰী শিপ্ৰা কৰ

**সদস্য/সদস্যা ঃ**
প্ৰবক্তা শ্ৰীযুত কল্যাণ চন্দ্ৰ তালুকদাৰ
প্ৰবক্তা শ্ৰীযুতা যুথিকা তালুকদাৰ
প্ৰবক্তা শ্ৰীযুত ছহিদুল ইছলাম জাদিদ
প্ৰবক্তা শ্ৰীযুত আনন্দ ঘোষ
প্ৰবক্তা শ্ৰীযুতা মাইকণ বসুমতাৰী
প্ৰবক্তা শ্ৰীযুত হেমন্ত কুমাৰ দাস
প্ৰবক্তা শ্ৰীযুত আবু সামা
প্ৰবক্তা শ্ৰীযুত ৰূপনজিৎ দাস
শ্ৰীযুত মুনীন্দ্ৰ কুমাৰ দাস, (মুখ্য কাৰ্যালয় সহায়ক)
উপ-সভাপতি, ছাত্ৰ একতা সভা
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

নেপথ্যত—

**সামগ্ৰিক পৰিকল্পনা ঃ**
ৰূপামণি কাকতি

**বেটুপাত ঃ**
ধ্ৰুৱ কুমাৰ তালুকদাৰ

**অঙ্গসজ্জা ঃ**
ৰূপামণি কাকতি, ধ্ৰুৱ কুমাৰ তালুকদাৰ

**অলংকৰণ ঃ**
ৰূপামণি কাকতি

**আলোকচিত্ৰ ঃ**
ষ্টুডিঅ' ছিত্ৰছায়া, বৰপেটাৰোড়

**মুদ্ৰক ঃ**
শিৱম অফছেট প্ৰিন্টাৰ্চ, বাসন্তী কম্প্লেক্স, বৰপেটাৰোড়

**কৃতজ্ঞতাৰ শৰাই ঃ**
- জি. এল. চি. মহাবিদ্যালয়ৰ প্ৰবক্তাগণ আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ।
- 'অতিথি কলম'ৰ লেখক- লেখিকা সকল।
- এই সংখ্যাৰ সমূহ লেখক-লেখিকা।
- ধ্ৰুৱ কুমাৰ তালুকদাৰ।
- সনজিৎ কুমাৰ শৰ্মা।
- বিপুল চন্দ্ৰ দে।
- শিৱম অফছেট প্ৰিন্টাৰ্চ, বৰপেটাৰোড়।

---

**বিশেষ টোকা ঃ** আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজন আৰু অভিনৱত্বৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কোনো লেখক-লেখিকাই যদি আনৰ লিখনি নকল কৰিছে, ব্যৱহাৰ কৰিছে, তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

**ক্ষমা প্ৰাৰ্থনা ঃ** অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি ক্ষমাপ্ৰাৰ্থী।

MOHAN LAL CHOUDHURY LIBRARY :

# ॥ ভক্তি অৰ্ঘ ॥



ঁ গণেশলাল চৌধুৰী

জন্ম ঃ ১৮৯৬ চন
মৃত্যু ঃ ১৯৩১ চন

যিগৰাকী মহান ব্যক্তিৰ
নিৰ্মল স্মৃতিত সমন্বয় নগৰী বৰপেটাৰোডৰ
নাভিমূলত স্থাপিত হৈছিল উচ্চশিক্ষাৰ অন্য এক
স্তম্ভ— এই মহাবিদ্যালয়খনি; সেই পৱিত্ৰ
আত্মাক সুঁৱৰি যাচিছোঁ আমাৰ
অশ্ৰুসিক্ত ভক্তি অৰ্ঘ।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

# ॥ ভক্তি অৰ্ঘ ॥



ঁ মোহনলাল চৌধুৰী

জন্ম ঃ ১৯০৩ চন
মৃত্যু ঃ ১৯৯০ চন

যিগৰাকী নমস্য ব্যক্তিৰ ত্যাগ আৰু
গাঁঠিৰ ধনৰ বিনিময়ত সমন্বয় নগৰীৰ বুকুত গঢ়
লৈ উঠিল এই বৌদ্ধিক তীৰ্থক্ষেত্ৰ, সেইগৰাকী
বৰেণ্য শিক্ষাপ্ৰেমী, সমাজহিতৈষীৰ অমল
স্মৃতিত নিবেদিছোঁ—
বিকশিত শতপুষ্পৰ ভক্তি অৰ্ঘ।

— সম্পাদনা সমিতি

MOHAN LAL CHOUDHURY LIBRARY :

# অশ্ৰু-অঞ্জলি



অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল
কৃষ্ণচূড়াৰ দেশত পুৰি ছাই হৈ গ'ল
সাগৰৰ দৰে এখন হৃদয়
শিশুৰ দৰে এখনি আকাশ
নদীৰ দৰে অনন্ত হেঁপাহ....

সুধাকণ্ঠৰ অমৃত পিয়াসী আত্মালৈ
যাচিছোঁ শীতৰ শোকাশ্ৰু -

জি. এল. চি. মহাবিদ্যালয় পৰিয়াল

MOHAN LAL CHOUDHURY LIBRARY :

# অশ্রু-অঞ্জলি



গভীৰ সংবেদনশীলতা, মৌলিক মননশীলতা আৰু প্ৰশস্ত মানৱতাবাদৰ গৰিমাৰে সংস্কাৰৰ সংকীৰ্ণ সীমা পাৰ হৈ জীৱনৰ নতুন দিগন্তৰ সন্ধান কৰা জ্ঞানপীঠ বিজয়িনী মামণি ৰয়চম গোস্বামীৰ অবিনশ্বৰ আত্মালৈ যাচিছোঁ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি।

**জি. এল. চি. মহাবিদ্যালয় পৰিয়াল**

MOHAN LAL CHOUDHURY LIBRARY :

सत्यमेव जयते



**তৰুণ গগৈ**

মুখ্যমন্ত্ৰী, অসম

দিশপুৰ

১৮/১/২০১২

## শুভবাৰ্তা

বৰপেটাৰোডৰ গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ এক সুকীয়া ঐতিহ্য আছে। এই মহাবিদ্যালয়খনে গুণগত শিক্ষাৰ প্ৰসাৰ আৰু সুস্থ শৈক্ষিক পৰিৱেশ নিৰ্মাণত সমগ্ৰ অঞ্চলটোত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। অলপতে প্ৰকাশ পাবলগীয়া মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি অনুৰাগ সৃষ্টি কৰাৰ লগতে ভাষা-সাহিত্য চৰ্চাৰ এক সৃজনশীল পৰিৱেশ গঢ় দিব বুলি আশা কৰিলো।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পাব বুলি আশা কৰি মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি আন্তৰিকতাৰে কামনা কৰিলো।

(তৰুণ গগৈ)

MOHAN LAL CHOUDHURY LIBRARY :



সত্যমেব জয়তে

পুৰণি বিধায়ক আৱাস (অসম আৰ্হি)
আৱাস নং- ১৮
দিশপুৰ, গুৱাহাটী

১৮/১/২০১২

ৰণ্‌জিৎ কুমাৰ দাস
বিধায়ক, ৪০নং সৰভোগ সমষ্টি

## শুভবাৰ্তা

সমন্বয় নগৰী বৰপেটাৰোডৰ প্ৰাণকেন্দ্ৰত অৱস্থিত গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ এইবেলিৰ আলোচনীখনৰ প্ৰকাশ-বতৰা মোৰ বাবে সুখ আৰু আনন্দৰ সংবাদ। বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনীখন হৈছে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সাধনাৰ কঠীয়াতলি। এনে আলোচনীৰ জৰিয়তে সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীসকলে স্বকীয় প্ৰতিভাৰ বিকাশ ঘটাই সাহিত্য জগতত প্ৰবেশ কৰি প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়।

প্ৰকাশৰ ক্ষণ গণি থকা আলোচনীখনে মহাবিদ্যালয়খনিৰ উজ্বল ঐতিহ্য প্ৰতিফলিত কৰাৰ উপৰিও সাহিত্য চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি তুলিব বুলি আশা কৰিলো। আলোচনীখনিৰ সৰ্বাঙ্গসুন্দৰ প্ৰকাশে মহাবিদ্যালয়খনৰ সৌষ্ঠৱ বৃদ্ধি কৰিব বুলি কামনা কৰিলো।

(ৰণ্‌জিৎ কুমাৰ দাস)

MOHAN LAL CHOUDHURY LIBRARY :

# ত্যাগ আৰু সততাৰ সাৱলীল যাত্ৰা



মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ
**শ্ৰীযুত জগন্নাথ বৰ্মন**

MOHAN LAL CHOUDHURY LIBRARY :

## জি. এল. চি. মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ



বাওঁফালৰ পৰা (বহি) ঃ
সন্তোষ কুমাৰ সাহা, পিয়ালী ঘোষ, জয়া বিশ্বাস কুন্ড, সঞ্জীৱ কুমাৰ দাস, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), পূৰ্ণ বাহাদুৰ ছেত্ৰী, ৰমজান আলী, মুকুট খান, ৰূপামণি কাকতি।
বাওঁফালৰ পৰা (থিয় হৈ) প্ৰথম শাৰী ঃ
খনীন্দ্ৰ কুমাৰ নাথ, আবু চুমা, আনন্দ ঘোষ, শ্বহিদুল ইছলাম জাদিদ, গিয়াছউদ্দিন আহমেদ, জুনুমণি বসুমতাৰী, দীপামণি মেধি, মাইকন বসুমতাৰী, যুথিকা তালুকদাৰ, লৱ কুমাৰ কলিতা।
বাওঁফালৰ পৰা (থিয় হৈ) দ্বিতীয় শাৰী ঃ
ৰূপনজিৎ দাস, নৃপেন দাস, মিৰাণ হুছেইন চৌধুৰী, চেলিম উদ্দিন, সোণমণি দাস, বাবুল সৰকাৰ, কল্যাণ চন্দ্ৰ তালুকদাৰ, হেমন্ত কুমাৰ দাস, মুছলেমউদ্দিন আহমেদ।

---

## আলোচনী সম্পাদনা সমিতি



বাওঁফালৰ পৰা (বহি) ঃ
ৰূপামণি কাকতি (তত্বাৱধায়িকা), পূৰ্ণ বাহাদুৰ ছেত্ৰী, জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ), জয়া বিশ্বাস কুন্ড, সঞ্জীৱ কুমাৰ দাস।
বাওঁফালৰ পৰা (থিয় হৈ) ঃ
ৰিতু বাবা দেউৰী (সাধাৰণ সম্পাদক), শিপ্ৰা কৰ (আলোচনী সম্পাদিকা), ৰূপনজিৎ দাস, আনন্দ ঘোষ, মুনীন্দ্ৰ কুমাৰ দাস, কল্যাণ চন্দ্ৰ তালুকদাৰ, শ্বহিদুল ইছলাম জাদিদ, আবু চুমা, হেমন্ত কুমাৰ দাস, যুথিকা তালুকদাৰ, মাইকন বসুমতাৰী।

MOHAN LAL CHOUDHURY LIBRARY :

## সম্পাদকীয়



বাট চ'ৰাতে এইখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকললৈ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিলো। তেখেতসকলৰ ত্যাগ আৰু উদাৰতাৰ বাবেই আমাৰ মহাবিদ্যালয়খনে আজিৰ অৱস্থা পাইছেহি।

সাহিত্য এটা জাতিৰ দাপোন। এজন প্ৰকৃত সাহিত্যিক এটা জাতিৰ বাবে দ্ৰষ্টা স্বৰূপ। সাহিত্যই এটা জাতি আৰু এখন সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰাৰ উপৰিও সেই জাতি বা সমাজৰ আশা আকাংক্ষা প্ৰতিফলিত কৰে। জাতি গঠন প্ৰক্ৰিয়া আৰু মানৱতাৰ বাণী প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সাহিত্য-সংস্কৃতিৰ দুগৰাকী উজ্বল প্ৰতিভা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়চম গোস্বামীৰ মৃত্যু অসম তথা সমগ্ৰ ভাৰতৰ বাবে অপূৰণীয় ক্ষতি। দুয়োগৰাকী প্ৰতিভাৰ মহান আদৰ্শই নতুন পুৰুষক উৎসাহিত কৰি আমাৰ সাহিত্য আৰু সংস্কৃতিৰ জগতখন সুন্দৰ কৰি তোলক।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সাধনাৰ ক্ষেত্ৰ হ'ল বাৰ্ষিক আলোচনীখন। এই আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভা বিকশিত কৰি তোলাৰ উপৰিও মহাবিদ্যালয়খনিৰ সাফল্যৰ বিভিন্ন ছবি প্ৰকাশ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক সাধনাৰ বাট দেখুৱাই উৎসাহিত কৰাৰ বাবে 'অতিথি শিতানৰ' এক বিশেষ ভূমিকা আছে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়ন আৰু চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ এই আলোচনীখন এটা গুৰুত্বপূৰ্ণ আহিলা স্বৰূপ। আমাৰ মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি' আৰু 'বিবিধা'ৰ জৰিয়তে তেওঁলোকে সাহিত্য চৰ্চাৰ সুবিধা লাভ কৰিছে। আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটোৱে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়ন আৰু চৰ্চাৰ প্ৰতি উৎসাহিত কৰা উচিত। বৰ্তমান নৱ প্ৰজন্মৰ মাজত অধ্যয়নৰ প্ৰতি বাঢ়ি অহা অনীহা দূৰ কৰি এক সুন্দৰ পৰিৱেশ গঢ়ি তুলিবলৈ সকলোৱে চেষ্টা কৰা উচিত। ছাত্ৰ শক্তিৰ উপৰিও শিক্ষাৰ লগত জড়িত ব্যক্তিসকলে অধ্যয়ন আৰু অনুসন্ধানৰ যোগেদি সমাজৰ ভুল-ভ্ৰান্তি আঁতৰাই এখন সুন্দৰ সমাজ গঠনত আগ ভাগ লোৱা উচিত। এইক্ষেত্ৰত সাহিত্যিক, সাংবাদিক আৰু বুদ্ধিজীৱীসকলৰ ভূমিকাও উল্লেখযোগ্য।

সদৌ শেষত আটাইলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো, বিশেষকৈ তত্বাৱধায়িকা ৰূপামণি কাকতি বাইদেউৱে মোক বিভিন্ন দিহা পৰামৰ্শ দি ঋণী কৰি তুলিছে। তদুপৰি মৌমিতা চক্ৰবৰ্তী, অনুৰাধা সাহা, মামনি, প্ৰতিভা, পৰাগ, সঞ্জয়, উমা, ত্ৰিদীপ, জোনালী, সঞ্জিত, মিন্টু আদি বন্ধু-বান্ধৱীৰ সহায় সহযোগিতা মোৰ সদায় মনত থাকিব। এবছৰীয়া কালছোৱাত মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰি সামৰিছো।

জয়তু জি. এল. চি. মহাবিদ্যালয়

জয়তু জি. এল. চি. মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ধন্যবাদেৰে—

**শিপ্ৰা কৰ**

আলোচনী সম্পাদিকা

MOHAN LAL CHOUDHURY LIBRARY :

# সূচীপত্ৰ

## পদুলিমুখৰ সুবাস


- ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনৈতিক উন্নয়নত গ্ৰামোদ্যোগৰ ভূমিকা ❒ পিয়ালী ঘোষ /৩
- সেউজ অৰ্থনীতি ❒ খনিন্দ্ৰ কুমাৰ নাথ /৫
- অসমীয়া সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান ❒ পিংকী নাথ /৭
- আদৰ্শ মাতৃত্বই শ্ৰেষ্ঠ জাতিৰ বুনিয়াদ ❒ মিচ্ ৰাশিদা খাতুন /১০
- গোলকীয় উত্তাপ আৰু ইয়াৰ প্ৰভাৱ ❒ অনুৰাধা বৰ্মন /১১
- অবিস্মৰণীয় কাৰ্লমাৰ্ক্স ❒ ছইদুৰ ৰহমান /১২
- হিয়াৰ এক অনুভৱ ❒ আমীৰ উদ্দিন আহমেদ /১৫
- মানৱদেহৰ ৰহস্যময় প্ৰবৃত্তি ঃ টোপনি ❒ গীতা সূত্ৰধৰ /১৬


## অতিথি কলম


- অসমীয়া চুটিগল্পত উত্তৰ আধুনিকতাবাদী চিন্তাধাৰাৰ প্ৰতিফলন ❒ ঊষা দাস /১৯
- মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ আৰু সামাজিক জীৱনত ইয়াৰ প্ৰাসংগিকতা ❒ শৈলেন কুমাৰ দাস /২৪
- Human Rights vis-a-vis America's Role in Contemporary Global World Order ❒ Dr. Bijan Kr. Kunda /২৬
- বাসনাৰ সামুদ্ৰিক জাহাজ ❒ ডাঃ হৰেন চৌধুৰী /৩০
- অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল ❒ বনজিৎ বৰ্মন /৩১


## ছন্দশিল্প


পৰিচয় ❒ সুমিতা মল্লিক /৩৩ ◉ তেওঁ আহিবই ❒ মৰ্জিনা খাতুন /৩৩ ◉ প্ৰস্তাৱ ❒ নীলিমা খানম /৩৪ ◉ নোপোৱাৰ বেদনা ❒ নাৰায়ণ বিশ্বাস /৩৪ ◉ ৩০ অক্টোবৰ ❒ মইনা দাস /৩৫ ◉ প্ৰেম ❒ ইছমাইল খান /৩৫ ◉ মা ❒ বিপণ কৰ্মকাৰ /৩৬ ◉ শৰৎ ❒ অজন্তা নাথ /৩৬ ◉ যৱনিকা ❒ মৃণাল নাথ /৩৭ ◉ তুমি আহিবা ❒ মাম্পী দাস /৩৭ ◉ ভালপাও বুলিয়েতো ভালপাও ❒ বাদল খান /৩৮ ◉ হৃদয়ত প্ৰেমৰ ফুল ❒ ৰেজিয়া খাতুন /৩৮


## কথাশিল্প


- যুঁজৰ ঘোঁৰা ❒ হেমন্ত কুমাৰ দাস /৪১


## প্ৰতিবিম্ব


- মহাবিদ্যালয় চৌহদ /৫৩ -৫৮


## মুখামুখি


- ফুলকুমাৰী কলিতা /৬০


## বৰ্ণিল অনুষঙ্গ


- প্ৰজ্ঞা / অনুভৱ / ফকৰা-যোজনা / সাঁথৰ / শায়েৰী / খেল ধেমালিৰ গীত / হাস্য / ৬২-৬৩


## স্মৃতিৰ ক'লাজ


- English Section /৬৭ - ৯৩
- প্ৰতিবেদন /৯৪ - ১০১
- Teaching and Non-Teaching staff /১০২
- শেষ পৃষ্ঠাৰ অনুভৱ ❒ ৰূপামণি কাকতি /১০৪


MOHAN LAL CHOUDHURY LIBRARY :

# পদূলিমুখৰ সুবাস

## চিন্তাশিল্প



MOHAN LAL CHOUDHURY LIBRARY :





MOHAN LAL CHOUDHURY LIBRARY :

# ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনৈতিক উন্নয়নত গ্ৰামোদ্যোগৰ ভূমিকা

❑ পিয়ালী ঘোষ
প্ৰবক্তা, অৰ্থনীতি বিভাগ

ভাৰতবৰ্ষ এখন উন্নয়নশীল অৰ্থনীতিৰ দেশ। ভাৰতীয় অৰ্থনীতি গাঁওভিত্তিক আৰু ভাৰতীয়সকলৰ প্ৰধান জীৱিকা হ'ল কৃষি। ভাৰতীয় কৃষি এতিয়া বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। বিশ্বায়নৰ প্ৰভাৱত ভাৰতীয় কৃষিখণ্ডও বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। উদ্যোগীকৰণত যথেষ্ট পিছপৰা বাবে ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ হাৰো যথেষ্ট নিম্ন। ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ এক বৃহৎ অংশ এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। বিভিন্ন পঞ্চবাৰ্ষিক পৰিকল্পনাত দৰিদ্ৰতা নিৰ্মূলৰ বাবে বিভিন্ন আঁচনি হাতত ল'লেও এতিয়াও মানৱ উন্নয়ন সূচক (Human Development Index) তালিকাত ভাৰতবৰ্ষৰ স্থান ১৩৮ খন দেশৰ ভিতৰত ১৩৪ তম।



এখন দেশৰ অৰ্থনৈতিক উন্নয়নে মাত্ৰ দেশখনৰ জাতীয় আয় বৃদ্ধিক নুবুজায়। দেশখনৰ জনসাধাৰণৰ জীৱিকা নিৰ্বাহৰ স্তৰ উন্নত হ'লেহে অৰ্থনৈতিক উন্নয়ন সম্ভৱ হয়। নিবনুৱাসকলক কৰ্মসংস্থাপন দিব নোৱাৰিলে জীৱিকা নিৰ্বাহৰ স্তৰ উন্নত হ'ব নোৱাৰে। বিভিন্ন পৰিকল্পনাত চৰকাৰে চৰকাৰে নিয়োগ সুবিধা (Employment Opportunity) বৃদ্ধিৰ বাবে বিভিন্ন লক্ষ্য নিৰ্ধাৰণ কৰিছে যদিও সফলতাৰ হাৰ নগণ্য।

গাঁওভিত্তিক অৰ্থনীতিৰ দেশ ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়ন গ্ৰামোন্নয়নৰ জৰিয়তে সম্ভৱ হ'ব পাৰে। জাতিৰ পিতা মহাত্মা গান্ধীৰ মতে গ্ৰামোদ্যোগৰ উন্নয়নৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰিব পাৰি। সেইবাবে তেওঁ খাদী আৰু গ্ৰামোদ্যোগ স্থাপন আৰু উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

গ্ৰাম্য উদ্যোগৰ অৰ্থ হ'ল গ্ৰাম্য অঞ্চলত স্থাপন কৰা এনে উদ্যোগ য'ত বিজুলী শক্তি ব্যৱহাৰ কৰি বা নকৰাকৈ কোনো সামগ্ৰী প্ৰস্তুত কৰা হয় বা সেৱাৰ যোগান ধৰা হয়। এই উদ্যোগত প্ৰতিজন কাৰিকৰৰ বিপৰীতে স্থায়ী মূলধন বিনিয়োগ ভৈয়াম অঞ্চলত ১ লাখ টকা আৰু পাহাৰীয়া অঞ্চলত ১.৫ লাখ টকাতকৈ অধিক নহয়। গ্ৰাম্য দৰিদ্ৰতা দূৰীকৰণত আৰু গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত গ্ৰামোদ্যোগে পালন কৰা বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা তলত আলোচনা কৰা হ'ল।

কৃষি গাঁৱলীয়া জনসাধাৰণৰ প্ৰধান জীৱিকা হ'লেও বৰ্তমানে এই খণ্ডত নিযুক্তিৰ পৰিমাণ যথেষ্ঠ হ্ৰাস পাইছে। গৱেষিকা ৰ'লি মিশ্ৰৰ মতে অৰ্থনৈতিক সংস্কাৰৰ সময়ছোৱাত ভাৰতীয় কৃষিখণ্ডত নিয়োগ সুবিধা হ্ৰাস পাইছে, কিন্তু এই সময়ছোৱাত ভাৰতীয় অনা-কৃষিখণ্ডৰ যথেষ্ট উন্নয়ন হোৱা বাবে গ্ৰাম্য নিয়োগৰ ক্ষেত্ৰত এই খণ্ডই বিশেষ উৎসাহ যোগাইছে। গ্ৰামোদ্যোগৰ উন্নয়নে গ্ৰাম্য ছদ্মবেশী নিবনুৱা সমস্যা সমাধানত সহায় কৰিব পাৰে।

ভাৰত তথা অসমৰ কৃষি ব্যৱস্থা প্ৰকৃতি নিৰ্ভৰ বাবে আমাৰ খেতিয়কসকলে বছৰৰ প্ৰায় ৫ ৰ পৰা ৬ মাহ নিবনুৱা হৈ বহি



MOHAN LAL CHOUDHURY LIBRARY :

থাকিবলগীয়া হয়। উক্ত সময়ছোৱাত দৈনন্দিন অভাব পূৰণৰ বাবে খেতিয়কসকলে টকা ধাৰে ল'ব লগা হয়। গ্ৰামোদ্যোগে খেতিয়কসকলক সহকাৰী নিয়োগৰ সুবিধা দিয়ে।

গ্ৰামোদ্যোগৰ উন্নয়নৰ জৰিয়তে ভাৰতবৰ্ষৰ নিচিনা তাকৰ মূলধনৰ দেশসমূহত উদ্যোগীকৰণৰ গতি বৃদ্ধি কৰিব পাৰি। মূলধনৰ নাটনিৰ বাবে এই দেশসমূহত অধিক পৰিমাণে বৃহৎ উদ্যোগ স্থাপন কৰা সম্ভৱ নহয়।

ভাৰতীয় তথা বিশ্ব অৰ্থনীতিত নিবনুৱা সমস্যাই বৰ্তমানে ভয়াবহ ৰূপ ধাৰণ কৰিছে। গ্ৰামোদ্যোগৰ উন্নয়নে এই সমস্যা সমাধানত বিশেষ সহায় আগবঢ়াব পাৰে। এই উদ্যোগসমূহ শ্ৰম নিবিড় হোৱা বাবে প্ৰচুৰ নিয়োগ সুবিধা সৃষ্টি কৰে। অতি কম মূলধনেৰে স্থাপন কৰিব পৰা এই উদ্যোগসমূহত নিয়োজিত হ'বৰ বাবে বিশেষ দক্ষতাৰ প্ৰয়োজন নহয়। এই উদ্যোগসমূহ গ্ৰাম্য উদ্যমিতা বিকাশত (Enterpreneurship development) বিশেষ ভূমিকা পালন কৰে।

গ্ৰাম্য উদ্যোগসমূহ স্থানীয় সম্পদৰ ভিত্তিত স্থাপন কৰা হয় বাবে এই উদ্যোগসমূহ স্থানীয় সম্পদৰ কাম্য (Optimum) ব্যৱহাৰ সুনিশ্চিত কৰিব পাৰে। প্ৰাকৃতিক সম্পদৰ কাম্য ব্যৱহাৰে দেশৰ জাতীয় উৎপাদন বৃদ্ধি কৰি জাতীয় আয় আৰু ব্যক্তিগত আয় বৃদ্ধিত অৰিহণা যোগায়।

পিছপৰা গ্ৰাম্য অঞ্চলৰ উন্নয়নত গ্ৰামোদ্যোগৰ ভূমিকা উল্লেখযোগ্য। গাঁও অঞ্চলত অশিক্ষিত, অৰ্ধশিক্ষিত তথা কাৰিকৰী জ্ঞান নথকা বৃহৎ জনসংখ্যা ডাঙৰ উদ্যোগবোৰত নিযুক্তি হ'ব নোৱাৰে। গ্ৰামোদ্যোগৰ উন্নয়নৰ যোগেদি উক্ত জনসংখ্যাৰ নিযুক্তি সম্ভৱ হ'ব পাৰে আৰু গ্ৰাম্য অঞ্চলৰ আন্তঃগাঁথনিৰ উন্নয়নো সম্ভৱ হ'ব পাৰে।

এই উদ্যোগসমূহ নিজৰ ঘৰতে স্থাপন কৰিব পাৰি আৰু আজৰি সময়ত উৎপাদনৰ কাম কৰিব পাৰি। গ্ৰামোদ্যোগৰ উন্নয়নে উদ্যোগিক বিকেন্দ্ৰীকৰণ সম্ভৱ কৰে আৰু গ্ৰাম্য অঞ্চলৰ আয় আৰু সম্পদ বিতৰণৰ অসমতা দূৰ কৰাত সহায় কৰে।

এই উদ্যোগজাত বস্তুসমূহ কিনা-বেচা কৰিবৰ বাবে গাঁও অঞ্চলত বজাৰ গঢ়ি উঠে। এই উদ্যোগজাত বস্তু আৰু সেৱাগত দ্ৰব্যৰ ব্যৱসায়ৰ যোগেদি পৰোক্ষভাৱে বহু নিবনুৱাই আত্ম সংস্থাপনৰ সুবিধা লাভ কৰে।

গ্ৰাম্য মহিলা সবলীকৰণতো গ্ৰামোদ্যোগে বিশেষ ভূমিকা পালন কৰে। নিজৰ গাঁওতে নাইবা নিজৰ ঘৰত স্থাপিত এই উদ্যোগসমূহত মহিলাসকলে নিঃসংকোচে অংশগ্ৰহণ কৰিব পাৰে। স্থানীয় সম্পদৰ ভিত্তিত এই উদ্যোগসমূহত স্থাপন হয় বাবে কেঁচামাল সহজতে সংগ্ৰহ কৰিব পাৰি। গধুৰ যন্ত্ৰপাতিৰ ব্যৱহাৰ সীমিত বাবে মহিলাসকলে অতি সহজতে এই উদ্যোগত অংশগ্ৰহণ কৰিব পাৰে আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'ব পাৰে।

এই উদ্যোগত উৎপাদিত বস্তু আৰু সেৱাগত দ্ৰব্যৰ ৰপ্তানিৰ জৰিয়তে কেন্দ্ৰ চৰকাৰে বিদেশী মুদ্ৰা উপাৰ্জন কৰিছে। এই উদ্যোগসমূহে গাঁও অঞ্চলৰ পৰা চহৰ অঞ্চললৈ জনপ্ৰব্ৰজন ৰোধ কৰিব পাৰে।

খাদী আৰু গ্ৰামোদ্যোগ আয়োগ হ'ল ভাৰতবৰ্ষত গ্ৰামোদ্যোগৰ উন্নয়ন তথা সম্প্ৰসাৰণৰ বাবে ন'ডেল এজেন্সী (Nodel Agency). এই আয়োগৰ প্ৰধান উদ্দেশ্য সমূহ হ'লঃ

১) সামাজিক উদ্দেশ্য— নিয়োগৰ সুবিধা প্ৰদান কৰা।
২) অৰ্থনৈতিক উদ্দেশ্য— বিক্ৰিযোগ্য সামগ্ৰী উৎপাদন কৰা।
৩) বহল উদ্দেশ্য— জনসাধাৰণৰ মাজত স্বনিৰ্ভৰশীলতা সৃষ্টি কৰি এক সামূহিক শক্তিশালী গ্ৰামীণ উদ্যম সৃষ্টি কৰা।

ভাৰতৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত গ্ৰামোদ্যোগসমূহে বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে যদিও ভাৰতবৰ্ষৰ এই খণ্ড এতিয়াও যথেষ্ট উন্নত হোৱা নাই। বিশ্বায়নৰ প্ৰভাৱত গ্ৰামোদ্যোগজাত বস্তু সমূহ ডাঙৰ উদ্যোগৰ আধুনিক কৌশলেৰে উৎপাদিত বস্তুৰ লগত বজাৰত ফেৰ মাৰিবলগীয়া হোৱাত এই উদ্যোগ সমূহৰ উন্নয়ন বাধাগ্ৰস্ত হৈছে। উপযুক্ত নীতি নিৰ্ধাৰণ আৰু আঁচনি সমূহৰ ৰূপায়ণে এই খণ্ডৰ উন্নয়নৰ সম্ভৱ কৰি তুলিব পাৰে। ◆◆


সহায়ক গ্ৰন্থঃ
১। ড° প্ৰণৱ কুমাৰ ধৰ— ভাৰতৰ অৰ্থনীতি।
২। খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ কাৰ্য্যাৱলী আৰু আঁচনি— অসম ৰাজ্যিক কাৰ্য্যালয়, ৰূপনগৰ, গুৱাহাটী-৩২
৩। M. Rahaman, N. B. Day: Micro and Small Enterprise in NE India, Problem & Prospect.
৪। Economic Survey, Assam 2010-11: Directorate of Economic and Statistics, Assam.
৫। The Indian Economic Journal. Vol- 58.




MOHAN LAL CHOUDHURY LIBRARY :

# সেউজ অৰ্থনীতি

❑ খনিন্দ্ৰ কুমাৰ নাথ
প্ৰবক্তা, অৰ্থনীতি বিভাগ



সাম্প্ৰতিক বিশ্বত মানৱ জাতিয়ে সন্মুখীন হোৱা অন্যতম প্ৰধান সমস্যা এটা হৈছে আৰ্থিক বিকাশ আৰু পৰিৱেশৰ অৱক্ষয় ৰোধ— এই দুয়োটাৰ মাজত সন্তুলন বৰ্তাই ৰখা। সৌ সিদিনালৈকে ৰাষ্ট্ৰনায়ক আৰু অৰ্থনৈতিক পণ্ডিত সকলে উন্নয়ন আৰু পৰিৱেশ সুৰক্ষাক পৰস্পৰ বিৰোধমূলক ধাৰণা (mutually exclusive) হিচাপহে গণ্য কৰি আহিছিল। অৰ্থাৎ বিকাশ আৰু পৰিৱেশ সুৰক্ষা একেলগে সম্ভৱপৰ নহয় বুলি বিবেচনা কৰিছিল। বিকাশৰ পৰম্পৰাগত ধাৰণা যে মানৱজাতিৰ অস্তিত্বৰ প্ৰতিয়েই প্ৰধান ভাবুকি স্বৰূপ এই সম্পৰ্কত সজাগতাৰ সৃষ্টি হয় বিশেষকৈ ব্ৰাজিলৰ ৰাজধানী ৰিও দ্যা জেনেইৰোত ১৯৯২ চনত অনুষ্ঠিত 'ধৰিত্ৰী সন্মিলন' (Earth summit) ৰ পিছৰ পৰা।

আজিৰ তাৰিখত সমগ্ৰবিশ্বৰ প্ৰায় ২.৫ বিলিয়ন লোকে (১ বিলিয়ন = ১০০ কোটি) দৈনিক ২ ডলাৰতকৈ কম (বৰ্তমান প্ৰায়১০০ টকা) আয় উপাৰ্জন কৰে। অৰ্থনীতিৰ এনে সন্ধিক্ষণত আৰ্থিক বিকাশ অব্যাহত ৰাখিবই লাগিব, অন্যথা বিশ্বৰ কোটি কোটি জনতাই অনাহাৰে আৰু অৰ্দ্ধাহাৰে নিশা শোৱা পাটীলৈ যাব লাগিব। কিন্তু এই বিকাশ গ্ৰহণযোগ্য নহয় পৰিৱেশৰ জীৱনদায়ী শক্তিৰ ব্যয় বা ত্যাগৰ বিনিময়ত।

ইতিমধ্যে ৬ বিলিয়ন জনসংখ্যাৰ বোজা কঢ়িয়াব লগা হৈছে আই বসুমতীয়ে। ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া পৰিষ্কাৰভাবে প্ৰতিফলিত হৈছে বিভিন্ন ৰূপত। জলবায়ু পৰিবৰ্তন, জৈৱ বৈচিত্ৰ্যতাৰ অৱক্ষয়, খাদ্য, পানী আৰু ইন্ধনৰ নাটনি, বিশ্ব অৰ্থনীতিৰ বৰফ গলন (Global economic meltdown) আদি হ'ল এই শতিকাৰ প্ৰধান প্ৰত্যাহ্বান। আৰ্থিক বিকাশ ক্ষিপ্ৰতৰ কৰাৰ বিশ্ব প্ৰতিযোগিতাত গুৰুত্বই দিয়া হোৱা নাছিল নবীকৰণযোগ্য সম্পদৰ ব্যৱহাৰ, পৰিস্থিতি তন্ত্ৰ, জৈৱ বিচিত্ৰতা, কাৰ্বন নিৰ্গমন, জল আৰু ভূমি সংৰক্ষণ আদি অত্যন্ত স্পৰ্শকাতৰ বিষয়সমূহত।



সুখৰ কথা এয়ে যে পলমকৈ হ'লেও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক নতুন চিন্তাৰ উন্মেষ ঘটিছে আৰু সেয়া হ'ল 'সেউজ অৰ্থনীতি'ৰ বিকাশ। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্য্যসূচী (UNEP) য়ে সেউজ অৰ্থনীতিৰ সংজ্ঞা দিছে এনেদৰে, 'সেউজ অৰ্থনীতি এনে এক অৰ্থনীতি যিয়ে সামাজিক সমতাৰ সৈতে মানৱ কল্যাণ বৃদ্ধি কৰে আৰু একে সময়তে পৰিৱেশিক ক্ষতিশংকা তাৎপৰ্য্যপূৰ্ণ ভাৱে হ্ৰাস কৰে।' সেউজ অৰ্থনীতিৰ লক্ষ্য হ'ল অৰ্থনৈতিক প্ৰতিদান, আয় বৃদ্ধি, নিয়োগ সৃষ্টি, দৰিদ্ৰতা দূৰীকৰণ যি সম্ভৱ হয় নতুন প্ৰজন্মৰ সম্পদ (New generation assets) ৰ ওপৰত বিনিয়োগ বৃদ্ধি কৰি। নতুন প্ৰজন্মৰ সম্পদ বুলিলে বুজা যায় পৰিষ্কাৰ আৰু দক্ষ প্ৰযুক্তি, নবীকৰণযোগ্য শক্তি আৰু সম্পদৰ উৎস, অপচয় পৰিচালনা, জৈৱ বিচিত্ৰতা ভিত্তিক উৎপাদন আৰু সেৱা, সেউজ নগৰ আদিক।

UNEP য়ে কৰা সমীক্ষা মতে বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ মাত্ৰ দুই শতাংশ (২%) বিনিয়োগ ১০ টা প্ৰধান খণ্ডত কৰিব পাৰিলেই আমি নিম্ন কাৰ্বন নিৰ্গমনযুক্ত সেউজ অৰ্থনীতিৰ বুনিয়াদ গঠন কৰিব পাৰো।

সেউজ অৰ্থনীতিৰ গাঁথনি মজবুত কৰিব পৰা ১০ টা বিনিয়োগৰ খণ্ড হ'ল— কৃষি, মৎস্য উৎপাদন, বনানীকৰণ, পানী সংৰক্ষণ, শক্তি যোগান, পৰ্যটন, আবৰ্জনা পৰিচালনা,



MOHAN LAL CHOUDHURY LIBRARY :

নিৰ্মাণ, পৰিবহণ আৰু পশুপালন। প্ৰাকৃতিক মূলধন সৃষ্টিৰ খণ্ড যেনে— কৃষি, বনানীকৰণ, মৎস্য পালন, সতেজ জল আদিৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধিয়ে বিশ্বৰ ১.৩ বিলিয়ন দৰিদ্ৰ লোকৰ অৰ্থনীতিৰ আমূল পৰিৱৰ্তন সাধন কৰাৰ লগতে পৰিৱেশিক ভাৰসাম্যতা ৰখাত তাৎপৰ্য্যপূৰ্ণ অৱদান যোগাব পাৰে।

এইখিনিতে উল্লেখযোগ্য যে বিশ্বৰ গ্ৰীণহাউচ গেছ বৃদ্ধিৰ পৰিঘটনাটোত ২০ শতাংশ বৰঙণি যোগায় বনাঞ্চল ধ্বংসই। যাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি পাইছে। কিন্তু বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ মাত্ৰ ০.০৩ শতাংশ বিনিয়োগে পৰিস্থিতি সম্পূৰ্ণ অনুকূল কৰি দিব পাৰে। বৰ্দ্ধিত মৰুভূমিকৰণ পৰিৱেশৰ প্ৰতিয়েই যে ভাবুকিস্বৰূপ এনে নহয় ই বিশ্ব অৰ্থনীতিও তচনচ কৰি দিব পাৰে। শক্তি সম্পদৰ দক্ষতা বৃদ্ধি সম্পৰ্কীয় প্ৰযুক্তিত বিনিয়োগ, আৱৰ্জনা নিৰাময় আৰু পৰিচালনাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি আদি সেউজ অৰ্থনীতিৰ বাবে অতি প্ৰয়োজনীয় বিষয়। জৈৱিক ইন্ধন, জৈৱিক সাৰ প্ৰস্তুত, জৈৱিক কীট নাশক পদ্ধতি, জুমীয়া সকলৰ সংস্থাপন, বন সুৰক্ষাত জনজাতি লোকসকলক জড়িতকৰণ, পৰিৱেশীয় সম্পত্তিৰ স্বত্ব প্ৰদান আদি বিষয়সমূহত ৰাষ্ট্ৰ নায়কসকলে গুৰুত্ব বৃদ্ধি কৰাৰ সময় সমাগত।

ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত সেউজ অৰ্থনীতিৰ প্ৰাসংগিকতা অতি বেছি। বিশ্বৰ ১৪৯ খন দেশৰ পাৰিৱেশিক দক্ষতা ৰেংকিঙত ভাৰতৰ স্থান ১২০ নম্বৰত অৰ্থাৎ অতিকৈ তলত। একেদৰে মানৱ উন্নয়ন সূচকৰ ক্ষেত্ৰতো একেই অৱস্থা। গতিকে মানৱ উন্নয়ন আৰু পৰিৱেশিক দক্ষতাৰ মাজত সহসম্বন্ধ উচ্চ ধনাত্মক। ভাল পৰিৱেশ হে ভাল অৰ্থনীতিৰ বুনিয়াদ। কাৰ্বন নিৰ্গমন হ্ৰাসৰ চুক্তিত ভাৰতবৰ্ষৰ লগতে আন আন দেশসমূহে সোনকালে স্বাক্ষৰ কৰা উচিত। ইতিমধ্যে জোৰ পুৰি হাত পোৰাৰ ক্ষণ সমাগত। বৃহৎ আৰু মহান লক্ষ্যত উপনীত হ'বলৈ দেশসমূহে হ্ৰস্বকালীন লাভ-লোকচানৰ চিন্তা পৰিহাৰ কৰিবই লাগিব। তথাকথিত আৰ্থিক বিকাশ সাঁথৰ হৈ থাকিব যদিহে সেউজ অৰ্থনীতিৰ, বহনক্ষম উন্নয়নৰ দিশত আমি অগ্ৰসৰ নহও।

শেষত, যজুৰ্বেদৰ শ্লোকেৰে ক'ব পাৰো—

"পৃথ্বি সগন্ধা সৰাসাস্ত থাপঃ স্পৰ্শী চ বায়ুৰ্জ্বলনং চ তেজঃ।
নভঃ সশব্দং মহতা সহৈৰ কুৰ্বন্তু সৰ্বে মন সুপ্ৰভাতম্।।
সপ্তৰ্ণৱাঃ সপ্তকুলাচ লাচ সপ্তৰ্ষয়ো দ্বী নৱনানি সপ্ত।
ভূৰাদি কৃতা ভুৱনানি সপ্ত কুৰ্বন্তু সৰ্বে মম সুপ্ৰভাতম্।।" ◆◆

ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত সেউজ অৰ্থনীতিৰ প্ৰাসংগিকতা অতি বেছি। বিশ্বৰ ১৪৯ খন দেশৰ পাৰিৱেশিক দক্ষতা ৰেংকিঙত ভাৰতৰ স্থান ১২০ নম্বৰত অৰ্থাৎ অতিকৈ তলত। একেদৰে মানৱ উন্নয়ন সূচকৰ ক্ষেত্ৰতো একেই অৱস্থা। গতিকে মানৱ উন্নয়ন আৰু পৰিৱেশিক দক্ষতাৰ মাজত সহসম্বন্ধ উচ্চ ধনাত্মক। ভাল পৰিৱেশ হে ভাল অৰ্থনীতিৰ বুনিয়াদ।

প্ৰাসংগিক সহায়ঃ


1. "Green Economy and sustainable livelihood" Nikunja Ch. Deka (The Assam Tribune)
2. যজুৰ্বেদ।




MOHAN LAL CHOUDHURY LIBRARY :

# অসমীয়া সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান

❑ পিংকী নাথ
স্নাতক ২ য় বৰ্ষ

নতুন পৃথিৱীৰ নতুন দিগন্তত ন চকুযুৰিত দীপ্তি ঢালি লৈ পুৰণি পৃথিৱীক নতুন দৃষ্টিৰে চাই অসমীয়া ভাষা সাহিত্যৰ পুৰণি উৰলি যোৱা ভঁৰালটোক নতুন সৃষ্টিৰে বিনন্দীয়া ৰূপত সজাই থৈ যোৱা বিশ্বৰ অন্যান্য ব্যক্তি সকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম।



এইজনা বহুমুখী প্রতিভা সম্পন্ন ব্যক্তিৰ জন্ম হৈছিল ১৮৫৪ চনৰ কাতি মাহৰ লক্ষ্মী পূৰ্ণিমা তিথিত। থানেশ্বৰী দেৱীৰ গৰ্ভত জন্ম হোৱা এই শিশুটিৰ নাম ৰাখিছিল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ পিতৃৰ নাম মুন্সিফ দীননাথ বেজ বৰুৱা। শৰতৰ স্নিগ্ধ জোনাক লক্ষ্মী পূৰ্ণিমাৰ দিনা জন্ম হোৱা বাবে তেওঁৰ নাম ৰাখিছিল লক্ষ্মীনাথ। লুইতৰ বুকুত জন্ম হোৱা বাবেই দেৱশিশুটিৰ নাম 'লুইত কোঁৱৰ' বুলি খ্যাত আছে।

সৰুৰে পৰাই স্বাধীনচেতীয়া মনৰ গৰাকী, পিতৃ-মাতৃৰ বৈষ্ণৱ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱা লক্ষ্মীনাথে পঢ়া-শুনাত বৰ চোকা আছিল। সময়ৰ স'তে খোজ মিলাই তেওঁ তেজপুৰ, লক্ষীমপুৰ, গুৱাহাটী, শিৱসাগৰ আদি ঠাইত শিক্ষা লাভ কৰি প্ৰৱেশিকা পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষাৰ বাবে কলিকতালৈ ঢাপলি মেলিছিল। তাত তেওঁ ৰিপন চিটি আৰু জেনেৰেল এচেম্বলি কলেজৰ পৰা ১৮৯০ চনত বি. এ. পাছ কৰে। তাৰ পাছত এম. এ. আৰু আইন অধ্যয়ন কৰে যদিও ডিগ্ৰী নোহোৱাকৈ অধ্যয়ন সমাপ্ত কৰে। ইংৰাজ চৰকাৰে তেওঁক মুন্সিফ পদ যাচিছিল যদিও তেওঁৰ স্বাধীন মনে তাক প্ৰত্যাখান কৰি ভোলানাথ বৰুৱাৰ লগত কাঠৰ ব্যৱসায় কৰিছিল। কলিকতাত থকাকালতে বেজবৰুৱাদেৱে কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ জীয়ৰী প্ৰজ্ঞা সুন্দৰী দেৱীৰ লগত সাংসাৰিক জীৱন আৰম্ভ কৰে। যুৱীয়া জীৱনৰ সাক্ষী স্বৰূপে জন্ম হয় তেওঁলোকৰ তিনিজনী কন্যা সন্তান।

বেজবৰুৱাৰ কলিকতীয়া জীৱনে তেওঁলৈ সাহিত্য সাধনাৰ অফুৰন্ত শক্তি আৰু অনুপ্ৰেৰণা আনে। বেজবৰুৱাৰ লগতে সেই সময়ত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰ 'ৰোমান্টিক কাব্য দৰ্শনৰ ত্ৰিমূৰ্ত্তি' বুলি খ্যাত ক্ৰমে হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালাহঁতে কৰা আশাশুধীয়া প্ৰচেষ্টাৰ ফলতে প্ৰতিষ্ঠিত হয় 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আৰু উদয় হয় মুখপত্ৰ 'জোনাকী' কাকতৰ।

বেজবৰুৱা অসমীয়া সাহিত্যৰ সাহিত্যিকেই মাথোন এনে নহয়, তেওঁ আছিল অসমীয়া সমাজৰ এক উজ্বল তৰা। এই জোনাকীৰ বুকুতেই লুকাই থকা বেজবৰুৱাৰ মনৰ গভীৰ অসমীয়া কাব্য, গল্প, উপন্যাস, প্ৰবন্ধ, কবিতাই অসমৰ বুকুলৈ কঢ়িয়াই আনিছিল এক নতুন জাগৰণ।

জোনাকীত প্ৰকাশ পোৱা লঘু অথচ মধুৰ হাস্যৰসৰ ভঁৰাল 'লিটিকাই'ৰে সাহিত্যিক জীৱনৰ পাতলি মেলি 'নোমল', 'পাচনি' আদিৰে অসমৰ বুকুত হাঁহিৰ ৰোল তোলাৰ মাজেদি, কাণীয়া,



MOHAN LAL CHOUDHURY LIBRARY :

সোৰোপা, খোদ অসমীয়া জাতিটোৰ অন্তৰত সঞ্জীৱনী সুধা ঢালি প্ৰাণৰ সঞ্চাৰ কৰিছে, হাঁহিৰ জৰিয়তে তেওঁ যেন বয়সৰ লগত বুঢ়া নহ'বলৈ শক্তিশালী প্ৰস্তাৱ এটা গ্ৰহণ কৰি থৈছে। তেওঁৰ হাঁহিৰ ঘাই উৎস হ'ল— তেওঁৰ স্বাস্থ্যকৰ এটি মন আৰু নিৰ্ভীক নিৰ্মল এখনি হৃদয়। অৱশ্যে বেজবৰুৱাদেৱে হাঁহিৰ চলেৰে মাজে সময়ে দুখৰ বতৰাও দিছিল। বিশেষকৈ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'টোৰ মাজেদি অসমীয়া জাতিক মৰমৰ ব্যঙ্গবাণীৰে থকা-সৰকা কৰি জাতীয় চেতনা জগাই তুলিছিল। কৰ্মপীড়িত জীৱনকালত অন্তত এবাৰ অকপট হাঁহি কান্দোনৰ সুবিধা দিয়াৰ কাৰণে আমি সকলোৱে তেওঁৰ ওচৰত ঋণী। তেওঁৰ এই হাস্যৰস সম্পৰ্কত ড° বাণীকান্ত কাকতি দেৱে কৈছে "যি ৰসৰ গুণে পঢ়াৰ ভাগৰকো তৃপ্তিত পৰিণত কৰে, যি ৰসে সাহিত্যৰ প্ৰত্যেক ৰসকেই সীমা পাৰ হৈ আধিক্য দোষত আমনি লগোৱা হ'ব নিদিয়ে, সেই হাস্যৰসে বেজবৰুৱাৰ সাহিত্যৰ প্ৰত্যেক শাৰীকেই সজীৱ কৰি ৰাখিছে।" তেওঁৰ 'তত্বকথা'ৰ লগতে 'জীৱন সোঁৱৰণ' খনিটো চিনাকী হাঁহিটিৰেই প্ৰকাশ পৰিলক্ষিত হৈছে।

শঙ্কৰদেৱ যেনেকৈ এজন যুগ প্ৰৱৰ্ত্তক, তেৰো তেনেকৈ এটি যুগৰ স্ৰষ্টা। বিদেশত জীৱনৰ সহৰভাগ কটায়ো অসমীয়া জন জীৱনৰ চিত্ৰবোৰ আৰু অসমীয়া মাত কথা তেওঁৰ সাহিত্য কৃতিৰ মাজেদি ফুটাই তোলা লক্ষ্মীনাথৰ এক বিশেষত্ব। বেজবৰুৱাৰ প্ৰবাসী প্ৰেমে অসম বোলা মাটি চপৰা সাৱট মাৰি ধৰিছিল আৰু বহিঃশত্ৰু, অন্তঃশত্ৰুৰ পৰা নিজৰ ভাষা, সাহিত্য আৰু ধৰ্মক ৰক্ষা কৰাৰ বাবে গভীৰ ভাৱে আত্মনিয়োগ কৰিছিল। চকুৰে দেখি কথা বুজিব হোৱাৰে পৰা বৰপেটাৰ কীৰ্ত্তন ঘৰৰ লগত সম্বন্ধ, ডাঙৰ হোৱাৰ লগে লগে কমলাবৰীয়া ভাওনা আৰু ৰাজহুৱা নাম কীৰ্ত্তনৰ লগত যথেষ্ট মিতিৰালি পাতিছিল। তাৰেই প্ৰেমত উদ্বুদ্ধ হৈ প্ৰকাশ পাইছিল তেওঁৰ বৈষ্ণৱ ভাবধাৰাৰ উচ্চ স্তৰৰ সুন্দৰ সমালোচনা পুথি 'শঙ্কৰদেৱ', 'শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ', 'তত্বকথা', 'কৃষ্ণকথা' আদি।

বেজবৰুৱাদেৱৰ এনে সু-গভীৰ স্বদেশানুৰাগ, স্বদেশ প্ৰীতি তেওঁৰ সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ হাঁহি ধেমেলিয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেষ জীৱনৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে মূল সূত্ৰ এই স্বদেশানুৰাগ, স্বদেশপ্ৰীতি। তেওঁৰ ভাৱ-ভাষা সকলো এই অনুৰাগৰেই ফলশ্ৰুতি। স্বদেশপ্ৰীতি বেজবৰুৱাৰ সাহিত্যৰ মূলমন্ত্ৰ।

কবি হিচাপেও খ্যাত বেজবৰুৱাৰ কবিতাৰ মাজত প্ৰকাশ পাইছিল দেশপ্ৰেম, গভীৰ আধ্যাত্মিক সুৰ আৰু ৰোমান্টিকতা। তেওঁৰ জীৱনৰ প্ৰথম কবিতা 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি ৰচনা কৰা কবিতাবোৰ 'কদমকলি' পুথিত সন্নিবিষ্ট কৰা হৈছে, 'বীণবৰাগী' কবিতাত গোটেই জাতীয় জীৱনৰ স্বৰূপটোৱেই যেন তেওঁৰ অন্তৰেদি প্ৰবাহমান হোৱা দেখা গৈছে। জাতীয় জীৱন সম্পৰ্কত তেওঁৰ আক্ষেপ নাই, নৈৰাশ্যবাদ নাই, নাই ক্লান্তি। তেওঁৰ অন্তৰ যেনে নিৰুগ্ন, সুস্থ তেওঁৰ স্বদেশ প্ৰেমেও সেইদৰে সঞ্জীৱনী শক্তিৰে ভৰপূৰ। তেওঁক লাগে দবা-শঙ্খ, মৃদং-খোলৰ আনন্দময় কোলাহল আৰু এবাৰ প্ৰাণ ভৰা উচ্ছ্বাসৰ বাণী 'জয় আই অসম বোল'। কাৰণ তেওঁৰ অসম গৌৰৱময় অসম। এই সুস্থ আশাৰেই প্ৰকাশ পাইছে 'অসম সঙ্গীত'ৰ উচ্ছ্বাসিত ছন্দত।

লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰীতিৰ এটা বিশেষ প্ৰাধান্য লাভ কৰা বিষয় হৈছে ভাষাৰ প্ৰাঞ্জলতা। মৌ-মাখিয়ে ফুলৰ মৌ সংগ্ৰহ কৰি মৌ কোঁহ সজাৰ দৰে বেজবৰুৱাদেৱেও নানা ঠাই, নানা দেশ, নানা সাহিত্যৰ পৰা বিভিন্ন উপাদান সংগ্ৰহ কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মৌ-কোঁহ প্ৰস্তুত কৰিছিল। তেওঁৰ প্ৰায়বোৰ ৰচনাশৈলীতে ব্যৱহাৰ হৈছে নিভাঁজ অসমীয়া ঘৰুৱা শব্দ আৰু ভাষা। উপযুক্ত ঠাইত উপযুক্ত ভাৱৰ বাহন স্বৰূপে ব্যৱহাৰ কৰিলে ভাব যে কি মধুৰ ঝংকাৰ, কি প্ৰকাশিকা শক্তি, কি ধ্বনি তাৰ উদাহৰণ— 'বুঢ়ী আইৰ সাধু' (১৯১২) 'ককাদেউতা আৰু নাতি ল'ৰা' (১৯১৩) আদি। তেওঁৰ সাহিত্য সাধনাৰ মাজত ফুটি উঠিছিল অসমীয়াৰ সুখ, দুখ, আশা, নিৰাশা, হাঁহি, কান্দোন। তাৰেই ফলশ্ৰুতিত বেজবৰুৱাদেৱে ৰচনা কৰিছে 'ধনবৰ ৰতনী', 'ৰতনীৰ বেজাৰ' কবিতা আদি। মুঠতে সৰু সাধাৰণ কথা এটিও বেজবৰুৱাৰ ভাষাৰ সাজ পিন্ধিলে মনোমোহা হৈ উঠে।

বেজবৰুৱা ডাঙৰীয়াৰ একমাত্ৰ উপন্যাসখন ৰোমান্টিক ভাব সম্পন্ন যদিও পৰিস্থিতিত চৰিত্ৰ সমূহৰ মাজত অবাস্তৱ বা অসাম্ভাব্যৰ সাঁচ নাই। পুৰণি এটা যুগৰ বিবিধ পৰিস্থিতি আৰু চৰিত্ৰ ফুট. তুলিব পৰা বেজবৰুৱাৰ সাৱলীল ভাষাই পুথিখনক সুখপাঠ্য কৰি তুলিছে।

নাট্যকাৰ হিচাপেও লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সংস্কৃতিৰ ভঁড়াল কৰি থৈ গৈছে। 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুঁৱৰী', 'বাখৰ'



MOHAN LAL CHOUDHURY LIBRARY :

আৰু মানৰ পটভূমিত লিখা 'বেলিমাৰ' (১৯১৫) আদি ঐতিহাসিক নাটকৰ যোগেঁদি তেওঁ বুৰঞ্জীৰ উত্থানৰ একোটা গৌৰবোজ্জ্বল অধ্যায়ৰ কাহিনী গৌৰৱমণ্ডিতকৈ আৰু পতনৰ কাহিনী কৰুণ আৰু ব্যাথা লগাকৈ দাঙি ধৰিছে। তেওঁৰ শ্ৰেষ্ঠ নাটক 'জয়মতী কুঁৱৰী'ৰ জৰিয়তে চৰিত্ৰ চিত্ৰনত দেখুওৱা পাৰদৰ্শিতা, যেনে— অসমীয়া সৰল মাত কথা, জাতীয়তাৰ চাপ আৰু বিশ্বমানৱৰ সাধাৰণ অনুভূতি আদিৰ সৈতে আমাক পৰিচয় কৰি দিছে। 'জয়মতী' চৰিত্ৰৰ জৰিয়তে তিৰোতাৰ অপৰিসীম বুদ্ধিমত্তা আমাৰ চকুত নলগাবও পাৰে, কিন্তু অপৰিসীম কাৰ্য্য শক্তি আৰু ত্যাগে যুগে যুগে নাৰীৰ নাম উজ্জ্বল কৰি ৰাখিছে। এই বিৰাট বিশ্বজনীন সত্যফেৰাই 'জয়মতী কুঁৱৰী' নাটকৰ মূলগাঁঠি। ইয়াৰ বলত নানা চিৰকলীয়া সত্য আৰু সকলো দেশৰ সকলো মানুহৰ সাধাৰণ মহৎ প্ৰবৃত্তিবোৰে নাটকীয় চৰিত্ৰৰ বুকুৰেদি ভুমুকি মাৰিছে। সেই মহত্বৰ লগত মানুহৰ নীচতা আৰু হিয়াৰ দীনতাৰ সংঘাতত জীৱনৰ কি একোটা ট্ৰেজেডিৰ সৃষ্টি হয় তাক আমি স্পষ্টকৈ দেখা পাইছো।

বেজবৰুৱাদেৱৰ অসমীয়া সাহিত্যলৈ যোগোৱা অৱদানৰ আন এটা দিশ হ'ল চুটিগল্প সমূহ। 'জোনাকী'ৰ পাততেই প্ৰকাশ পোৱা 'কোহোকলি', 'সুৰভি', 'জোনবিৰি' আদিৰ যোগেদি দৈনন্দিন জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনৰ অনুভূতি আদিৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে।

বেজবৰুৱাদেৱে সম্পাদনা কৰা আন এখন কাকত 'বাঁহী' (১৯০৯) য়েও পঞ্চমত সুৰ তুলি লুইতৰ বুকুত উখল মাখলৰ সৃষ্টি কৰি অসমীয়া জাতিক সাহিত্যৰ সুৰেৰে বিমোহিত কৰাৰ লগতে হাজাৰ হাজাৰ লোকৰ প্ৰাণত সাহিত্যৰ উৎস সঞ্চাৰ কৰিছিল। বাঁহীয়ে অসমীয়া জাতিটোক আকৌ এবাৰ নকৈ 'কান্হুদী', 'খাৱলীৰ সোৱাদ দি জাতীয় চেতনা জগাই তুলিছিল।

এইদৰে অসমীয়া সাহিত্যৰ নৱতম ৰূপকোঁৱৰৰ পথ প্ৰদৰ্শক সাহিত্য আন্দোলনৰ সংগঠক তথা আজীৱন মহাৰথী ৰূপে কাম কৰা, ৰসৰাজ ৰূপে খ্যাত এইজনা বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তিয়ে লুইতৰ বুকুত জন্মি ১৯৩৮ চনৰ মাৰ্চ মাহৰ ২৫ তাৰিখে নিচেই পুৱাতেই লুইতৰ বুকুতেই নিজৰ শৰীৰটো অৰ্পণ কৰি যায়। কবিৰ ভাষাত—

"ভাগি গ'ল বীণ খন
ছিগি গ'ল তাৰ
ৰৈ গ'ল অৱশেষ
অমিয়া ঝংকাৰ।"

এই আঠেকুৰি বছৰত জাতিৰ প্ৰতি, দেশৰ প্ৰতি মহান ব্যক্তিজনাৰ সেৱা আছিল অকৃত্ৰিম, শান্তিহীন, ক্লান্তিহীন। মাজে সময়ে পোৱা সাংসাৰিক দুঃচিন্তাৰ মাজতো তেওঁক চেনেহী হাঁহি আৰু মাতৃতুল্যা ভাষা জননীৰ ৰাগে এৰা দিয়া নাছিল, সাহিত্যৰ আস্বাদেও তেওঁক সদায় তৃপ্তি দি ৰাখিছিল, মুঠতে তেওঁৰ জীৱন এটি সাধাৰণ জীৱন, কঠোৰ একাগ্ৰ সাধনাৰ জীৱন। চন্দ্ৰ কুমাৰ আগৰৱালা কথিত 'সাহিত্যৰ কুন্দা একেলগে কুন্দোৱাৰ জীৱন।' জীৱনৰ কৈশোৰ কালত তেওঁ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' আৰু 'জোনাকী' কাকতৰ নিজে সজা সংস্কৃতিৰ মন্দিৰত 'আন্ধাৰ'ৰ বিপক্ষে 'যুঁজাৰ', 'দেশৰ উন্নতি' জোনাকৰ সাধনা কৰাৰ মহামন্ত্ৰত দীক্ষিত হৈছিল। সেই দুটি আদৰ্শকে তেওঁ একত্ৰিত কৰি মৃত্যুৰ আগমুহূৰ্ত্তলৈ সাৱটি ধৰি আছিল, সেই দুটি পৰম পবিত্ৰ মহানুভৱ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ অসম দেশক একেখনি চালৰ একেডালি 'বোৱা'ৰ তলত এখনি মাথোঁ আপোন ঘৰ বুলি ভাবিছিল। অসম সাহিত্য সভাৰ বহু সন্মানিত সভাপতিৰ আসনৰ পৰাই তেওঁ অসমীয়া জাতিটোক মহাবীৰ কৰ্ণৰ মহৎ বাণীৰে যি কৈ গ'ল সি যুগ যুগ ধৰি প্ৰেৰণা জগাই, ভাষা জননীলৈ যোড়শপচাৰে নৈবদ্য আগবঢ়োৱাত জ্যোৰ্তিময় পথ প্ৰদৰ্শন কৰি থাকিব আৰু স্বদেশ প্ৰেমেৰে উদ্বুদ্ধ কৰি ৰাখিব। অসমীয়া জাতিৰ ত্ৰাণকৰ্তা শঙ্কৰদেৱক দুখীয়া নিচলা বুলি ভাবি থকা মহান ঐতিহ্যৰ উত্তৰাধিকাৰী পুত্ৰসকলক সেই ত্ৰাণকৰ্ত্তাৰ লগত আকুণ্ঠ পৰিচয় ঘটাই দিলে। 'সকলো আছিল, সকলো আছে নুশুনো, নলওঁ গম' বুলি থকা স্বজাতীয় সকলক নিজৰ সম্পাদনো কি, তাৰ মূল্য কিমান তাকো বেজবৰুৱাই হৃদয়ংগম কৰাই দিলে। এনেদৰে বেজবৰুৱাদেৱে তেওঁৰ সমগ্ৰ ৰচনাৰাজিৰে জাতীয় ভাবৰ মহান মন্ত্ৰেৰে উদ্বুদ্ধ হৈ নিজকে বৰণীয়া কৰিলে আৰু নিজৰ ভাষা সাহিত্যকো তেওঁৰ লখিমী হাতৰ লখিমী পৰশেৰে ঐশ্বৰ্য্যময় কৰিলে। ◆◆





MOHAN LAL CHOUDHURY LIBRARY :

# আদৰ্শ মাতৃত্বই শ্ৰেষ্ঠ জাতিৰ বুনিয়াদ

❑ মিচ্ ৰাশিদা খাতুন
উঃ মাঃ ১ ম বৰ্ষ

সৃষ্টিৰ মূল নাৰীৰ অন্তহীন ৰূপ চিৰসৌন্দৰ্য্যৰ প্ৰতীক। সমাজ, জাতি আৰু ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত নাৰীয়ে যুগ-যুগান্তৰ ধৰি ব্যৰ্থহীন অৱদান আগবঢ়াই আহিছে। পৃথিৱীৰ প্ৰতিটো সভ্য জাতিৰ বাহক হিচাপে একমাত্ৰ নাৰীয়ে দাবীদাৰ। এগৰাকী নাৰী একেধাৰে মাতৃ, ধাতৃ, গায়িকা আৰু নায়িকাৰ উপৰিও বিভিন্ন দিশত দায়িত্ব পালন কৰি আহিছে। এগৰাকী মাতৃৰ হাতৰ পৰশত যিদৰে এটি নৱজাতক ক্ৰমে হৈ উঠে বলিষ্ঠ শিশু, ঠিক সেইদৰে নাৰীৰ স্পৰ্শত দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰত, প্ৰতিটো মুহূৰ্তত নাৰীয়ে নিজৰ প্ৰতিভাৰ জৰিয়তে সংসাৰৰ চকৰি ঘূৰাই ভাৰসাম্য ৰক্ষা কৰি আহিছে।



বৰ্তমান আমাৰ সামাজিক, ৰাজনৈতিক আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ ফালে মন কৰিলে দেখা যায় আমাৰ ব্যক্তিত্ব আৰু সুনাগৰিকত্বৰ চৰম বিপৰ্য্যয় ঘটিছে। ইয়াৰ একমাত্ৰ কাৰণ আমাৰ মূল্যবোধৰ অৱক্ষয়। প্ৰতাৰণা কৰা, ভেটিখোৱা, হত্যা-লুণ্ঠন আদি অপৰাধ জগতৰ লগত জড়িত থকা ব্যক্তিসকল আমাৰ নাৰী সকলৰেই সন্তান। অপৰাধীৰ কৃতকৰ্মৰ সাময়িক প্ৰাপ্তিৰ পৰা এগৰাকী নাৰীয়ে আনন্দ লাভ কৰা দেখা যায়। কেতিয়াবা আকৌ দেখা যায় এগৰাকী পুৰুষে অপৰাধৰ জৰিয়তে বেছি স্মাৰ্ট আৰু দক্ষ বুলি নিজকে নাৰীসকলৰ সন্মুখত প্ৰতীয়মান কৰাৰ অপপ্ৰয়াস কৰে।

আদৰ্শ নাৰী বা মাতৃ এগৰাকীয়ে নিজ সন্তানক অন্ধ মৰম বা যত্নৰ দ্বাৰা আনৰ বাবে পৰিৱেশ বিষময় কৰি তোলাৰ পৰা সদায় নিজকে দূৰত ৰাখে। আনহাতে কিছুমান নাৰী বা মাতৃয়ে নিজ সন্তানৰ বৰ্দ্ধিত কু-কৰ্মৰাজি ঢাকি ৰাখি, সিহঁতক মাতাল, লম্পট, চোৰ ডকাইত আদি হোৱাত অৰিহণা যোগায়। আদৰ্শ মাতৃয়ে নিজৰ সন্তানক উপযুক্ত আচাৰ-ব্যৱহাৰৰ শিক্ষা দি লহ-পহকৈ বাঢ়ি অহা ফুলনিৰ ফুলৰ দৰে গঢ় দি চৌদিশে সুগন্ধিৰে আমোল মোল কৰি তোলাৰ দৰে জাতি বা সমাজ গঠনত সহায় কৰে। বৰ্তমান সমাজত বৃদ্ধি পাই অহা অপৰাধ জগতৰ বিভীষিকাই আমাৰ কামিহাড়বোৰ ভাঙি পেলাব খুজিছে। সেয়েহে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে নাৰী সমাজে নিজৰ ৰূপ সৌন্দৰ্য্য চৰ্চাৰ লগতে ভৱিষ্যত প্ৰজন্মক নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰাৰ বাবে সন্তানক ব্যক্তিত্বশালী কৰি গঢ়ি তোলাৰ বাবে যত্নবান হওক।

ফৰাচী ৰাষ্ট্ৰপতি নেপোলিয়নে কৈছিল "মই এটি আদৰ্শ জাতি উপহাৰ দিব পাৰিম, যদি আপোনালোকে আদৰ্শ মাতৃৰ জন্ম দিব পাৰে।" কথাষাৰৰ তাৎপৰ্য্য আটাই ৰে অনুমেয়। বিশ্ববন্দিতা মাদাৰ টেৰেজা, ফ্লোৰেন্স নাইটিঙ্গেল আদি বৰেণ্য নাৰীৰ দৰে অৱদান আগবঢ়াই আমাৰ ভৱিষ্যৎ অনাগত সকলৰ বাবে এখন নিৰাপদ পৃথিৱী গঢ়াৰ দায়িত্ব আজি নাৰী সমাজৰ ওপৰত ন্যস্ত। নাৰী সমাজৰ চেষ্টাৰ বলতে গঢ়ি উঠক ভৱিষ্যতে এনেকুৱা এখন পৃথিৱী যাক একৈশ শতিকাৰ ৰক্তিম সূৰুজে আটাইকে আকোৱালি ল'ব আৰু য'ত নাথাকিব কণ কণ শিশু আৰু নিৰপৰাধী নৰ-নাৰী প্ৰাণ লৈ লুকা ভাকু-খেলা— নাথাকিব নিৰাশ্ৰয়, অনাথ, দুৰ্বল শ্ৰেণীৰ নাৰীৰ ওপৰত যৌন নিপীড়ন চলোৱা দূৰাৰোগ্য ব্যাধিৰ বীজাণু বিয়পোৱা পিশাচহঁতৰ বিচৰণ।



MOHAN LAL CHOUDHURY LIBRARY :

# গোলকীয় উত্তাপ আৰু ইয়াৰ প্ৰভাৱ

❒ অনুৰাধা বৰ্মন
উ. মা. ১ ম বৰ্ষ

অতি সম্প্ৰতি পৃথিৱীত দেখা দিয়া গোলকীয় উত্তাপন বৃদ্ধিয়ে সমগ্ৰ জীৱ জগতলৈ এক ভাবুকিৰ কাৰণ ৰূপে দেখা দিয়াটো পৰিলক্ষিত হৈছে। আমাৰ পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় এঘাৰ কিলোমিটাৰ *ওপৰলৈ বিস্তৃত হৈ থকা বায়ুমণ্ডলৰ তৰপটো হ'ল ট্ৰপ'স্ফিয়াৰ,* এই স্তৰতেই থকা নাইট্ৰজেন, অক্সিজেন, কাৰ্বন ডাই অক্সাইড আদি গেছবোৰে পৃথিৱীক এটি ছাতিৰ দৰে আৱৰি আছে। বায়ুৰ প্ৰদূষণ বৃদ্ধিৰ ফলত ক্ৰমাৎ এই সেউজ গৃহ ছাতিত থকা গেছবোৰৰ বিশেষতঃ কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ ক্ৰমান্বয়ে বাঢ়ি অহাৰ ফলত গ্ৰীন হাউচৰ আৱৰণটো ডাঠ হৈ আহি আছে। পৃথিৱীয়ে এৰি দিয়া তাপ মহাকাশলৈ ঘূৰি যোৱাত হেঙাৰ হৈ থিয় দিয়াৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা ক্ৰমান্বয়ে বৃদ্ধি পাই গৈ আছে। মূলত এই উত্তাপকে গোলকীয় উত্তাপন বুলি কোৱা হয়। এই উত্তাপনৰ প্ৰভাৱতে জলবায়ুৰ সঘন পৰিবৰ্তনৰ ফলত অতিবৃষ্টি, অনাবৃষ্টি, বানপানী আদি হ'ব পাৰে। আৰু ইয়াৰ ফলত মানুহ জীৱ-জন্তু, গছ-গছনি আদিৰ বিস্তৰ ক্ষতিসাধন হ'ব পাৰে। বিশ্বৰ বহুতো অঞ্চলত গোলকীয় উষ্ণতাৰ কু-ফল সমূহ ইতিমধ্যে কম-বেছি পৰিমাণে দেখিবলৈ পোৱা গৈছে। আনহাতে মেৰু অঞ্চলৰ পৰ্বতৰ শৃংগত থকা বৰফ গলি সাগৰৰ পৃষ্ঠ ওপৰলৈ উঠি উপকূল অঞ্চলবোৰ প্লাৱিত কৰিব পাৰে। লগতে কিছুমান দ্বীপৰাষ্ট্ৰ আৰু মহানগৰ ডুব যোৱাৰো আশংকা ক্ৰমাৎ প্ৰকট হৈ আহিছে। এনে ভয়াবহতাৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে আমি এতিয়াৰে পৰা সজাগ হোৱা উচিত। আমি বহুল *ভিত্তিত বৃক্ষৰোপণৰ জৰিয়তে বনানীকৰণৰ ব্যৱস্থা হাতত ল'ব লাগিব,* লগতে ফুলনি, ফল-মূলৰ বাগিছা আদি পাতিবৰ বাবে যত্নপৰ হ'ব লাগিব। যান বাহনবোৰত কাৰ্বনযুক্ত জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাই আনি পৰিৱেশ হিতৈষী বিকল্প ইন্ধনৰ সন্ধান উলিয়াব লাগিব। অৱশ্যে ইতিমধ্যে আধুনিক মডেলৰ আৰ্হিত নিৰ্মিত হোৱা গাড়ীবোৰত এনে প্ৰযুক্তি ব্যৱহাৰ কৰি যথেষ্টখিনি সুফল পোৱা গৈছে। কল-কাৰখানা, লঘু আৰু গুৰু উদ্যোগবোৰৰ পৰা নিৰ্গত হোৱা বিষাক্ত গেছবোৰ কঠোৰভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা হাতত ল'ব লাগিব। বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ আইনৰ ধাৰাসমূহ কঠোৰভাৱে বলবৎ কৰাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াকে নকৰিলে অদূৰ ভৱিষ্যতে বৰ্তমান যি হাৰত বনাঞ্চল ধ্বংস যজ্ঞ অব্যাহত আছে তাৰ প্ৰতি লক্ষ্য কৰিলে এই শতিকাৰ শেষৰফালে বায়ুণ্ডলৰ উষ্ণতা ৩° ছেঃ ৰ পৰা ৪.৫° ছেঃলৈ বৃদ্ধি হোৱাৰ আশংকা ইতিমধ্যে বিজ্ঞানীসকলে প্ৰকাশ কৰিছে। সেয়ে আমি সকলোৱে মিলিজুলি এক প্ৰদূষণমুক্ত পৰিৱেশ সৃষ্টিৰ হ'কে কাম কৰাৰ সংকল্প লোৱাৰ সময় সমাগত।





MOHAN LAL CHOUDHURY LIBRARY :

# অবিস্মৰণীয় কাৰ্লমাৰ্ক্স

❐ ছাইদুৰ ৰহমান
স্নাতক ৩ য় বৰ্ষ

১৮১৮ চনৰ ৫ মে তাৰিখে জাৰ্মানীৰ ৰাইন জিলাৰ অন্তৰ্গত মেজেল নদীৰ তীৰত অৱস্থিত ট্ৰিৰ চহৰত পৃথিৱীৰ মহান চিন্তাবিদ, বৈজ্ঞানিক সমাজবাদৰ প্ৰতিষ্ঠাতা কাৰ্লমাৰ্ক্সৰ জন্ম হয়। প্ৰথমতে তেওঁৰ পিতাকৰ নাম আছিল হোচেল মাৰ্ক্স। পাছত জীৱিকাৰ স্বাৰ্থত ইহুদি ধৰ্ম পৰিত্যাগ কৰি প্ৰচেষ্টান্ট ধৰ্ম গ্ৰহণ কৰাৰ ফলত হাইনৰিখ মাৰ্ক্স নামে জনাজাত হয়। তেওঁ আছিল এজন বিশিষ্ট আইনজীৱী। তেওঁৰ চাৰি পুত্ৰ আৰু পাঁচ কন্যাৰ মাজত কাৰ্ল আছিল তৃতীয় সন্তান আৰু পুত্ৰ হিচাপে দ্বিতীয়। কিন্তু কাৰ্লৰ বয়স যেতিয়া এবছৰ তেতিয়া হাইনৰিখৰ জ্যেষ্ঠ পুত্ৰ মৰিছ ডেভিছৰ মৃত্যু হয় আৰু কাৰ্ল হৈ পৰে পৰিয়ালৰ জ্যেষ্ঠ পুত্ৰ, পিতা-মাতাৰ আশা-ভৰসা, মৰম-যত্নৰ কেন্দ্ৰস্থল। সেয়ে কাৰ্লৰ মাকে সৰুৰে পৰা তেওঁক মাতিছিল গ্লুকছকিন্ট (সৌভাগ্যৰ প্ৰতীক) বুলি।



কাৰ্লৰ শৈশৱ আৰু কৈশোৰ কাল অতিবাহিত হৈছিল অতি স্বাচ্ছন্দ্য আৰু মৰমৰ মাজত। ১৮৩০ চনত ট্ৰিৰ ফ্ৰিডাৰিক ভিলহেলম জিমনাছিয়াম নামৰ উচ্চ বিদ্যালয়ত কাৰ্লমাৰ্ক্সৰ আনুষ্ঠানিক শিক্ষা লাভৰ সূত্ৰপাত হয়। তেওঁৰেই সৌভাগ্য যে, এইখন বিদ্যালয়ত এনে কিছুমান শিক্ষকৰ সাহচৰ্য্য আৰু শিক্ষা পাইছিল যিটোৱে তেওঁক উত্তৰ জীৱনৰ বাট বহুল পৰিমাণে প্ৰশস্ত কৰি দিছিল। বিশেষকৈ ক'বলৈ গ'লে মানৱতাবাদী প্ৰধান শিক্ষক ইঅনহান হুগো ভিটেন বাখ আছিল ইতিহাস শিক্ষক। কিশোৰ মাৰ্ক্সৰ মানসিকতাৰ প্ৰতিফলনৰ হিচাপে আটাইতকৈ উল্লেখযোগ্য দলিল হ'ল বিদ্যালয় পৰ্বৰ শেষ পৰীক্ষাত লিখা ৰচনা 'জীৱিকা নিৰ্বাচন সম্পৰ্কে যুৱকৰ ভাবনা চিন্তা'। বিদ্যালয়ৰ ছাত্ৰ-বন্ধুসকলৰ ভিতৰত একমাত্ৰ এডগাৰ ফন ভেষ্টফালনৰ সৈতেই কাৰ্লমাৰ্ক্সৰ পৰবৰ্তী জীৱনতো সম্পৰ্ক আছিল। এই এডগাৰৰ জ্যেষ্ঠ সহোদৰা জেনিৰ সৈতে পৰবৰ্তী কালত কাৰ্লে পৰিণয়সূত্ৰত আবদ্ধ হয়। মেধা সম্পন্ন, স্বাধীন চিন্তাশক্তিৰ অধিকাৰী ছাত্ৰ হিচাপে কাৰ্লৰ যথেষ্ট সুনাম আছিল।

১৮৩৫ চনৰ অক্টোবৰ মাহৰ মধ্যভাগত বিদ্যালয় শিক্ষা সমাপ্তৰ পাছত কাৰ্লে ৰাইণলেণ্ডৰ বুদ্ধিজীৱীসকলৰ কেন্দ্ৰ বন বিশ্ববিদ্যালয়ত আইন শাস্ত্ৰ পঢ়াৰ উদ্দেশ্যে ভৰ্ত্তি হ'ল। তেওঁৰ পিতাকৰ প্ৰবল ইচ্ছা আছিল ল'ৰাই ডাঙৰ আইনজ্ঞ হ'ব। বন বিশ্ববিদ্যালয়ত কাৰ্লৰ পঢ়া শুনা সন্তোষজনক অগ্ৰগতি নোহোৱাত আৰু ছাত্ৰ সমিতি আদিত জড়িত হৈ পৰাত পিতা-মাতা দুশ্চিন্তাগ্ৰস্ত হৈ পৰিল। সেয়ে তেওঁলোকে ল'ৰাৰ পঢ়া শুনাৰ বিষয়ে উদ্বিগ্ন হৈ কাৰ্লক বাৰ্লিন বিশ্ববিদ্যালয়ত ভৰ্ত্তি কৰালে। পিতাকৰ ইচ্ছা পূৰণ কৰিবলৈ কাৰ্লে আইনশাস্ত্ৰ মনোযোগেৰে পঢ়িছিল। কেৱল বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমেই নহয় অসংখ্য বাহিৰা কিতাপো পঢ়িছিল। তেওঁৰ মূল আকৰ্ষণৰ বিষয়



MOHAN LAL CHOUDHURY LIBRARY :

প্ৰাচীন দর্শন আৰু ইতিহাস। পৰৱৰ্তী সময়ত এই দর্শন শাস্ত্রৰ সম্পৰ্কেই গৱেষণা পুস্তক ৰচনাৰ কাম আৰম্ভ কৰে। গৱেষণা পত্রৰ বিষয়বস্তু আছিল 'ডিমোক্রিটিয়া আৰু এপিব্দিউৰিয় জাগতিক দর্শনৰ মাজত পাৰ্থক্য'। তেওঁ ১৮৪১ চনতেই এই গৱেষণা পত্ৰখন ইয়েনা বিশ্ববিদ্যালয়ত দাখিল কৰে আৰু উচ্চ প্ৰশংসিত হৈ সেই গৱেষণা পত্র গৃহীত হয়। ১৮৪১ চনৰ ১৫ এপ্রিল তাৰিখে মাৰ্ক্সে ডক্টৰেট ডিগ্ৰী লাভ কৰে। ডিগ্ৰী লাভৰ পাছত তেওঁ এই সিদ্ধান্তত উপনীত হ'ল যে তেওঁ দর্শন শাস্ত্রৰ অধ্যাপনাই বৃত্তি হিচাপে গ্ৰহণ কৰিব। কিন্তু সেই সিদ্ধান্ত কাৰ্যকৰী নহ'ল; কিয়নো তেতিয়া প্রুচিয়াৰ (জাৰ্মানী) কাৰ্যকৰী ৰাজনৈতিক ক্ষেত্ৰত এক তীব্ৰ অস্থিৰ পৰিৱেশ গঢ় লৈ উঠিছিল। ১৮৪০ চনত প্রুচিয়াৰ শাসকৰ গাদীত চতুৰ্থ ফ্ৰিডৰিখ ভিলথেলম অধিষ্ঠিত হোৱাৰ পাছত উদীয়মান বুর্জোৱা শ্ৰেণী আৰু সামন্ত শক্তিৰ মাজত দ্বন্দ্ব তীব্ৰ ৰূপ ধাৰণ কৰে। বুর্জোৱাসকলে অধিক ৰাজনৈতিক ক্ষমতাৰ দাবী উত্থাপন কৰি আন্দোলন আৰম্ভ কৰে। ৰজাই সেই দাবী আগ্ৰহ্য কৰাত সংকটৰ তীব্ৰতা আৰু বৃদ্ধি পায়।

সামন্ততন্ত্ৰৰ বিৰুদ্ধে উত্থাপিত দাবীসমূহৰ আৱাজ মষিমূৰ কৰাৰ বাবে প্রুচিয়া ৰাষ্ট্ৰশক্তি আগুৱাই আহিল। এই আক্ৰমণ বিশ্ববিদ্যালয়ৰ চৌহদতো বিয়পি পৰিল। প্রতিক্রিয়াশীল শক্তিৰ চক্রান্তত প্ৰথমতে লুডভিক ফয়েৰবাখ আৰু তাৰ পাছত ব্ৰুনো বয়াৰক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হ'ল। প্ৰগতিপন্থী বুদ্ধিজীৱীসকলৰ ওপৰত এই নিৰ্মম আঘাতত মাৰ্ক্সৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰাৰ আশা নিৰাশালৈ পৰ্যবসিত হ'ল। কিয়নো কৰ্তৃপক্ষৰ চকুত তেওঁৰ দাৰ্শনিক মতবাদটোও যথেষ্ট নিৰাপদ নাছিল। সেয়ে এনে এক অৱস্থাত মাৰ্ক্সে আন কিবা এটা কৰাৰ বিকল্প চিন্তা আৰম্ভ কৰিলে। ১৮৪২ চনত তেওঁ পোনপটীয়াভাৱে ৰাজনৈতিক আন্দোলনত অংশগ্ৰহণ কৰাৰ কথাই মনস্থ কৰিলে। তেওঁ উপলব্ধি কৰিলে অৰ্থোপাৰ্জনৰ প্ৰয়োজনতকৈ অধিক প্ৰয়োজন ৰাজনৈতিক সংগ্ৰাম। দাৰ্শনিক সংগ্ৰামৰ সমান্তৰালকৈ ৰাজনৈতিক ক্ষেত্ৰত পোনপটীয়াকৈ প্রুচিয়া চৰকাৰৰ বিৰুদ্ধে মানুহক সংগঠিত কৰাৰ কামত আত্মনিয়োগ কৰিবলৈ ব্ৰতী হয়। ১৮৪২ চনৰ ৰাজনীতিৰ ক্ষেত্ৰত তেওঁৰ আৱিৰ্ভাৱ লগ্নতেই চৰকাৰ বিৰোধী 'ৰাইনিশ্বেৎছাইতুঙ্ক' নামৰ পত্ৰিকাখনৰ সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰে। কোলানৰ পৰা প্ৰকাশিত উদীয়মান বুর্জোৱাসকলৰ এই পত্ৰিকাখনত মাৰ্ক্সে দায়িত্বভাৰ গ্ৰহণৰ প্ৰথমৰ পৰাই চৰকাৰ বিৰোধী ক্ষুৰধাৰ লিখনিত স্বল্পকালৰ ভিতৰতেই পত্ৰিকাখন প্ৰগতিশীল জাৰ্মান জনগণৰ প্ৰধান মুখপত্ৰ হিচাপে পৰিগণিত হয়। ফলত শাসক গোষ্ঠীয়ে আতংকিত হৈ পত্ৰিকাখনৰ বিৰুদ্ধে এটাৰ পাছত এটা নিষেধাজ্ঞা জাৰি কৰিবলৈ ধৰিলে। অৱশেষত ৰাজনৈতিক সংকট চৰম আকাৰ ধাৰণ কৰিলে ১৮৪৩ চনৰ জানুৱাৰী মাহত, যেতিয়া মাৰ্ক্সে কৃষকসকলৰ পক্ষ লৈ প্রুচিয়া-জাঙ্কাৰ (জমিদাৰ) চৰকাৰৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ সংগঠিত কৰিলে, তেতিয়া চৰকাৰে মাৰ্চ মাহত পত্ৰিকাখন নিষিদ্ধ কৰাৰ চক্রান্ত কৰাত পত্ৰিকাখনৰ মালিক সকল ভীত হ'ল। এই অৱস্থাত ১৭ মাৰ্চত মাৰ্ক্সে মুখ্য সম্পাদকৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰে।

১৮৪৩ চনৰ ১৯ জুন তাৰিখে মাৰ্ক্স আৰু জেনিয়া পৰিণয়সূত্ৰত আবদ্ধ হয়। অক্টোবৰ মাহত এওঁলোক জাৰ্মানী এৰি পেৰিছলৈ আহে আৰু তাত মাৰ্ক্সে তেওঁৰ বন্ধু আৰ্নল্ড ৰুগেৰ লগত মিলিত হৈ এখন নতুন পত্রিকা প্রকাশৰ পৰিকল্পনা গ্ৰহণ কৰে। 'জাৰ্মান-ফৰাচী ইয়াৰ বুক' নাম দি এই নতুন পত্ৰিকাখন ১৮৪৪ চনত আত্মপ্ৰকাশ কৰে। এই পত্ৰিকাখনৰ প্ৰথম সংখ্যাত 'ইহুদি প্রশ্ন সম্পৰ্কে' আৰু 'হেগেলৰ ন্যায় দর্শনৰ সমালোচনাৰ মুখবন্ধ' নামে মাৰ্ক্সৰ দুটা প্ৰবন্ধ মুদ্ৰিত হয়। এই দুটা প্ৰবন্ধ লিখাৰ যোগেদি বিপ্লৱী গণতন্ত্ৰী মাৰ্ক্স কমিউনিষ্ট মাৰ্ক্সলৈ উন্নীত হোৱা পৰিলক্ষিত হয়। 'জাৰ্মান-ফৰাচী ইয়াৰ বুক' পত্ৰিকাখনৰ প্ৰথম সংখ্যা প্ৰকাশ হোৱাৰ লগে লগে প্রুচিয়া চৰকাৰে ইয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা জাৰি কৰে আৰু মাৰ্ক্স আৰু ৰুগে জাৰ্মানীত প্ৰৱেশ কৰাৰ লগে লগে গ্ৰেপ্তাৰ কৰা নিৰ্দেশ দিয়া হ'ল। এই খবৰ পাই আৰ্নল্ড ৰুগে পত্ৰিকাখনৰ লগত থকা সম্পৰ্ক ছেদ কৰে। ফলত যথেষ্ট আৰ্থিক সংকটে দেখা দিয়াত দ্বিতীয় সংখ্যা প্ৰকাশত অনিশ্চয়তাই দেখা দিয়ে।

এই সময়ত অৰ্থাৎ ১৮৪৪ চনত মাৰ্ক্সৰ ফ্ৰেডৰিক এঙ্গেলছৰ লগত বন্ধুত্ব হয়। এঙ্গেলছৰ জন্ম ৰাইন প্ৰদেশৰে বাৰ্মেনত। এই দুজনৰ বন্ধুত্ব মাৰ্ক্সৰ জীৱনৰ শেষ মুহূৰ্তলৈকে অটুট আছিল। দুজনে মিলিতভাৱে চিন্তা, মত বিনিময় কৰা, মিলিতভাৱে আন্দোলন সংগঠিত কৰা আৰু মিলিত ভাৱে গ্ৰন্থ ৰচনা কৰিছিল। সেয়ে মাৰ্ক্সবাদৰ বহু মূলগ্ৰন্থ দুয়োৰে উমৈহতীয়া ৰচনা। ১৮৪৭ চনত মাৰ্ক্স আৰু এঙ্গেলছ দুজনে একেলগে পূৰ্বৰ 'সকলো মানুহ ভাই ভাই' এই শ্লোগানটোৰ পৰিৱৰ্তে 'দুনিয়াৰ মজদুৰ এক হওক' এই শ্লোগানটো গ্ৰহণ কৰা হয়।

১৮৪৮ চনত প্রুচিয়ান চৰকাৰৰ হেঁচাত ফৰাচী চৰকাৰে কাৰ্ল মাৰ্ক্সক পেৰিছৰ পৰা বহিষ্কাৰ কৰিলে। ১৮৪৮ চনৰ পাছৰ পৰা মাৰ্ক্সৰ জীৱনত এটাৰ পাছত আন এটা ৰাজনৈতিক নিৰ্বাসনৰ পৰ্যায় আৰম্ভ



MOHAN LAL CHOUDHURY LIBRARY :

হ'ল। পেৰিছ এৰি ব্ৰাছেলছ, ব্ৰাছেলছ পৰা বিতাৰিতহৈ পুনৰ পেৰিছলৈ উভতি আহিল, পেৰিছৰ পৰা পুনৰ নিৰ্বাসন। অৱশেষত ১৮৪৯ চনৰ অন্তিমভাগত তেওঁ লণ্ডনলৈ গৈ আশ্ৰয় লয় আৰু সেই সময়ৰ পৰা মৃত্যুৰ দিনলৈকে তেওঁ আৰু লণ্ডণ এৰি আন কোনো ঠাই বা দেশত আশ্ৰয় ল'বলগীয়া হোৱা নাই।

ৰাজনৈতিক নিৰ্বাসনৰ বাবে দুখ দুৰ্দশা, যাতনা ভোগ কৰাই নহয়, মাৰ্ক্সৰ জীৱনৰ সৰহভাগ কাল জুৰি নিদাৰুন দাৰিদ্ৰই তেওঁক আৰু তেওঁৰ পৰিয়ালক আগুৰি ধৰি ৰাখিছিল। এই দুখ-দুৰ্দশা, শোক-দাৰিদ্ৰ্যক জীৱনৰ পাথেয় কৰি মেহনতি জনতাৰ বাবে শোষণ মুক্ত সমাজ ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যক প্ৰাথমিকতা দি তাত্ত্বিক প্ৰস্তুতিৰ বাবে মাৰ্ক্সে প্ৰৱেশ কৰে লণ্ডনস্থিত বিশাল বৃটিছ মিউজিয়ামৰ সমৰাংগণত। তেওঁৰ বিপক্ষে সকলো প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা অৰ্থনিতিবিদ আৰু দাৰ্শনিক। এই বৃটিছ মিউজিয়াম পাঠাগাৰ বিশ্বৰ শ্ৰেষ্ঠ সম্পদেৰে ভৰপুৰ। নিতৌ পুৱা ৯ বজাৰ পৰা ৰাতি ৭ বজালৈ মাৰ্ক্সে একাগ্ৰচিত্তে অধ্যয়ন কৰিছিল ইতিহাস, দৰ্শন, অৰ্থনীতি, ৰাজনীতি, প্ৰকৃতি বিজ্ঞান, প্ৰযুক্তিবিদ্যা, সংস্কৃতি আদি অসংখ্য বিষয়। প্ৰতিটো বিষয়ক লৈ এনে আসাধাৰণ গৱেষণা কৰিয়েই তেওঁ ক্ষান্ত নাছিল, তেওঁ সমান্তৰালভাৱে সাংগঠনিক কাম কাজ, প্ৰচাৰৰ কাম কাজ নিৰলসভাৱে সংগঠিত কৰিছে। প্ৰচাৰৰ কাম কাজৰ ভিতৰত সাম্যবাদ, সমাজতন্ত্ৰ সম্পৰ্কে সমাজত বিভিন্ন ধৰণৰ তথাকথিত প্ৰচলিত মত আৰু ভুল ধাৰণাৰ বিৰুদ্ধে সংগ্ৰাম সংগঠিত কৰা আৰু বৈজ্ঞানিক সাম্যবাদৰ প্ৰকৃত ৰূপটো তুলি ধৰাই আছিল মুখ্য।

১৮৫০ চনৰ পৰা ইউৰোপত গণ আন্দেলনৰ ঢৌ নতুনকৈ মূৰ দাঙি উঠিছিল। মাৰ্ক্সে এই আন্দোলনত সৰ্বতোভাৱে আত্মনিয়োগ কৰিছিল। ১৮৬৪ চনৰ শেষভাগত লণ্ডনত স্থাপিত হ'ল 'আন্তৰ্জাতিক শ্ৰমিক সংস্থা'। এই সংস্থাৰ প্ৰচলিত নাম 'প্ৰথম আন্তৰ্জাতিক'। কিয়নো এই সংস্থাই সৰ্বপ্ৰথম গোটেই পৃথিৱীৰ মেহনতী জনতাক আহ্বান কৰি আৱাজ দিলে— 'দুনিয়াৰ মজদুৰ এক হওক'। মাৰ্ক্স আছিল এই সংস্থাৰ কেন্দ্ৰ বিন্দু।

এফালে প্ৰবল কামৰ হেঁচা আৰু আনফালে চৰম দাৰিদ্ৰ, এই দুয়ো মাৰ্ক্সৰ জীৱনৰ নিত্য সংগী হোৱাত তেওঁৰ স্বাস্থ্য অসম্ভৱ দ্ৰুতগতিত অৱনমিত হ'বলৈ ধৰে। অৱশেষত ১৮৮৩ চনৰ ১৪ মাৰ্চ। এঙ্গেলছ নিতৌ আহে বন্ধুৰ খা-খবৰ ল'বলৈ। সিদিনাও তেওঁ আহিছে বন্ধুৰ লগত সাক্ষাৎ কৰাৰ উদ্দেশ্য। তলতে লেনচেনৰ আগত দুঃ সংবাদ পালে যে কেইঘন্টামানৰ আগতে মাৰ্ক্সৰ ৰক্ত বমি হৈছে, দৌৰি গ'ল থকা কক্ষলৈ, দেখিলে মাৰ্ক্সে ইজি চেয়াৰত শুই আছে। ভাবিলে, টোপনি গৈছে। সংলগ্ন কক্ষত আহি সোধা-পোচা কৰি সকলো কথা শুনি দুই মিনিট পাছত যেতিয়া পুনৰায় মাৰ্ক্সৰ কক্ষত প্ৰৱেশ কৰি দেহত হাত দিলে, বুজিলে ই নিদ্ৰা নহয়; বিশ্বৰ শ্ৰেষ্ঠ চিন্তাবিদ চিৰ নিদ্ৰাত নিমগ্ন। মৃত্যুক তেওঁ নীৰৱে আকোৱালি ললে।

মাৰ্ক্সৰ মৃত্যুলৈকে 'দাচ কেপিটেল' ৰচনা শেষ হোৱা নাছিল। ১৮৬৭ চনত ইয়াৰ প্ৰথম খণ্ডখন মাত্ৰ প্ৰকাশিত হৈছে। দ্বিতীয় আৰু তৃতীয় খণ্ড ৰচনাৰ বাবে যথেষ্ট ৰছদ যোগাৰ কৰিছিল, কিন্তু প্ৰকাশ কৰা সম্ভৱ নহ'ল। তেওৰ মৃত্যুৰ পৰৱৰ্ত্তী কালত এই দুটা খণ্ড সম্পূৰ্ণ প্ৰকাশ কৰাৰ দায়িত্ব স্বাভাৱিকভাৱেই এঙ্গেলছৰ ওচৰতেই বৰ্তিছে। এঙ্গেলছে মাৰ্ক্সৰ সেই অসমাপ্ত কাম সুচাৰুৰূপে সম্পূৰ্ণ কৰে।◆◆





MOHAN LAL CHOUDHURY LIBRARY :

# হিয়াৰ এক অনুভৱ

❒ আমীৰ উদ্দিন আহমেদ
স্নাতক ২ য় বৰ্ষ

বিনীতা সাৰে আছা
যাতনাৰ দুৱাৰ ৰাতি পৰ দি;
মই সাৰে আছো
অসীমত তোমাক বিচাৰি।

প্ৰেম মানৱ জীৱনৰ আধাৰশিলা। মানৱ জীৱনৰ সৰ্বোত্তম অনুভূতি হ'ল প্ৰেম। প্ৰেম হৃদয়ৰ বলিষ্ঠ সংলাপ। প্ৰত্যেক ব্যক্তিৰ জীৱনত প্ৰেমে এবাৰ ভূমুকি মাৰিবই। প্ৰেম মানৱ জীৱনৰ এক শ্ৰেষ্ঠ অনুভূতি। প্ৰেমে মানুহক শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰ কৰি তোলে। প্ৰেম কোনো সংজ্ঞাতেই আবদ্ধ নহয়। ইয়াৰ পৰিসৰ অসীমত সীমা বিচাৰি নোপোৱাৰ দৰেই।

জীৱনত যিকোনো মহত্বৰ বিকাশ ঘটে প্ৰেমৰ মাজেৰে। প্ৰেমৰ সম্পৰ্কই মানুহক পৰম সত্যৰ জ্ঞান দিব পাৰে, একমাত্ৰ হৃদয়ৰ স্পৰ্শানুভূতিৰ জৰিয়তে। বিজ্ঞানত যিদৰে সৃষ্টি আৰু ধ্বংসৰ ফৰ্মুলা থাকে ঠিক তেনেকৈ প্ৰেমত সত্য আৰু শান্তি থাকে। জীৱনত সত্য আৰু শান্তি নেথাকিলে সৃষ্টিৰ মাদকতা নাথাকে। হেমিংওয়ে কৈছিল "তুমি যেতিয়া প্ৰেমত পৰিবা তোমাৰ সৃষ্টি হ'ব আটাইতকৈ ভাল"।

প্ৰেম এক প্ৰকৃতিৰ অনুপম উপহাৰ। প্ৰেম এক সুৰভিত সংলাপ। ই মৌনতাতো বাংময়, এন্ধাৰতো চিন্ময়, প্ৰেম এক পৰম বিস্ময়। ই অপোনা আপুনি ঘটি যায়। ই ধনী-দুখীয়া, জাতি-ধৰ্ম, কলা-বগা আদি নাচায়। নহ'লেনো পৃথিৱী বিখ্যাত লেইলা-মজনুৰ প্ৰেম সফল হ'ব পাৰেনে? এদিন কলিমলী ছোৱালী লেইলাৰ কি ৰূপ দেখিছা বুলি মজনুক সোধাত মজনুই কৈছিল "তুমি মোৰ দৃষ্টিৰে চোৱা"।

প্ৰেম মানেই শৰীৰৰ সৰ্বোস্ব নহয়। প্ৰেম এক হিয়াৰ আবেদন। যেতিয়া দুখন হৃদয় মিলি এক হয় তেতিয়াহে প্ৰেম হয়। কিন্তু দুটা দেহ মিলি এক হলে সেয়া প্ৰেম নহ'বও পাৰে। যাক বেশ্যাবৃত্তি বুলি ক'লেও ভুল কোৱা নহয়। ডান্তে-বিয়েত্ৰিছৰ মাজত কোনো দৈহিক তাড়না নাছিল কাৰণ বিয়েত্ৰিছ আছিল তেতিয়া মাথোন ন বছৰীয়া। বিয়েত্ৰিছৰ প্ৰেমত মচগুল নোহোৱা হ'লে সৃষ্টি নহ'লেহেতেন "ডিভাইন কেমেডি"।

ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে "প্ৰেমৰ ৰূপত সুখ দুখ দুয়োটাই সুন্দৰ, ত্যাগ আৰু ভোগ দুয়োটাই পবিত্ৰ আৰু ক্ষতি আৰু লাভ দুয়োটাই সাৰ্থক। বীণৰ তাৰত আঙুলি বোলালে সুমধুৰ ঝংকাৰ উঠাৰ দৰে প্ৰেমতো বিৰোধৰ আঘাতত মধুৰ শব্দ উঠে। এই প্ৰেমৰ মৃদুতা যেনে সুকুমাৰ, বীৰত্বও তেনে কঠোৰ। এই প্ৰেমৰ ওচৰ-আঁতৰ, আপোন-পৰ আতঁৰাই জীৱনৰ সমুদ্ৰৰ ইপাৰৰ সৈতে সিপাৰক প্ৰৱল মাধুৰ্যৰ দ্বাৰা একে কৰি নিজৰ সুন্দৰ হাঁহিৰে দিগ-দিগন্তৰ ব্যৱধান দূৰ কৰি ভাস্বৰ দৰে উদয় হয়"।

আকৌ কিছুমান প্ৰেমক দৈহিক সুখ লাভৰ উৎস বুলি কৈছে। তেওঁলোকৰ মতে প্ৰকৃত প্ৰেমত স্পৰ্শ অনিবাৰ্য্য, নহ'লে প্ৰেম নিস্ফল। কলিনৰে অভিধানত প্ৰেমৰ সংজ্ঞা দিছে এনেদৰে- "Love is sexual passion". ফৰাচী লিখক ষ্টাভালে কৈছে "Love is mirack of civilization". মানুহ জীয়াই থাকিলে কোনোবা নহয় কোনোবা পুৰুষে নাৰীৰ আৰু নাৰীয়ে পুৰুষৰ প্ৰেম, স্পৰ্শ, আশ্ৰয়, প্ৰেৰণা আদি বিচাৰি যাবই লাগিব।

প্ৰেম মানুহৰ উন্নতিৰ জখলা, উৎসাহ-উদ্দীপনা, জীয়াই থকাৰ প্ৰেৰণা। এই প্ৰেমৰ জৰিয়তে কালজয়ী হোৱা মানুহৰ নাম আমি আজিও ইতিহাসৰ পাতত পঢ়িবলৈ পাওঁ। দিল্লীৰ দিলবৰ ছাহজাহান, যি জনে মমতাজৰ প্ৰেমত পৰি পৃথিৱী বিখ্যাত হ'ল— তাজমহলৰ জৰিয়তে। বহুলোকে ক'ব বিচাৰে যে এক প্ৰকাৰ ছাহজাহানৰ যৌন উৎপীড়নতৰ ফলতেই ছাহজাহানে হেৰুৱাইছিল সৰ্বকালৰ অন্যতম সুন্দৰী গৰাকী সান্নিধ্য। কাৰণ মমতাজ ঢুকাইছিল ছাহজাহনৰ চৈধ্য নম্বৰ সন্তানটি জন্ম দি।

যি কি নহওঁক, প্ৰেমহীন যৌনতা কেতিয়াও আদৰণীয় নহয়। দৈহিক প্ৰেমৰ উত্তাপ অতি বেছি, কিন্তু পোহৰ বৰ কম। বিশ্ব সাহিত্যৰ পিনে চকু দিলে আমি দেখিবলৈ পাওঁ যে গোটেই পৃথিৱীৰ বিখ্যাত সাহিত্যৰ সৃষ্টিৰ আঁৰত লুকাই আছে এগৰাকী নাৰী আৰু এই নাৰী সকলোৰে দেখা দিছে কেৱল প্ৰেয়সী হিচাপে। ডান্টেৰ 'ডিভাইন কমেডি' আঁৰত নাৰী, লিওনাৰ্ডো ডা ভিঞ্চিৰ 'মনালিছা' ইত্যাদি সাহিত্য বা শিল্পৰ আঁৰত নাৰী বিৰাজমান।

ধৰা হ'ল প্ৰিয়তমা প্ৰাণৰ পখিলা
জীৱন মদিৰা ভৰাই দিয়া,
অতীত ভৱিষ্যত শোক দুখ ভয়
আজিৰ ভাৱনা উঠাই নিয়া।

— ওমৰ তীৰ্থ ◆◆



MOHAN LAL CHOUDHURY LIBRARY :

# মানৱদেহৰ ৰহস্যময় প্ৰবৃত্তি ঃ টোপনি

❑ গীতা সূত্ৰধৰ
উ. মা. ১ ম বৰ্ষ

টোপনি কি? টোপনি কিয় হয়? আমি কিয় টোপনি যাওঁ?

টোপনি হ'ল মানুহ আৰু জীৱ জন্তুৰ দেহৰ স্বাভাৱিক প্ৰবৃত্তি। টোপনি নোযোৱাকৈ কোনো মানুহ জীয়াই থাকিব নোৱাৰে। মানুহৰ জীৱনত টোপনি অপৰিহাৰ্য্য, ই এটা অনুপম অভ্যাস। টোপনিয়ে আমাক অতি সহজে কাবু কৰি পেলায়, সেয়ে দিন বা ৰাতিৰ কথা চিন্তা নকৰি আমি শুইপৰো। অৱশ্যে মানুহে ৰাতি শুৱলৈ যোৱাৰ প্ৰধান কাৰণ হ'ল আমাৰ পূৰ্বপুৰুষ। মানুহে সেই স্মৰণাতীত কালৰ পৰাই পূৰ্বপুৰুষক অনুসৰণ কৰি ৰাতি টোপনি যোৱাৰ অভ্যাসটো গঢ়ি তুলিছে। আদিম অৱস্থাত কাম বুলিবলৈ কেৱল আহাৰৰ সন্ধানহে আছিল। দিনৰ পোহৰত তেওঁলোকে আহাৰৰ সন্ধানত যেনিতেনি ঘূৰি ফুৰিলেও ৰাতি হোৱাৰ লগে লগে নিৰাপদ স্থানলৈ গৈ শুই পৰিছিল। কাৰণ ৰাতি তেওঁলোকে খুউব অসহায় অনুভৱ কৰিছিল। গতিকে আজিও মানুহে দিনৰ ভাগত কাম আৰু ৰাতি গভীৰ নিদ্ৰাত মগ্ন হয়। আপাত দৃষ্টিত উপৰোক্ত কথাখিনিয়েই সৰ্বশেষ নহয়।

আনহাতে চৰক সংহিতাত উল্লেখ আছে যে, কৰ্ম পৰায়ণ দেহ অবসন্ন হ'লে কৰ্মৰ প্ৰবৃত্তিকাৰক মন ক্লান্ত হয় আৰু বাহ্য বিষয় গ্ৰহণৰ মন নিবৃত্ত থাকে আৰু তেতিয়া মানুহৰ টোপনি আহে। তদুপৰি দেহ অৱসন্ন আৰু মন ক্লান্ত নহ'লেও মানুহৰ টোপনি আহে।

ইয়াৰ উপৰিও পাশ্চাত্যৰ শৰীৰ বিজ্ঞানী একলাছৰ মতে, Sleep is natural repeated unconsiousness অৰ্থাৎ 'টোপনি হ'ল পৌনঃপুনিক অৱচেতন অৱস্থা।' এৰিষ্টটলৰ মতে 'হৃদযন্ত্ৰৰ ক্ৰিয়াৰ লগত টোপনিৰ সম্পৰ্ক আছে।' খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীত 'এলকমিয়ন' নামৰ চিকিৎসক এজনে প্ৰথমে টোপনিৰ সম্বন্ধে তত্ত্ব প্ৰকাশ কৰে। এলকমিয়নৰ মতে মস্তিষ্কৰ তেজৰ পৰিমাণ কমি গ'লেই টোপনি আহে। মুঠতে উপৰোক্ত ব্যাখ্যাবোৰেই টোপনিৰ প্ৰধান কাৰণ নহয়, হয়তো ইয়াৰ অন্য বহু কাৰণ আছে। সেয়ে নিদ্ৰা বা টোপনি কি তাক স্মৰণাতীত কালৰ পৰাই মানুহে বুজিবলৈ চেষ্টা চলাই আহিছে।

অৱশ্যে যি যৱনিকায় টোপনিৰ ৰহস্যক আঁৰ কৰি ৰাখিছিল, বৰ্তমান বিজ্ঞানে সেয়া আঁতৰাই দিছে। টোপনিৰ বহু ৰহস্য আজি ৰহস্য হৈ থকা নাই। বৰ্তমান আধুনিক বিজ্ঞানৰ ফলত বিশেষজ্ঞসকলে বিভিন্ন ৰোগ আৰু টোপনিৰ মাজত, সেইবোৰৰ প্ৰতিফলনৰ মাজত এটি আন্তঃসম্পৰ্ক বিচাৰি পাইছে। টোপনি সম্বন্ধে বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি এইটো সিদ্ধান্তত উপনীত হৈছে যে আমাৰ মগজুত 'জাগৰণ কেন্দ্ৰ' বুলি স্থান এটা আছে, সেই অংশটো উদ্দীপিত হ'লেই আমাৰ টোপনি আহে। কিন্তু কোনো 'টোপনি কেন্দ্ৰ' নাই। সেই জাগৰণ কেন্দ্ৰৰ ক্ৰিয়াই আমাক জাগ্ৰত কৰি ৰাখে আৰু যেতিয়া জাগ্ৰত কৰি ৰাখে তেতিয়া আমাৰ টোপনি নাহে। গতিকে টোপনিৰ যিমানেই কাৰণ উলিয়াইছে সেইবোৰৰ উপৰি জন কুইটেৰ চাংকো পাঞ্জাই আনন্দত চিৎকাৰ কৰি উঠাৰ দৰে ময়ো একে সুৰতে কওঁ যে "Blessings on him that first invented sleep". ◆◆





MOHAN LAL CHOUDHURY LIBRARY :




MOHAN LAL CHOUDHURY LIBRARY :





MOHAN LAL CHOUDHURY LIBRARY :

# অসমীয়া চুটিগল্পত উত্তৰ আধুনিকতাবাদী চিন্তাধাৰাৰ প্ৰতিফলন

❑ ঊষা দাস
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বি. এইচ্. কলেজ

বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা পাশ্চাত্য সাহিত্যত দেখা দিয়া আধুনিকতাবাদ ৬০ ৰ দশকৰ পৰা ক্ৰমে স্তিমিত হৈ আহিল। তাৰ স্থান দখল কৰিলে উত্তৰ আধুনিকতাবাদে। উত্তৰ আধুনিকতাবাদ কেৱল সাহিত্যৰ লগতে জড়িত বিষয় নহয়, ই স্থাপত্য, দৰ্শন, ইতিহাস, সংগীত, কথাছবি, চিত্ৰশিল্প আদি জীৱনৰ বিভিন্ন দিশৰ লগত জড়িত। পশ্চিমৰ কেইবাটাও শিল্প আন্দোলনৰ জন্মভূমি ফ্ৰান্সেই আছিল উত্তৰ আধুনিকতাবাদৰো উদ্ভৱ স্থল। দৰাচলতে চুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফ্ৰাৰ্দিনান্দ দা চাচুৰৰ ভাষাতত্ত্বৰ নব্য চিন্তাধাৰাতে উত্তৰ আধুনিকতাৰ বীজ নিহিত হৈ আছিল। এই গৰাকী



ভাষাবিদৰ চিন্তা-চৰ্চাৰ আলমতে পঞ্চাশৰ দশকত ফ্ৰান্সৰ ৰঁলা বাথ্ আৰু নৃতত্ত্ববিদ ক্লড লেৰ্ভিষ্ট্ৰওচৰ নেতৃত্বত আৰম্ভ হৈছিল সংগঠনবাদ (Structuralism)। সংগঠনবাদৰ গ্ৰহণ-বৰ্জনৰ ভিত্তিত পৰৱৰ্তী কালত গঢ় লৈ উঠিছিল উত্তৰ সংগঠনবাদ (Post-Structuralism) আৰু নিৰ্গঠনবাদ (deconstruction)। ফৰাচী দাৰ্শনিক জ্যাক ডেৰিডা আছিল নিৰ্গঠনবাদৰ মুখ্য প্ৰবক্তা। সত্তৰৰ দশকত ডেৰিডা, মিশ্বেল ফুকো, জেক লাকাঁ, লিয়টাৰ আদি বুদ্ধিজীৱীসকলৰ হাতত উত্তৰ আধুনিকতাবাদ সাহিত্য-সংস্কৃতিৰ এক প্ৰধান ধাৰা হৈ পৰে। ক্ৰমশঃ ই বিশ্বৰ বিভিন্ন দেশলৈ প্ৰসাৰিত হৈ পৰে।

উত্তৰ আধুনিকতাবাদ দৰাচলতে আধুনিকতাবাদৰে এক সম্প্ৰসাৰিত ৰূপ যদিও, কিছুমান দিশত ই আধুনিকতাবাদৰ সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান কৰিছে। বিচ্ছিন্নতা (alienation), শিপাহীনতা (rootlessness), পৰিচয়হীনতা (lack of identity), নিসংগতা (solitude), সামাজিক ভঙ্গুৰতা (Social fragmentation) আদি আধুনিকতাবাদৰ প্ৰধান বিষয়বোৰক সামৰিলৈয়ো উত্তৰ আধুনিকতাবাদে আধুনিকতাবাদৰ কেতবোৰ ধাৰণাক সমূলঞ্চে পৰিহাৰ কৰিলে। আধুনিকতাবাদৰ প্ৰেৰণা আছিল এক বৃহৎ বীক্ষা (meta-narrative)। যুক্তিলব্ধ জ্ঞান নতুবা পৰীক্ষিত সত্য আছিল ইয়াৰ মূল আধাৰ। উত্তৰ আধুনিকতাবাদীয়ে ইয়াক মানি ল'ব নোখোজে। মিশ্বেল ফুকোৱে ভাষাতত্ত্বক আলম কৰি নিশ্চয়তাৰ বিৰুদ্ধে কঠোৰতম স্থিতি গ্ৰহণ কৰে। আধুনিকতাবাদে বাস্তৱতাক সাহিত্যৰ মাজেৰে তুলি ধৰাৰ চেষ্টাত ব্ৰতী হয়। কিন্তু উত্তৰ আধুনিকতাই ভাষাৰ অন্তৰালত থকা বাস্তৱতাক সম্পূৰ্ণৰূপে নাকচ কৰিলে। আধুনিকতাবাদে জীৱন সম্পৰ্কে নেতিবাচক মনোভাৱ লৈছিল যদিও জীৱনৰ সামগ্ৰিকতাক অস্বীকাৰ কৰা নাছিল। উত্তৰ আধুনিকতাবাদে জীৱনক খণ্ডিত ৰূপত বিচাৰ কৰিবলৈ ল'লে।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

উত্তৰ আধুনিকতাবাদ পুঁজিবাদী সমাজ ব্যৱস্থাৰ পৰা উদ্ভূত এক অপসংস্কৃতি বুলি বহুতে বিৰূপ সমালোচনা কৰিলেও উত্তৰ আধুনিকতাবাদৰ ধাৰণা অসমীয়া সাহিত্যলৈ নহাকৈ থকা নাই। সম্ভৱতঃ দেৱব্ৰত দাসেই এই নতুনত্বৰ বাৰ্তাবাহক। সাম্প্ৰতিক যুগৰ অসমীয়া চুটিগল্পত এই ধাৰণা কেনেদৰে শিপাইছে তাক আলোচনা কৰাই আমাৰ এই আলোচনাৰ উদ্দেশ্য।

এৰিষ্ট'টোলৰ দিনৰ পৰাই সাহিত্যক বাস্তৱৰ প্ৰতিনিধি হিচাপে গণ্য কৰা হৈছে। এৰিষ্ট'টোলৰ অনুকৃতিৰ (mimesis) সংজ্ঞা অনুসৰি সাহিত্য হৈছে বাস্তৱৰ অনুকৰণ (imitation of life)। বাস্তৱবাদ, প্ৰকৃতিবাদ, প্ৰতীকবাদ, আধুনিকতাবাদ— আদি সকলো সাহিত্যিক আন্দোলনৰ উদ্দেশ্য আছিল বাস্তৱৰ প্ৰতিফলন। কোনোবাই যদি বহিৰ্জীৱনৰ বাস্তৱতাৰ ওপৰত গুৰুত্ব দিছে কোনোবাই আকৌ গুৰুত্ব দিছে অন্তৰ্জীৱনৰ বাস্তৱতাৰ ওপৰত। কিন্তু ১৯৬৪ চনত মিশ্বেল ফুকোৱে ঘোষণা কৰিলে বাস্তৱ বুলি একো কথা নাই। আমি যাক বাস্তৱ বুলি কও সি দৰাচলতে বাস্তৱৰ ব্যাখ্যা বা প্ৰতিনিধিহে মাথোন। এওঁলোকৰ মতে সাহিত্যত যাক বাস্তৱ বুলি কোৱা হয়, সেই বাস্তৱক ভাষা অথবা আহৰণ কৰা ধাৰণাৰ দ্বাৰা নিৰ্মাণ কৰাহে হয়। এই নিৰ্মাণ প্ৰক্ৰিয়া কথকৰ দৃষ্টিকোণৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। ভাষা সমস্যাযুক্ত। শব্দই হুবহু বাস্তৱক প্ৰতিফলন নকৰে; বৰং চিহ্নিতহে কৰে। সাহিত্য দৰাচলতে ভাষাৰ খেল। হৰেকৃষ্ণ ডেকাৰ 'ৰোমান্টিক' গল্পটিলৈ চোৱা যাওক। গল্পটিত বাস্তৱৰ বিনিৰ্মাণ কৰা হৈছে ভাষাৰ মাধ্যমেৰে। শব্দ আৰু তাৰ সমষ্টি বাক্যসমূহে মনৰ ভাৱৰাশি কিমান দূৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে, এই লৈ কথকৰ সন্দেহ 'গল্প লেখাৰ বাবে ফৰমাইচ পাইছো। ভাবিছো এটি ৰোমান্টিক গল্পই লিখা য'ক। ৰোমান্টিক বুলি ভবাৰ লগে লগে আন এটা শব্দ মনলৈ আহিছে 'স্বতঃস্ফূৰ্ত'। ফৰমাইচী স্বতঃস্ফূৰ্ত গল্প বাক্যটোত কিবা কেণা লাগিছে নেকি? (ফৰমাইচ শব্দটোও অসমীয়া শব্দ নহয়। বোধহয় বানানটোও ভুল। কিন্তু কথাৰ লাচত শব্দটো আহিয়েই গ'ল যেতিয়া শব্দটো ৰাখি থ'লোঁ। মোৰ কোনো কোনো লেখক বন্ধুৱে কয় গল্প লেখক বা কবিয়ে হেনো শব্দ ব্যৱহাৰৰ এনে স্বাধীনতা ল'ব পাৰে........

কিন্তু মজাৰ কথা হ'ল যে বাক্যৰ কৰ্তাই যেতিয়া তাৰ নিজৰ নিয়মত আচৰণ কৰিব ধৰে, তেতিয়াই মই তাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাওঁ'। তেনেদৰে 'পান্তা', 'লিঙ্গ' , 'আবোল-তাবোল' আদি শব্দবোৰেও লেখকক সমস্যাৰ মাজত পেলাই দিছে। গতিকে এটা অৰ্থহীন মাধ্যমে অৰ্থাৎ ভাষাই কেতিয়াও বাস্তৱক তুলি ধৰিব পাৰে বুলি দাবী কৰিব নোৱাৰে।

উত্তৰ আধুনিকতাবাদীসকলৰ মতে গল্প গল্পই। তেওঁলোকে নিজস্ব প্ৰকাশ কৌশলৰ দ্বাৰা গল্পটো যে বাস্তৱ নহয় তাক ব্যাখ্যা কৰে। সাহিত্যৰ সত্য কেতিয়াও বাস্তৱৰ সত্যৰ লগত একে নহয়। সেয়ে meta-fiction অৰ্থাৎ অধিপাঠৰ গুৰুত্ব বাঢ়িছে এই যুগত। বাস্তৱতাৰ সলনি কাল্পিকতা দেখুৱাবলৈ চেষ্টা কৰা হ'ল। তাৰ বাবে কেতিয়াবা গল্পকাৰক বাহিৰলৈ নিয়া হৈছে, কেতিয়াবা চৰিত্ৰক বাহিৰলৈ নিয়া হৈছে। কথন পদ্ধতিৰ দ্বাৰা বাৰে বাৰে পাঠকক সোঁৱৰাই দিছে যে এইটো এটা গল্পহে ঃ

'তুমি যদি কিবা সোধা, মই এইবোৰ আং-বাং কি কৈছো, মই ক'ম তুমি এইবোৰ কথা মোৰ কথা বুলি ধৰি লৈছা কিয়? মই গল্পহে কৈছোঁ। আৰু গল্প গল্পই। বাক্যৰ কৰ্তাই বাক্যৰ কৰ্মৰ মাজেদি ক্ৰিয়া কৰোঁতে সি কি অৰ্থলৈ পোনায়, অথবা কি তাৎপৰ্যৰ বাট মুকলি কৰি দিয়ে, তাৰ নিয়ন্ত্ৰণ গল্প লেখকৰ নহয়'। (ৰোমান্টিক ঃ হৰেকৃষ্ণ ডেকা)

দেৱব্ৰত দাসৰ 'অৰ্পিতাৰ এৰাতি', 'কেন্দ্ৰবিন্দুত চিনেমাৰ টিকট' আদি গল্প উত্তৰাধুনিক ভাবধাৰাৰ সাৰ্থক গল্প। আঙ্গিকৰ ওপৰত বুদ্ধিনিষ্ঠ পৰীক্ষা-নিৰীক্ষা কৰি গল্প যে গল্পহে, বাস্তৱ নহয়-তাক ক'ব খুজিছে 'এই গল্পটো আচলতে মোৰ আৰু অৰ্পিতাৰ গল্প। মই নায়ক অৰ্পিতা নায়িকা। আমাৰ বাহিৰে আন কাৰো কথা এই গল্পত থকা অনুচিত। অথচ দিগদাৰি এই খিনিতে যে ঘটনা বৰ্ণাবলৈ অৱশ্যম্ভাৱীভাবে কেইটামান অদৰ্কাৰী চৰিত্ৰ আহি পৰে, মোৰ উপস্থিতি গল্পটোত হয়তো তিমান দৰ্কাৰী নহয় অথচ ইহঁতৰ কথা নক'লেও ঘটনাটো পোনপটীয়াকৈ বৰ্ণাব নোৱাৰি।'

'কেন্দ্ৰবিন্দুত চিনেমাৰ টিকেট' নামৰ গল্পটোত লেখক আৰু কথকৰ স্থিতিক লৈ এক ধৰণৰ ফেন্টাচিৰ সৃষ্টি কৰা হৈছে। স্বাভাৱিক গতিৰে গল্পটোক আগবঢ়াই আনি শেষত কথক আৰু লেখকক একাকাৰ কৰি দিয়া হ'ল। আশ্বৰ্য্যজনক এক মানসিক উদ্ভাসনে পাঠকৰ সৰলৰৈখিক চিন্তাত আউল লগালে। লেখকে দুই ধৰণে গল্পটো শেষ কৰিব পাৰি বুলি কৈছে। ইয়াতেই meta-fiction আহি পৰিছে।



MOHAN LAL CHOUDHURY LIBRARY :

মন কৰিবলগীয়া যে meta-fictionৰ এই পদ্ধতি বেজবৰুৱাৰ 'পাতমুগী' গল্পটোতো পৰিলক্ষিত হয়। গল্পটো প্ৰথম পুৰুষত আৰম্ভ কৰিছে। কিন্তু সামৰণিত গল্প হিচাপে কোৱা দেখুৱাইছে। গল্পটোত কথক চৰিত্ৰ এটা নিৰ্মাণহে মাত্ৰ, লেখক বেজবৰুৱা নহয়। গল্পটোৰ শেষৰ ফালে আছে 'এই গল্পটো লিখি মই মোৰ এজন বিশিষ্ট বন্ধুক দেখুৱালো। বন্ধুজন নিৰ্ভীক আৰু বিচক্ষণ 'কৃতিক' অৰ্থাৎ সমালোচক। তেওঁক গল্পটো চাবলৈ দি ক'লো— 'গল্পটোৰ বিষয়ে আপোনাৰ মতামত মোক লেখি দিয়ক।'

উত্তৰ আধুনিকতাবাদীসকলৰ মতে সত্য এক প্ৰহেলিকা মাত্ৰ। সত্য কেতিয়াও বস্তুনিষ্ঠ হ'ব নোৱাৰে ই ব্যক্তিনিষ্ঠ। আমি জীৱনৰ বিভিন্ন পৰিস্থিতিত যিবোৰ ধাৰণাক সত্য বুলি গ্ৰহণ কৰো, তাৰো সঘন পৰিবৰ্তন হৈ থাকে। সুখৰ উৎস ক'ত তাকো আমি ঠাৱৰ কৰিব নোৱাৰো। এজন মানুহৰ বাবে কোনো এক সময়ত নিৰ্জন প্ৰকৃতি যেনেকৈ সুখৰ উৎস, সেই একেজন মানুহৰ বাবে আন এক সময়ত ধাতৱ যান্ত্ৰিকতা, কোলাহল, উৎকট চিঞৰ-বাখৰেও অনামী সুখ কঢ়িয়াই আনিব পাৰে। নিজৰ নিজৰ স্থানত প্ৰত্যেকটো পৰিস্থিতিৰে সত্যতা আছে। হৰেকৃষ্ণ ডেকাৰ 'প্ৰাকৃতিক' গল্পটিলৈ চোৱা যাওক। গল্পটিৰ কথক চৰিত্ৰই চহৰৰ মাজৰ এটা দুৰ্গন্ধময় গলিৰ চালি এখনৰ তলত কটাব লগা হোৱাত চৰম বিৰক্তি অনুভৱ কৰিছিল। মানৱ সৃষ্ট বিভিন্ন কোলাহলৰ শ্ৰুতিকটু সংগীতে কথকৰ ইন্দ্ৰিয়বোৰ জঠৰ কৰি তুলিছিল। অকণমান শান্তি বিচাৰি, কোলাহলবোৰৰ পৰা মুক্তি বিচাৰি চহৰৰ পৰা আঁতৰৰ এক নিৰিবিলি পৰিৱেশত বাস কৰিছে ঃ 'গোটেই দিনটো অফিচৰ কৰ্ম-চঞ্চলতাৰ মাজত কটাই যেতিয়া সি অৱশ-ক্লান্ত শৰীৰেৰে উভতি আহে, তাৰ ঘৰটোৰ বাৰাণ্ডাত বহি চেগুণৰ শান্ত হৰিৎ আৰু বতাহৰ অস্পষ্ট গুঞ্জনত মগ্ন হৈ সি সতেজ হৈ উঠে। গোটেই পাৰিপাৰ্শ্বিক জুৰি বিৰাজ কৰা নিস্তব্ধতাই তাৰ কল্পনাক উদ্বুদ্ধ কৰি তোলে। ....... তাৰ পঁজাটোত বাহ লোৱা ঘনচিৰিকাবোৰৰ কিচিৰ-মিচিৰ, চেগুণৰ হাবিলৈ চৰিবলৈ অহা হেম্বাৰাও, শুকান পাতবোৰৰ ওপৰেৰে বলি যোৱা বতাহৰ মৰ্মৰ শব্দ আহিলে এই নিস্তব্ধতা মাজে মাজে ভংগ হয়। কিন্তু চহৰৰ বিশৃংখল কোলাহলৰ দৰে এইবোৰ তাৰ সংগতিহীন যেন ধাৰণা হোৱা নাই কাহানিও। বৰঞ্চ চিৰ-বিৰাজমান স্তব্ধতাৰ মাজত যেন এই শব্দবোৰে জীৱন স্পন্দন তোলে, যাৰ ফলত তাৰ কল্পলোক সজীৱ হৈ থাকে।'

কিন্তু যি যান্ত্ৰিক পৰিৱেশৰ পৰা ৰক্ষা পাবলৈ কথকে নিৰ্জনতাৰ আশ্ৰয় লৈছিল, সেই যান্ত্ৰিক পৰিৱেশো হঠাতে তাৰ আপোন যেন লাগিল। 'দুৰন্ত গতিত অহা ট্ৰাকবোৰে মাজৰাতি তাৰ টোপনি ভাঙি দিছিল আৰু তাৰ ভ্ৰম হৈছিল যেন হৃদয়হীন এই বিশাল যন্ত্ৰকেইটাই তাৰ শৰীৰটোক খণ্ড বিখণ্ড কৰি থৈ গুচি যাব। কিন্তু কেইদিনমানৰ পিছতেই সি ট্ৰাকবোৰৰ এই বিকট শব্দবোৰৰ লগত অভ্যস্ত হৈ উঠিল আৰু সিহঁতক তাৰ সুবিন্যস্ত পাৰিপাৰ্শ্বিকৰ এক আৱশ্যকীয় অংগ যেনেই ধাৰণা হ'বলৈ ধৰিলে। তাৰ ধাৰণা হ'ল যে, এই গাড়ীবোৰ আচলতে তাৰ প্ৰকৃতিক বিকল কৰি তোলা যন্ত্ৰ মাথোন নহয় বৰং এক সজীৱ-সতেজ জীৱনী শক্তিৰ প্ৰতীকহে আৰু সেয়েই সিহঁত লাহে লাহে তাৰ চৌদিশৰ জড় প্ৰকৃতিৰ পৰিপূৰক হৈ পৰিল।

আচলতে কেনেকুৱা পৰিৱেশে এজন মানুহৰ জীৱনলৈ আনন্দ কঢ়িয়াই আনিব তাক কোনেও নিশ্চিতকৈ ক'ব নোৱাৰে। সুখৰ সংজ্ঞা প্ৰতিজন মানুহৰ বাবে বেলেগ বেলেগ। কোনো এক সময়ত নিৰ্জন প্ৰকৃতি যেনেকৈ সুখৰ উৎস হ'ব পাৰে, আন এক সময়ত গাড়ী-মটৰৰ উৎকট চিঞৰ-বাখৰেও সুখ কঢ়িয়াই আনিব পাৰে। প্ৰকৃতিৰ মাজত বিচৰণ কৰি জীৱনৰ বৰ্ণময়তাক উপলব্ধি কৰিব খোজা কথকজনৰ বাবে 'কৰ্কশ শব্দৰ ডিজেল ট্ৰাকখন', 'পাঞ্জাৱী ড্ৰাইভাৰ', 'জেওৰা খৰিৰ দৰে শুকান লেতেৰা হেণ্ডিমেনজন' আৰু 'বিহাৰী বনুৱাকেইটা'ৰ কোৰালেও মানসিক শান্তিৰ উৎস হৈ পৰিল। হত্যাকাণ্ডটো সংঘটিত হোৱাৰ পিছত নিৰ্জন পৰিৱেশটো তাৰ বাবে চৰম বিৰক্তিদায়ক হৈ পৰিল। পৰিত্যক্ত অৱস্থাত পৰি ৰোৱা ট্ৰাকখনৰ প্ৰতি এনে এক অহেতুক আকৰ্ষণ অনুভৱ কৰিব ধৰিলে যে ট্ৰাকখনেই তাৰ প্ৰাণস্পন্দন যেন অনুভূত হ'ল। দেখা যায় যে জীৱনৰ যি পাঠ তাৰ কোনো স্থায়ী ৰূপ দেখা নাযায়। এটা পাঠৰ পৰা আন এটা পাঠলৈ জীৱনে কোন মুহূৰ্তত গতি কৰে, তাক নিশ্চিতকৈ ক'ব পৰা নেযায়। চলমান জীৱনৰ প্ৰতিটো মুহূৰ্তই স্বতন্ত্ৰ; কাৰ্য্য কাৰণ সম্পৰ্কৰ দ্বাৰা বান্ধিব নোৱাৰি।

উত্তৰ আধুনিক জীৱন দৰ্শনৰ মূল সূত্ৰ সত্যৰ সাধনা নহয় আনন্দৰ অনুসৰণহে। প্ৰথাগত চিন্তাত থকা নীতি নৈতিকতাক গুৰুত্ব নিদি সমাজলৈ অহা পৰিৱৰ্তনক ইতিবাচক ৰূপত গ্ৰহণ কৰাতহে



MOHAN LAL CHOUDHURY LIBRARY :
Library:

এওঁলোক আগ্ৰহী। কোনো বিশ্বজনীন সূত্ৰ বা আদৰ্শত বিশ্বাসী নহয় বাবে সমাজ ব্যৱস্থাৰ সংস্কাৰৰ কথাও এওঁলোকে নাভাবে। মৌচুমী কন্দলীৰ 'লামবাদা নাচৰ শেষত' গল্পটোত কাৰ্বি পাহাৰৰ নৈসৰ্গিক সৌন্দৰ্য্যৰ মাজত শৈশৱ-যৌৱনৰ অনেক বসন্ত অতিক্ৰম কৰি জীৱনৰ বিয়লি বেলাত উপনীত হোৱা মহিলাগৰাকীয়ে জীৱনৰ সৌন্দৰ্য্য দেখিছিল স্বকীয় সাংস্কৃতিক পৰম্পৰাত য'ত চমাংকানৰ ঢোলৰ ছেৱত পাহাৰত আকাশ বতাহ ৰজনজনাই যায়। উত্তেজনাহীন অথচ সাৱলীল সেই জীৱনত ছাবিন-আলুনৰ ৰাম-সীতা জীৱন্ত হৈ উঠে, বৰদিনৰ তৰাই হাত বাউল দি মাতে, কাচাহে তিৰোতাৰ কৰুণ বিননিয়ে মুকিন্দন পাহাৰলৈ যোৱা বাটছোৱা দেখুৱাই দিয়ে। কিন্তু নৱপ্ৰজন্মৰ প্ৰতিনিধি চমাঙ চেমচনক মাতিব ধৰিছে ধাতব চিক্‌মিকনি, বৈদ্যুতিক পোহৰ, ইলেক্ট্ৰনিক চিম্ফনিৰ উচ্ছ্বলতা আৰু চাক্‌চিক্যৰে ভৰা যান্ত্ৰিক জগতে যিখন জগতত প্ৰেম হৈ পৰে শৰীৰৰ খেল, সংস্কৃতি বিক্ৰী হয় বহুজাতিক কোম্পানীবোৰৰ হাতত, হৃদয়ৰ স্বতঃস্ফুৰ্ত আবেগৰ ঠাই দখল কৰে হিচাপ-নিকাচৰ অংকই। ৰাঘবনৰ সৈতে বিয়াৰ বন্দোবস্ত হৈ থকা অচ্‌লা চাণ্ডে নামৰ নৃতত্বৰ সেই ধুনীয়া ছোৱালীজনীয়ে কোনো ধৰণৰ অপৰাধবোধত লিপ্ত নোহোৱাকৈ চমাঙৰ লগত শাৰীৰিকভাৱে মিলিত হৈছে। তাইৰ দৃষ্টিত জীৱন মানেই হ'ল উপভোগৰ এখন বহল ক্ষেত্ৰ য'ত থাকিব ব্যক্তি স্বাধীনতাৰ চৰম আধিপত্য-- 'পাতল গুলপীয়া ৰঙৰ বেডক'ভাৰখনেৰে গাটো মেৰিয়াই তাই অলসভাৱে বিছনাত পৰি থাকি তাক ৰাঘবনৰ কথা কৈছিল। টেক্সাছত থকা ৰাঘবন এটা বৃহৎ কম্পিউটাৰ ফাৰ্মৰ মেনেজাৰ। তাৰো এক নিজস্ব ষ্টাইল, নিজস্ব ৱৰ্ল্ডভিজন আছে। এই যে টেক্সাছত ৰাঘবন থাকে, অহৰ্নিশে অফুৰন্ত পৰিশ্ৰম কৰে, তাততো সি নিশ্চয় ৰিলাক্সচেচনৰ বাবে অনবৰতে ঘৰতে শুই-বহি 'ৱাৰ এণ্ড পিচ' বা 'সঞ্চয়িতা' পঢ়ি পঢ়ি কটাই নিদিয়ে। তজবজীয়া সেই সুঠাম পুৰুষ ৰাঘবনে তাত সময়বোৰ কেনেদৰে কটাব সেয়া তাই নিশ্চয় নিৰ্দ্ধাৰণ কৰি দিব নোৱাৰে। দিয়াটো সম্ভৱ বা উচিতো নহয়। "But yes, though he is my fiancee!" মুঠতে ৰাঘবন আৰু তাইৰ মাজত সেই বুজা-পৰাখিনিৰ প্ৰয়োজনীয় কথাবোৰ তাই লাহে লাহে তাক কৈ গৈছিল সেইদিনা। কোনেও কাৰো অধিকাৰ খৰ্ব নকৰা আৰু নিজস্ব অধিকাৰ আৰু দাবীবোৰৰ বিষয়ে প্ৰশ্ন নকৰাৰ সেই চুক্তিখনৰ কথা।'

ভাষাৰ জগতখন এখন কাল্পনিক জগত। অৰ্থ কেতিয়াও ধ্ৰুৱ নহয়। শব্দ বা বাক্যৰ বিভিন্ন ধৰণৰ অৰ্থ হ'ব পাৰে। একে সময়তে একোটা শব্দই বিভিন্ন অৰ্থৰ বাহক হ'ব পাৰে। হৰেকৃষ্ণ ডেকাৰ 'বন্দীয়াৰ' গল্পটোলৈ চোৱা যাওক। 'বন্দী', 'মুক্ত বিহঙ্গ', 'ভয়' আদি শব্দবোৰৰ অৰ্থই স্ববিৰোধৰ সৃষ্টি কৰিছে— 'ল'ৰাজনে শিলছটাৰ ওপৰত উঠি চাৰিওফালে এবাৰ চাই ক'লে, 'ইয়াত একো ভয় নাই। অলপ জিৰাই লওঁক।'

ভয় শব্দটোৱে তেওঁৰ মনত এটা অদ্ভুত ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। এটা শব্দৰ সৰল অৰ্থৰ আঁৰত যে কত ধৰণৰ অৰ্থাভাস থাকিব পাৰে। ল'ৰাজনে কান্ধৰ পৰা নমাই থোৱা মোনাটোলৈ তেওঁৰ চকু গ'ল। তাৰ ভিতৰত কি আছে (ল'ৰাজনে লুকুৱাই ৰাখিলেও) তেওঁ অনুমান কৰিব পাৰে। সেই বস্তুটোৱে তেওঁৰ কাৰণে ভয়ৰ প্ৰতীক হোৱা উচিত আছিল। কিন্তু কি আচৰিত! ল'ৰাজনৰ কথাষাৰত তেওঁৰ মনটো নিশ্চিত হৈ পৰিছে। ক'ব নোৱাৰাকৈয়ে ল'ৰাজনৰ মনৰ ভাবটো তেওঁৰ মনতো ব্যাপ্ত হৈ পৰিছে। ইয়াত ভয় নাই, সেয়েই সতৰ্কতাৰো প্ৰয়োজন নাই, সৈন্য বা আৰক্ষীৰ পহৰাদাৰ ইয়াত নোলায়হি। তেওঁৰ জানো ভয় সৈন্যৰ দল বা আৰক্ষীৰ পহৰাদাৰৰ পৰা?'

দেবব্ৰত দাসৰ 'অৰ্পিতাৰ এৰাতি' গল্পটোত গল্পৰ নায়ক আৰু অৰ্পিতাৰ মাজত সংঘটিত ঘটনাংশৰ বিভিন্ন অৰ্থই একে সময়তে পাঠকৰ মনত দোলা দি যায়। শব্দবোৰৰ প্ৰকৃত অৰ্থৰ বাবে হাহাকাৰ কৰিবলীয়া হয়। গল্পৰ নায়কজন সঁচাকৈয়ে মানৱীয়তাৰ প্ৰতিভূ হ'ব পাৰে অথবা মাজনিশা ডবাটোৰ সকলোৱে শুই থকা অৱস্থাত অৰ্পিতাক ৰক্ষা কৰিবলৈ যাওঁতে তেওঁৰ ভিতৰত জন্তুৰ প্ৰবৃতিও জাগি উঠিব পাৰে: 'অৰ্পিতাই মোৰ পিনে চায়েই মোক দুহাতেৰে সাৱটি ধৰি হুকহুকাই কান্দিব ধৰিলে। মোৰ কান্ধখন এতিয়া তাইৰ শৰীৰৰ আশ্ৰয় মোৰ হৃদয়খন তাইৰ সমস্ত বেদনাৰ। মই আশ্ৰয়দাতাৰ ভূমিকাত অভিনয়ৰ বাবে নিজকে উপযুক্ত কৰিবলৈ প্ৰাণপণে চেষ্টা চলাই গ'লো। ......তাই তেতিয়াও হুকহুকাই সমস্ত শৰীৰ আৰু বেদনাৰ ভাৰ এজন দয়ালু অচিনাকীৰ আশ্ৰয়ত এৰি দি তাৰ সমস্ত অসফলতাৰ বাবে পশ্চাতাপত ব্যস্ত। মই তিমান পৰে এক মহতী আত্মালৈ উত্তীৰ্ণ।'

অৰ্পিতাই কি কাৰণে আত্মহত্যা কৰিবলৈ ওলাইছে এই কাৰ্যত তাই সফল হ'লনে নাই এই সম্পৰ্কে গল্পৰ নায়ক নতুবা কথক নিশ্চিত



MOHAN LAL CHOUDHURY LIBRARY :
Library:

হয়। অনন্ত সম্ভাৱনাৰ দুৱাৰ মেলি দিছে পাঠকৰ ওচৰত। কোনো এটা কথাকে তেওঁ গাৰ বলেৰে সত্য বুলি প্ৰতিষ্ঠা কৰিব খোজা নাই। এনে ধাৰণা নিঃসন্দেহে উত্তৰাধুনিক চিন্তাধাৰাৰ প্ৰভাৱ। দেৱব্ৰত দাসৰ গল্পৰ এই ষ্টাইল সম্পৰ্কে ড° হীৰেন গোঁহাই কৈছে— কিছুমান গল্প এক লোভনীয়ভাৱে আৰামদায়ক সমাপ্তিৰ পিনে লৈ গৈ তেওঁ হঠাতে পাঠকৰ হাতত চাবি দি কয়, ঘৰটো আপোনাৰ, যেনেকৈ ইচ্ছা তেনেকৈ ব্যৱহাৰ কৰক!' 'কিছুমান গল্পত একাধিক সামৰণিৰ যিকোনো এটা বাছি লৈ আমাৰ মনৰ নিখুঁট সামৰণিৰ আকাংক্ষা পৰিতৃপ্ত কৰিবলৈ গল্পকাৰে যেতিয়া আমাক আহ্বান কৰে, তেতিয়া ই এক প্ৰেক্টিকেল জ'ক বুলিও প্ৰথমে ধাৰণা হ'ব পাৰে।"

লিয়টাৰৰ মতে উত্তৰ আধুনিকতা হৈছে সকলো ধৰণৰ meta-narrative বা মহাবৃত্তান্তৰ প্ৰতি সংশয়। মহাবৃত্তান্ত হৈছে সকলো কাহিনী বা চিন্তাধাৰাৰ নেপথ্যত থকা এক শক্তিশালী সূত্ৰ। উত্তৰাধুনিক চিন্তাই এটা মাথোন কেন্দ্ৰৰ ঠাইত বহুতো অস্তিত্ব, বহুতো কেন্দ্ৰৰ ধাৰণা মানি লয়। এনে এক চিন্তাৰ প্ৰতিফলন দেখা যায় হৰেকৃষ্ণ ডেকাৰ 'বন্দীয়াৰ' গল্পটোত। তথাকথিত ৰাষ্ট্ৰৰ ধাৰণা, জাতীয় সংহতি, গণতন্ত্ৰ, স্বাধীনতা এইবোৰ যেন একো একোটা মহাভাষ্য। এইবোৰৰ প্ৰতি সংশয়েই গল্পটোক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। উগ্ৰপন্থীসকলে পণবন্দী কৰা উচ্চ পৰ্য্যায়ৰ চৰকাৰী বিষয়জনৰ চিন্তাধাৰাৰ সমান্তৰালকৈ সংগঠনটোৰ ডেকা কেইজনৰ চিন্তাধাৰায়ো সমানে গতি কৰিছে।

'কাৰ্য্যকাৰণহীন পৃথিৱী এখনত অস্তিত্বৰ সংকট কেনেকুৱা সেয়া যেন অনুভৱ কৰিছিল তেওঁ। পিছত অৱশ্যে বুজিছিল, এই ল'ৰাহঁতৰ পৃথিৱীত কাৰ্য্যকাৰণৰ লজিকটো তেওঁৰ লজিকৰ লগত নিমিলে। তেওঁ পঢ়া, ব্যৱহাৰ কৰা নানা শব্দ সিহঁতৰ মুখতো শুনিছিল তেওঁ। ......কিন্তু কিছুমান ইংৰাজী আৰু অসমীয়া শব্দও, যিবোৰ আছিল কিতাপৰ শব্দ, সিহঁতে ব্যৱহাৰ কৰিছিল। ৰাষ্ট্ৰ, State, Revolution সাম্ৰাজ্যবাদী শক্তি, colonialism, জাতীয় চেতনা, চৰকাৰ, জনগণ, স্বাধীনতা, অধিকাৰ এই শব্দবিলাকৰ অৰ্থক্ষেত্ৰ সম্পূৰ্ণ বেলেগ আছিল। সিহঁতৰ আইনখন সিহঁতৰ নিজৰ আছিল।'

এইদৰেই উত্তৰ আধুনিকতাবাদী তত্বৰ আলমত অসমীয়া গল্পত ন- ন পৰীক্ষা নিৰীক্ষা চলোৱা হৈছে আৰু ইয়াৰ ফলস্বৰূপে অসমীয়া গল্পই এক নতুন ব্যঞ্জনা আৰু আয়তন লাভ কৰিবলৈ সক্ষম হৈছে। ◆◆


সহায়ক গ্ৰন্থাপঞ্জী ঃ

১। শইকীয়া, নগেন — সাহিত্যত বাদ বৈচিত্ৰ্য, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়।

২। বৰকটকী, অৰিন্দম— নিৰ্বাচিত অসমীয়া গল্প, ক্ৰান্তিকাল প্ৰকাশন, নগাওঁ- ১

৩। দেৱ চৌধুৰী ফনীন্দ্ৰ কুমাৰ— এশ বছৰৰ অসমীয়া গদ্য সাহিত্য, শিল্পীঘৰ, দুলীয়াজান।

আলোচনী ঃ

১। গোহাঁই, হীৰেন— উত্তৰ আধুনিকতাবাদত এভুমুকি, গৰীয়সী, অক্টোবৰ, ১৯৯৭

২। শৰ্মা, গোবিন্দ প্ৰসাদ — উত্তৰাধুনিকতাবাদ আৰু সাম্প্ৰতিক জাতীয় সংকট, আমাৰ সময়, শাৰদীয় সংকলন, ২০০৮

৩। দাস, ৰজনীকান্ত — উত্তৰ আধুনিকতাবাদ, বিজ্ঞান বৈৰিতাৰ বৌদ্ধিক চমক, গণশক্তি, ৰঙালী বিহু বিশেষ সংখ্যা, ২০১১

৪। চৌধুৰী, বিভাস— অসমীয়া সাম্প্ৰতিক সাহিত্যত উত্তৰ আধুনিকতা ঃ দুটা দৃষ্টান্ত, গৰীয়সী, জুন, ২০০০




MOHAN LAL CHOUDHURY LIBRARY :

Library :

# মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ আৰু সামাজিক জীৱনত ইয়াৰ প্ৰাসংগিকতা

❑ শৈলেন কুমাৰ দাস
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
বৰনগৰ মহাবিদ্যালয়

পঞ্চদশ শতিকাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত কেইবাজনো মহাপুৰুষৰ জন্ম হৈছিল। তাৰ ভিতৰত ভাৰতৰ পূৰ্বাঞ্চলত জন্ম লাভ কৰা মহাপুৰুষ শঙ্কৰদেৱ আছিল ধ্ৰুৱতৰা স্বৰূপ। অধ্যাপক বাসুদেৱ চৰণ অগ্ৰৱালে সঁচা অৰ্থতে শঙ্কৰদেৱৰ বহুমুখী প্ৰতিভাত বিস্ময় মানি কৈছিল— "শঙ্কৰদেৱ এনে এক জ্যোতিষ্মান সূৰ্য্য যিজনাৰ মনৰ উত্তাপ লাগি অসম এপাহি সহস্ৰদল কমলৰ দৰে বিকশিত হৈ উঠিছিল।" যিসময়ত শঙ্কৰদেৱে অসমত জন্মগ্ৰহণ কৰিছিল সেই সময়ত ধৰ্মীয় কুসংস্কাৰ আৰু অন্ধবিশ্বাসে অসমৰ সামাজিক জীৱন বিপৰ্যস্ত কৰিছিল। শাক্ত, শৈৱ আদি সকলো ধৰ্মতে কুসংস্কাৰে ছানি ধৰিছিল। ধৰ্মৰ নামত জীৱ হত্যা আনকি নৰবলি পৰ্যন্ত দিয়া হৈছিল। ৰাজনৈতিক অস্থিৰতা, ধৰ্মৰ গ্লানি, ভ্ৰষ্টাচাৰ, কুসংস্কাৰ আদিয়ে সমাজ জীৱন পঙ্গু কৰি তুলিছিল। এনেদৰে সকলো দিশতে বিশৃঙ্খলিত, থানবান হৈ থকা অসমীয়া জাতিক শঙ্কৰদেৱে ধৰ্মীয় এনাজৰীৰে, একতাৰ ডোলেৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠন কৰিছিল।

ধৰ্ম সংস্কৃতিৰ এক অপৰিহাৰ্য্য অঙ্গ। প্ৰকৃততে ধৰ্মই সংস্কৃতিৰ সৰ্বাধিক দিশ নিৰূপণ কৰে। সাজ-পোচাক, খাদ্য-অখাদ্য, উৎসৱ-অনুষ্ঠান, বিশ্বাস-অবিশ্বাস আদি নিয়ন্ত্ৰণ কৰে প্ৰকাৰন্তৰে ধৰ্মই। ভাৰতবৰ্ষ যিহেতু এখন ধৰ্ম নিৰপেক্ষ দেশ সেয়ে ইয়াত বসবাস কৰা প্ৰতিটো জাতি-উপজাতিয়ে পুৱাৰপৰা গধূলিলৈকে দৈনন্দিন জীৱনৰ সকলো কাৰ্য্য ধৰ্মীয় আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ সম্পাদন কৰে। শঙ্কৰদেৱে ভাৰতীয় তথা অসমৰ মানুহৰ এনে বোধগম্যতা আৰু গ্ৰহণযোগ্যতাৰ কথা মনত ৰাখি সৰ্বস্তৰৰ মানুহৰ কল্যাণৰ হকে গণতান্ত্ৰিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ নৱ বৈষ্ণৱ আন্দোলনৰ জন্ম দি একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰিছিল। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি তেওঁ প্ৰেম আৰু ভাতৃত্ববোধেৰে মহান অসমীয়া জাতি গঠন কৰিছিল। মানৱতাবোধ আছিল শংকৰদেৱৰ চিন্তা আৰু সৃষ্টিৰ আধাৰ। প্ৰেম, ভালপোৱা আৰু ভাতৃত্ববোধে শঙ্কৰদেৱক সকলো ধৰণৰ কৰ্মৰ প্ৰতি উৎসাহিত কৰি তুলিছিল। তেওঁ ভালদৰে উপলব্ধি কৰিছিল প্ৰেমেৰেহে মানুহৰ অন্তৰ জয় কৰিব পাৰি। ইয়াৰ অবিহনে মানুহ হৈ পৰে আনৰ সুখ-দুখৰ প্ৰতি নিৰ্বিকাৰ, স্বাৰ্থপৰ আৰু সংকীৰ্ণ মনৰ। শঙ্কৰদেৱে বিশ্বাস কৰিছিল কেৱল প্ৰেমেৰেহে মানুহৰ মাজত পাৰস্পৰিক সৌহাৰ্দ্য স্থাপন কৰিব পাৰি, ভাতৃত্ববোধ গঢ়ি তুলিব পাৰি। সেয়ে শঙ্কৰদেৱৰ নামধৰ্মক প্ৰেমধৰ্ম বুলিও কোৱা হয়। আনকি মোক্ষ বা মুক্তিতকৈ তেওঁ প্ৰেমৰ ওপৰত অধিক গুৰুত্ব দিছিল। বৰ্তমানৰ সৰ্বগ্ৰাসী নৈতিক আদৰ্শ ভ্ৰষ্টতাৰ কালত বিদ্বেষ, বিভাজন, অত্যাচাৰ, উৎপীড়ন, শোষণে অসম আৰু অসমীয়া জাতিক ছিন্ন-ভিন্ন কৰাৰ উপক্ৰম হোৱাৰ সময়ত শঙ্কৰদেৱৰ প্ৰচাৰিত বাণী অধিক প্ৰাসংগিক হৈ পৰিছে। গুৰুজনাই সুদূৰ তাহানিতে নগাৰ নৰোত্তম, মিৰিৰ পৰমানন্দ, গাৰোৰ গোবিন্দ, ইছলামৰ চান্দ-সাইক বৈষ্ণৱ ধৰ্মত শৰণ দি উদাৰ গণতান্ত্ৰিক ভাৱধাৰাৰে আকোৱালি লৈছিল। তেওঁৰ আদৰ্শ আছিল—

ব্ৰাহ্মণৰ চণ্ডালৰ
নিবিচাৰি কুল
দাতাত চোৰত যেন
দৃষ্টি এক তুল। (কীৰ্ত্তন)

আকৌ—

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।। (কীৰ্ত্তন)

এনে ধৰণৰ উদাৰ দৃষ্টিভঙ্গীৰে তেওঁ বৃহৎ অসমীয়া সমাজ গঢ় দি গৈছে। শঙ্কৰদেৱে দি থৈ যোৱা সামাজিক-সাংস্কৃতিক বিপ্লৱৰ পথ সাম্প্ৰতিক সময়ত অতি প্ৰয়োজন হৈ পৰিছে। শোষণ, লণ্ঠন, হত্যা, ধৰ্ষণ, ঘৃণা, বঞ্চনাৰে ভৰা বৰ্তমানৰ অসমত গুৰুজনাই দিয়া গণতান্ত্ৰিক আদৰ্শ, প্ৰেম আৰু কৰুণাৰ বাণীয়েই আটাইতকৈ অনুকৰণীয়।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে বৈকুণ্ঠক ভেদি।

এয়াই হৈছে বস্তুবাদ তথা ভোগবাদৰ বিপৰীতে মানৱতাবাদৰ কালজয়ী শাশ্বত আবেদন। দৈনন্দিন জীৱনৰ প্ৰতিটো পুৱা বাতৰি কাকতখনে কঢ়িয়াই অনা হত্যা, ধৰ্ষণ, শোষণ, বঞ্চনাৰ বাতৰি পঢ়ি বিমৰ্ষ হৈ পৰা আমাৰ ব্যস্ততাৰে ভৰা যান্ত্ৰিক দিনটোৰ অন্তত গধূলি কীৰ্ত্তনৰ এক অধ্যায় পাঠে আমাৰ মনৰ কলুষতা নাইকিয়া কৰিব পাৰে। পৰ্বতে-ভৈয়ামে সিঁচৰতি হৈ থকা নিষ্পেষিত অৱহেলিত জাতি- জনজাতিৰ মাজত মিলনৰ সেতু ৰচনা কৰা শঙ্কৰদেৱৰ আদৰ্শ, মানৱীয় প্ৰমূল্যবোধ, যিয়ে মানুহক ক্ৰমে লৈ যায় ত্যাগৰ উচ্চ শিখৰলৈ, গঢ়ে এখন শ্ৰেণীহীন, শোষণহীন, বঞ্চনাহীন, সুস্থ-সবল মানৱ সমাজ তেনে আদৰ্শৰেহে আমি অনুপ্ৰাণিত হৈ জীৱনৰ বাটত আগবাঢ়িব লাগিব। যেনেদৰে অনুপ্ৰাণিত হৈ জীৱনৰ বাটত আগবাঢ়িছিল জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ, গান্ধী আদি মহান পুৰুষসকলে। জ্ঞান অন্বেষণত দিহিঙে-দিপাঙে ঘূৰি ফুৰি অনুশোচনাত দগ্ধ হোৱা জ্যোতিপ্ৰসাদে 'শিল্পীৰ পৃথিৱী'ত এনেদৰে লিখিছিল— "পশ্চিমীয়া শিক্ষাৰ অন্ধকাৰত অন্ধলা হৈ ঘৰৰ মহা প্ৰতিভাক চিনি নাপায় ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেইদিনাই একেবাৰে ধূলিসাৎ হৈ গ'ল। সেইদিনাখনৰ পৰাহে মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলো, মোৰ ভিতৰত চাহাবটো ওলাই লৰ মাৰিলে। বাৰে বাৰে মোৰ মনত এটা প্ৰশ্ন জাগিবলৈ ধৰিলে যে- বিলাতলৈ কেলেই পঢ়িবলৈ গৈছিলো। যি বিচাৰি গৈছিলো ঘূৰি আহি দেখোঁ ঘৰতেই পালো। তেতিয়াৰে পৰাই শঙ্কৰদেৱৰ সৰ্বতোমুখী প্ৰতিভা বুজিবলৈ চেষ্টা কৰিছো। আজিও বুজি শেষ কৰিব পৰা নাই।" ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ এই উপলব্ধিয়ে আমাক ভাবিবলৈ বাধ্য কৰায় সাম্প্ৰতিক সময়তো শংকৰদেৱৰ আদৰ্শৰ প্ৰয়োজনীয়তা কিমান প্ৰাসঙ্গিক।

ধৰ্ম প্ৰচাৰৰ লগে লগে গুৰুজনাই নৈতিক শিক্ষাতো যথেষ্ট গুৰুত্ব দিছিল আৰু সেইকাৰণে শঙ্কৰদেৱৰ নামধৰ্মৰ এক বিশাল অংশ জুৰি আছে নৈতিক শিক্ষাই। এখন সমাজ সুস্থভাৱে জীয়াই থাকিবলৈ হ'লে আধ্যাত্মিক শিক্ষাৰ লগতে নৈতিক শিক্ষাৰ অতিব প্ৰয়োজন। উচ্ছৃংখল মানসিকতাৰ পৰা হাত সাৰিবলৈ মনক সুস্থ, সবল আৰু সুন্দৰ কৰি ৰাখিবলৈ ধ্যান, প্ৰাৰ্থনা আদিৰ দৰে সদাচাৰ, সুনীতি, সুসংস্কাৰ আদি বৰ্তমানৰ নৈতিক অধঃপতন আৰু উচ্ছৃংখতাৰে ভৰা যুৱ মানসিকতাৰ উত্তৰণৰ বাবে অতি প্ৰয়োজন হৈ পৰিছে। কাম, ক্ৰোধ, লোভ, মোহ আৰু অহংকাৰৰ বশৱৰ্তী হৈ মানুহ ধ্বংসৰ গৰাহলৈ আগবাঢ়িছে। গুৰুজনাই আজিৰ পৰা ৫০০ বছৰ আগতেই সেই বাণী শুনাই সকলোকে সতৰ্ক কৰিছিল—

যতেক অৰ্থ আছে সংসাৰত
তাতে তিনি বিধ সাৰ
কাম, ক্ৰোধ, লোভ আপোন নামক
জানি কৰা পৰিহাৰ।

সমাজৰ গুণী জ্ঞানী লোক সকলে ধৰ্মক সদায় সহনশীলতাৰে গ্ৰহণ কৰি বন্ধুত্ব গঢ়াৰ পথ হিচাপে ব্যৱহাৰ কৰে। কিন্তু সমাজৰ এচাম মানুহে ধৰ্মক যুঁজ-বাগৰৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। বৰ্তমান সময় অতি দুঃসময়। হত্যা-ধৰ্ষণ, হিংসা-বিদ্বেষ, ঈৰ্ষা-অসূয়া আদিয়ে বৰ্তমানৰ সমাজ জীৱন ছানি ধৰিছে। গতিকে আমি সকলোৱে গুৰুজনাই দি থৈ থোৱা আদৰ্শসমূহ অনুধাৱন কৰি তেখেতৰ আদৰ্শক বাস্তৱত প্ৰতিফলিত কৰিবলৈ প্ৰয়াস কৰি জীৱনৰ বাটত আগবঢ়া উচিত। ◆◆

ধৰ্ম প্ৰচাৰৰ লগে লগে গুৰুজনাই নৈতিক শিক্ষাতো যথেষ্ট গুৰুত্ব দিছিল আৰু সেইকাৰণে শঙ্কৰদেৱৰ নামধৰ্মৰ এক বিশাল অংশ জুৰি আছে নৈতিক শিক্ষাই। এখন সমাজ সুস্থভাৱে জীয়াই থাকিবলৈ হ'লে আধ্যাত্মিক শিক্ষাৰ লগতে নৈতিক শিক্ষাৰ অতিব প্ৰয়োজন।



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# Human Rights vis-a-vis America's Role in Contemporary Global World Order

❑ **Dr. Bijan Kr. Kunda**
Associate Professor & H.O.D, Deptt.of Pol. Science
Barnagar College

**Buldozing of basic human rights through bullets-disease- hunger :**

The right to life and to security are among the most basic human rights. They are also among the most widely and systematically violated by both the state and non-state actors. Negation of these basic human rights - right to life and right to security are the greatest obstacle to human development. The UN Secretary General has rightly remarked: 'Humanity cannot enjoy security without development or development without security, and neither without respect for human rights'(2005).



In fact, the globalised states (Ian Clark put it) within this contempory international order are becoming less safe during the post-cold war period. Almost twenty one years after the end of the so called cold war several thousands human lives have been lost both in the developed and developing (North- South) as well as underdeveloped countries because of terrorist attacks and threats. Amongst the innumerable deaths/ casualities the vast majority not from 'bullets' or WMD (weapons of mass destruction) alone but from malnutrition, disease and hunger too (for instance, Africa's Somalia). As per UNDP-HDR Report, 2005 the risk of violation is heavily weighted against people living in the world's poorest countries.

It is worthwhile to mention here that every civilian death linked to conflict is a violation of human rights (the concept popularised at random during the Post-cold War period). The UNDP-HDR, 2005 remarks thus: "Since 1990 more than three million people have died in armed conflict. Almost all of the deaths directly attributable to conflict have happened in developing countries. Apart from the immediate human costs, violent



MOHAN LAL CHOUDHURY LIBRARY :

conflict disrupts whole societies and can roll back human development gains built up over generations. Conflict disrupts food systems, contributes to hunger and malnutrition and undermines progress in health and education. About twenty five million people are currently internally displaced because of conflict or human rights violations. Nine of the ten countries ranked at the bottom in the human development index (HDI) have experienced voilent conflict at some point since 1990" (UNDP-HDR-2005).

**How Human Rights were violated and globalised by USA and its allies :**

The violation of basic human right should not be linked to the conflict alone. If we look at the pages of history as well as contemporary global scenario it can be witnessed that how the US administration encouraged the elimination of Congo's Patrich Lumumba in 1960s, Chilli's President Salvador Alende and President of Afghanistan Dr. Najibullah in 1970's alongwith slaughtering of common Vietnamese during the clod-war period. Apart from this, the US administration has been encouraging economic blockades against Cuba since 1960s till today. Today, the US administration, as it is alleged, has been encouraging violent conflicts (armed conflicts, civil war), openly in order to establish its 'empire'/ 'hegemony' after the terrorist attacks of 11 September, 2001 in the name of either restoring US brand 'democratic order' in Libiya after brutally killing Gaddafi or eliminating 'errant' nationalist leader of Iraq's Saddam Hussain as it was suspected by Bush administration that the heinous incidents of 9/11 was the handiwork of Saddam Hussain's Iraq.

It is also noted here that after the end of Cold War (1990) the USA tried its best to occupy oil producing countries under its hegemony for which Afghanistan was its primary agenda. Even before 9/11 terrorist attacks, the US administration made an attempt to negotiate with Taliban's Afghanistan. In fact, the incident of 9/11 opened the door for US administration to establish its empire in the contemporary world as the US president declared 'war against terror'. Before 9/11 incident the USA had to interfere in the domestic affairs of a number of countries for the restoration of democratic order exported by USA (US Brand of Democracy), protection of human rights etc. But, since the terrorist attacks i.e. 9/11 till today the USA has been availing the opportunity along with its allies (NATO) with arms and ammunitions (even utilising WMD i.e. Weapons of Mass Destruction) in order to launch the attacks against the 'evil states' as declared by USA. After Afghanistan, Iraq and Libiya probably the next target of USA and its co- partners (NATO) would be Syria, Sudan, Iran, North Korea. 'War against terror' led by USA has not yet completed even after killing of Osama bin Laden (Osama bin Laden, All-Qaeda's chief, was not only nurtured in the initial period in connection with dealing with Dr. Najibullah's Afghanistan by USA but also brutally murdered violating all international norms whose dead body was graveyerd in Pacific Occean). Of late, Gaddafi has been brutally killed by US sponsored anti Gaddafi



MOHAN LAL CHOUDHURY LIBRARY :

NTC[I] (National Transitional Council) along with its allies NATO (North Atlantic Treaty Organisation). It is a rare case in the pages of history that after beaten right and left in an open street a head of the state (Gaddafi was the head of Libiya over 40 years) was brutally murdered. It was also amazing that after snatching away the dead body of Gaddafi, it was kept in the vegetable' cold storage. These are glaring instances of human rights of globalisation!

**Gaddafi sacrificed his life (basic human rights) for safeguarding national interest :**

So far as Human Development Index was concerned Libiya ranked I (one) amongst the African countries. Libiya (though the government was not democratic) achieved this with the help of Col. Muammer Gaddafi. The overall HDI (Human Development Index) rank of Libiya was 55. Apart from this, average age of Libiyans was the highest in the continent of Africa. Food security, guarantee relating to health, education along with social services were other remarkable issues of Libiya which were translated into practice under Gaddafi's regime. Thus, the question of Libiya's system of Government relating to development under Gaddafi's regime should not be held responsible so far as US and NATO's interference in the internal matter of Libiya. Neither the issue of violation of human rights should be taken into account. In fact, Libiya's Gaddafi became the stumbling bloc in connection with expanding/ re-subjugating colonies by the imperialist powers for following reasons :

1. Libiya is the third largest oil producing country of African countries; and Italy, Spain and France are mainly dependent on high quality Libiya's oil.
2. Gaddafi was the target of France as France failed to form Mediterian Union because of Gaddafi's vehement opposition and as a result French dream to establish its influence over her former colonies through Mediterian Union would not be materialised.
3. Both Tunisia and Egypt are situated to the Western and Eastern part of Libiya where agitation is going on for the restoration of US-brand democracy. Having availed the opportunistic situation to destabilise Gaddafi's Libiya, the USA compelled Libiya to engage in an unjust war.

Thus, the history of human civilization has been spotted again (after Iraq) in the 21st century in order to control oil. So-called champions of human rights and democracy do not have bother whether human rights are violated or not. In fact, crony capitalism at this era of imperialism–directed globalisation having no human face while roll-calling the dead bodies in an unjustified war even killing the chief of the state along with a number of human lives. Peoples' unity is the need of the hour to resist such kind of inhuman activity sponsored by USA and its allies NATO. ◆◆



MOHAN LAL CHOUDHURY LIBRARY :

***Note :***

*I. National Transitional Council: National Transitional Council was formed in Libiya in order to oust Gaddafi in which Al-Qaeda was not only a major partner but also a significant organised force. It is also amazing that the USA and its partner NATO have been carrying out combing investigation against the whereabouts of the Al-Qaeda though the soldiers of US-NATO were very much dependent on Al-Queda in order to eliminate Libiya's Gaddafi. Naturally, Libiya's Al-Qaeda leader, Aiman Al Zauhahiri declared after the killing of Gaddafi thus: "Jehad has been succeeded after the killing of evil."*

*Same voice has been echoed by Obama. Dr. Nazibulla was hanged in Kabul in the eighties of twenty century. At that time too, Osama bin Laden's Al-Qaeda contributed a lot to CIA. In the present context too, same thing has been happened. Gaddafi's elimination of Libiya, in fact, is the repeat of Afghanistan (Source: M.K. Das; 2011).*

**References:**

1. Baylis John, et ell — The Globalisation of World Politics An Introduction to international relations 4 e. (New Delhi: OUP, 2008).
2. Banerji, Santanu — "Gaddafir Ghatak America O NATO" Article Published in Ganashakti, 29 Oct., 2011.
3. Das, Mrinal Kanti — "Obamar Basanta Libiyay Kal Baisakhi" Article Published in Ganashakti, 29 October, 2011.
4. UNDP Human Development Report, 2005 (New Delhi: OUP, 2005).






MOHAN LAL CHOUDHURY LIBRARY :
Library

# বাসনাৰ সামুদ্ৰিক জাহাজ

❑ ডাঃ হৰেন চৌধুৰী

জন সমুদ্ৰত
সৰু বৰ ঢৌ হৈ উটি ভাঁহি ফুৰে
সপোনৰ সপোন সোঁৰৰণী
পৰুৱাই পোৱা মানুহৰ দৰে
কেতিয়াবা জন সমুদ্ৰতে আৱৰ্তিত হৈ থাকে
বাসনাৰ সামুদ্ৰিক জাহাজ।



জলসমুদ্ৰত আকণ্ঠ ডুবি থাকে
সহস্ৰজনৰ নীৰৱ অনুভৱ উপলব্ধি
আত্মজয়ী নাবিক মনে
উত্তাল ঢৌ ফালি অন্বেষণ কৰে
আশাৰ বালিচৰত আলোকৰ উজ্বল স্তম্ভ।

জন সমুদ্ৰত থাকি প্ৰতিজনে
দোকমোকালিৰ প্ৰাৰ্থনা কৰে
বিষাদ আন্ধাৰৰ ধুমুহা বৰষুণৰ মাজেৰে
প্ৰেমৰ সোণালী জাহাজ
জীৱনৰ কাংক্ষিত বন্দৰলৈ গতি কৰে



জন সমুদ্ৰৰ জোৱাৰ ভাটাই
নিমিষতে সপোনৰ বালিঘৰ ভাঙে
তপ্ত সাগৰ তীৰত
সমুদ্ৰৰ গান গোৱা চৰাইজাকে
জীৱনৰ ৰ'দ আৰু জোনাক বিচাৰি ফুৰে

জনসমুদ্ৰৰ বুকুত কোনেও নিশ্চিত নহয়
কোন কেতিয়া কাৰ সতীৰ্থ হয়
প্ৰজাৰ দৰে ৰজায়ো নাজানে
কেনি আহি কেনি গুচি যায়
প্ৰেম আৰু শান্তিৰ প্ৰত্যয়দীপ্ত সময়। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল

(সংগীত সূৰ্য ড° ভূপেন হাজৰিকাৰ স্মৃতিত)



❒ বনজিৎ বৰ্মন

অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল
উচুপি উচুপি তৰাবোৰ নুমাই গ'ল
সুৰৰ এখনি আকাশ জিৰ জিৰকৈ সৰি পৰিল
প্ৰেম আৰু প্ৰতীতিৰ ৰামধেনুখনি
এঙাৰ হৈ সৰি পৰিল
শতচ্ছিন্না আইৰ আঁচলত

অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল
যি বীণাৰ সুৰত হৃদয়ে হৃদয়ে ফিৰিঙতি উৰিছিল
বোধ আৰু ৰূপান্তৰৰ এখনি নৈ
বৈ আহিছিল
যি প্ৰাণময় সুৰৰ লতাত ফুলি উঠিছিল
মানুহ মাটি সময়

ঢৌৰ নুপূৰ বজাই নাচিছিল
লুইত ভল্গা মিচিচিপিৰ বোৱতী হৃদয়
যি সুৰৰ সুহুৰিৰে মন্দিৰ মছজিদ গীৰ্জাবোৰে
স্পৰ্শ কৰিছিল ঈশ্বৰৰ মুকুট।

যি সুৰত সুৰ তুলি জিলিকি উঠিছিল
মানৱতাৰ ছিৰাছিৰ মুখ
ৰ'দ পোৰা মানুহৰ নিমখীয়া দুখ
সমন্বয়ৰ অমৃত আলেখ্য

যি সুৰৰ তৰঙ্গত অপাপ অন্তৰীক্ষত ধ্বনিত হৈছিল
ত্ৰিকালৰ সংশ্লেষিত সুহুৰি

অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল
যি বীণাৰ সুৰত গাঁথা আছিল
হাজাৰ মৰুভূৰ কাঁইট আৰু বালিৰ তাচ্ছিল্য পাৰ হৈ
ফুলাম মৰুদ্যানৰ হাঁহি
বাসন্তী বৰষুণৰ বাঁহী
যি চিন্ময় সুৰে সাজিছিল সুন্দৰৰ ৰংঘৰ
প্ৰেমৰ সেউজীয়া তীৰ্থ
মাটিৰ নিবিড় স্বৰ্গ

অগ্নিবীণাৰ তাঁৰ ছিগি গ'ল
কৃষ্ণচূড়াৰ দেশত পুৰি ছাই হৈ গ'ল
সাগৰৰ দৰে এখন হৃদয়
শিশুৰ দৰে এখনি আকাশ
নদীৰ দৰে অনন্ত হেঁপাহ

নিসৰ্গত কঁপনি তুলি নুমাই গ'ল মহাপশ্চিমত
সুৰ আৰু সংগ্ৰামৰ ৰক্তিম ৰবি
ত্যাগ আৰু দুখৰ সুৰভিৰে সজা মহাজীৱনৰ শলিতা
নীলা চকুপানী ঢুকি উকা হৈ ৰ'ল গান্ধাৰী আকাশ
দুখৰ শিল বৰষুণত শিপালে তিতিল মাটি মানুহ সময়

শোকৰ শেলুৰৈ ভেদি চৌদিশে বাজি উঠক
অমৃত পিয়াসী অগ্নিবীণাৰ সুৰ
কৃষ্ণচূড়াৰ আকাশত জিলিকি উঠক আকৌ
স্বপ্ন আৰু সুৰৰ নবাৰুণ....... ◆◆



MOHAN LAL CHOUDHURY LIBRARY :



# ছন্দ শিল্প

MOHAN LAL CHOUDHURY LIBRARY :

# পৰিচয়

❐ সুমিতা মল্লিক
স্নাতক ৩ য় বৰ্ষ

তোমাৰ অস্তিত্বই যাক আমনি কৰে
তুমি কিয় থিয় দিয়া তেওঁৰ সন্মুখত ?
যিয়ে তোমাক পেলনীয়া জাবৰ বুলি ভাৱে,
কিয় তাকেই তুমি ৰখা মনৰ সোণৰ দলিচাত ?
পথৰ কাঁইট বুলি যিজনে তোমাক উভালি পেলায়
সেইজনৰে পথত বাৰু কিয় সিঁচি দিয়া ফুল তুমি ?
যিজনে তোমাক বিষপান কৰোৱাই মৃত্যুমুখী কৰিব বিচাৰে
সেইজনকে আয়ুস বঢ়াবলৈ তুমি অমৃত পান কৰোৱা।
যিয়ে তোমাক পদধূলি বুলি ভাবি গচকি যায়,
তেওঁকেই যে তুমি লোৱা সন্মানীয় বুলি মূৰৰ টুপী বনাই
যিজনে তোমাক পৰম শত্ৰু বুলি গণ্য কৰে,
সেই ব্যক্তিকে তুমি মান্য কৰা প্ৰকৃত বন্ধু বুলি।
এয়াই নেকি তোমাৰ পৰিচয় ? ◆◆



# তেওঁ আহিবই

❐ মৰ্জিনা খাতুন
স্নাতক ২ য় বৰ্ষ



তেওঁক চাই যাবলৈ
হেঁপাহটো থাকি গল
বাট চাই আছো
এতিয়াও শেষ প্ৰহৰতো

আহিবনে তেওঁ !
পাৰিবনে আহিব
এঢলীয়া দুৰ্গম বাটপথ
দেও মনিচে চোপ লোৱা
নিশ্চিদ্ৰ আন্ধাৰ

সাৰে আছে সাৰমেয়ী
ভয়লগা গোজৰণি
অদূৰত শিয়ালৰ হোৱা
আৰু ফেঁচাৰ কুৰুলি
সকলো মিলি
নিশাৰ বিকট কিৰিলি
আৰু বিভৎস ক্ৰীড়া
দেখি শুনি পলে পলে
মনলৈ আহে
তেওঁ অহা হ'লে।

আশাধাৰী আমি,
সেয়ে নিশ্চিত
তেওঁ আহিবই
এই নদীৰ ঘাট
পাৰ হ'বতো লাগিবই
পাহাৰ খান্দি, হিলদল ভাঙি
আহিবই তেওঁ
তেওঁৰ নামেই যে গতি। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# প্ৰস্তাৱ

❒ নীলিমা খানম
স্নাতক ২ য় বৰ্ষ

শেৱালী ফুলে আমনি কৰা এটি সুগন্ধি
তেওঁৰ সেউজীয়াবোৰে আহি মোক এটা প্ৰস্তাৱ দিলে।
উমনি দিয়া কণীটোৰ দৰেই উমাল
বহাগৰ প্ৰথম আবেলিটোৰ দৰেই
ৰঙা আছিল সেই প্ৰস্তাৱ।
সেই প্ৰস্তাৱৰ সুকোমল আঙুলিত ধৰি
সোণাৰু ফুলীয়া বাট এটাৰেই
মিঠা অনুভূতিৰ কুঁহিপাত এটিৰ দৰেই
দুলি দুলি লাহে লাহে সোমাই
গৈছিলো তেওঁৰ সেউজীয়া হৃদয়লৈ। ◆◆





# নোপোৱাৰ বেদনা

❒ নাৰায়ণ বিশ্বাস
উঃ মাঃ ২ য় বৰ্ষ

পাবলৈ তোমাক
ক'ত যে আশা লৈ মনত
আগবাঢ়িছিলো জীৱনৰ বাটত

তপত বালি মাজেৰে
সৰ্পিলাকাৰে।
ঘাত প্ৰতিঘাত নেওচি
কৰিছিলো তীব্ৰ গতি
যুদ্ধৰ সৈনিকৰ দৰে
একাকাৰ কৰি
মনোবলেৰে।
নেপালো তোমাক ধৰিব
উৰা মাৰিলে বয়সে
নোপোৱাৰ বেদনা
সহিব লাগিব
নিৰ্বিকাৰে।
আহৰণ কৰিলো নিশ্চয়
তোমাৰ কাষ চাপিলো
পাবলৈ অলপ বাকী
অপেক্ষা কৰিলো
ধৈৰ্য্য সহকাৰে। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :

# ৩০ অক্টোবৰ

❒ মইনা দাস
উ. মা. ১ ম বর্ষ।

৩০ অক্টোবৰ!
অন্ধকাৰ নিশাবোৰৰ এটি শোকগাথাৰ নাম
মৃত্যুৰ যন্ত্রণাত ছটফটাই আছো মই
স্মৃতিক সাৰথি কৰি নিসংগতাৰ বুকুত মই
সাতুৰিছোঁ কেৱল .....
৩০ অক্টোবৰৰ অন্ধকাৰ নিশাই
আজিও হাহাকাৰ কৰে
মৃত্যু হৃদয়ৰ সপোনৰ তালিকা।
সেই অন্ধকাৰ নিশাই
বলপূর্বক ভাৱে ধর্ষণ কৰিলে, চকুলোক।
ধর্ষণৰ ষড়যন্ত্রত গর্ভৱতী হ'ল নীৰৱতা।
৩০ অক্টোবৰৰ অন্ধকাৰ নিশা
ব্যাকুল হৈছিল চঞ্চল হৃদয়ৰ
অনুভূতিৰ শ্বাস প্রশ্বাসৰ ধ্বনিবোৰ।
চিঞৰি উঠিলো— পৰাজয়! পৰাজয়! পৰাজয়।
৩০ অক্টোবৰৰ অন্ধকাৰ নিশা
নির্জন সপোনৰ বেটুপাতত
ভৰিৰ যাদুৰ খোজত সন্ধিয়া মাতাল।
উদ্‌যাপন কৰিলো মৃত্যুক।
হায়! যন্ত্রণাৰ বিক্রী হৃদয়।
মাত্র ৩০ অক্টোবৰ অন্ধকাৰ নিশাৰ বাবে। ◆◆





# প্রেম

❒ ইছমাইল খান
উ. মা. ২ য় বর্ষ

প্রেম,
সংগোপন কলিজাৰ
এক কাতৰ আহ্বান,
অন্তৰ জোকাৰি যোৱা
এক মর্মস্পর্শী গান,
অনুভৱৰ সীমান্ততকৈও বহল
নিস্তব্ধ, নিমাত, নির্মল,
এয়াই হয়তো প্রেম।
প্রেম,
এক ৰহস্যময় খেল,
যি প্রিয়জনৰ পৰা একো নিবিচাৰে
কিন্তু তেওঁক কিবা দিব বিচাৰে
এক অমূল্য জীৱন বিনা দ্বিধাৰে,
যাৰ দুচকুত প্রিয়জনৰ সপোন
আৰু কলিজাত তেওঁৰে দাপোন।
সঁচাকৈয়ে প্রেম অনুভৱৰ ওপৰত
সীমাৰো অসীমত
ভক্তিৰো উৰ্দ্ধত।
প্রেম সদায় জিলিকি থকা
সৌন্দর্য্যময় মাধুর্য্যৰ প্রকাশ
সংগোপন কলিজাত
এক অজান বিকাশ। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# মা

❑ ৰিপণ কৰ্মকাৰ
উ. মা. ২ য় বৰ্ষ

তেওঁ শীতত কোমল ৰ'দ
বৰষুণত ছাতি
ভোকত অন্ন
পিয়াহত পানী
তেওঁক আমি কোনোদিনে নোসোধা
কি বেজাৰত পিতাইক দুদিন নামাতে
নোসোধা আমি কোনোদিনে
পলাশ ৰঙীন সপোনবোৰ
হ'লনে দিঠক
জানিবৰ হেঁপাহো নকৰো
বাসন্তী মলয়াই উৰুৱাইছিল নেকি
তেওঁৰ যৌৱনা সপোন।
ছৈ দিয়া গৰুগাড়ীত শহুৰেকৰ ঘৰলৈ অহাৰ দিনা
কি ভাবত দুলিছিল তেওঁ
নাভাবো আমি কোনোদিন
বুকুৰ অমৃত আমাৰ মুখত গুজি দিবলৈ
কিমান গৰল গিলিছিল
আমাৰ ভৱিষ্যৎ নামৰ সপোনটোৰ বাবে
কিমান বৰ্তমানক সমাধি দিছিল
সহি সহি ফুল কোমল হৃদয়খন
কেনেকৈ শিলতকৈ কঠিন কৰিছিল
নোসোধা কেতিয়াও
নাজানো কোনোদিনে। ◆◆



# শৰৎ

❑ অজন্তা নাথ
স্নাতক ২ য় বৰ্ষ

কুঁৱলীৰে উপচি পৰা
শৰতৰ ৰাতিপুৱা
চকুৰ পটাত পৰি
উঠিছে জিলিকি
নিয়ৰৰ সৰু কণিকা,
যেন অবুজ কিবা
সপোনৰ গুণগুণনি
দিঠকত পালো বিচাৰি।
শৰতৰ ৰাতিপুৱা
কুঁৱলীৰ শুভ্ৰ বৰণে
গঢ়ি তুলিছে মন
পবিত্ৰ কৰি।
যেন স্বৰ্গৰ অমিয়া বতৰা
শৰতে দিছেহি ঢালি
সাৱলীল গতিৰে
পৃথিৱীলৈ নামি আহি।
শৰতৰ ৰাতিপুৱা শেৱালিৰ
সুগন্ধি শীতল মলয়াই
পোহৰাই তোলে
প্ৰতিখন হৃদয়ৰ প্ৰতিটো কোঠা।
শৰতৰ পৰশ পাই
জাগি উঠে ফুলনি
ভোমোৰা বোৰৰ মুখতো
ওলায় আনন্দৰ গুণগুণনি।
শৰতে জগায় মনত
আশাৰ বতৰা
শৰতে আনে কঢ়িয়াই
পৃথিৱীলৈ সুখৰ বতৰা। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :
Library :

# ভালপাও বুলিয়েতো ভালপাও

❒ বাদল খান
উ. মা. ১ ম বৰ্ষ

ভালপাও বুলিয়েতো ভালপাও তোমাক
মাতাল হোৱাৰ জোখাৰে
যেনেকৈ সূৰ্য্যমুখীয়ে ভালপায় সূৰ্যক
নদীয়ে ভাল পায় সাগৰৰ বালিচৰ
জীৱনে ভাল পায় উশাহ নিশাহ
মাটিয়ে ভাল পায় স্পৰ্শ কৰা সৰ্বস্ব
তেনেকৈয়ে ভালপাও তোমাক মই
তোমাৰ মাজতে আবদ্ধ
মোৰ সমস্ত আশা
প্ৰেমত বুজা-নুবুজা অনেক কথা থাকিলেও
সঁচা প্ৰেমেতো প্ৰতিদান নিবিচাৰে কোনোদিন
যিদিনালৈকে মোৰ সূৰ্য্য জীয়াই থাকে
সিদিনালৈকে জীয়াই থাকিব মোৰ সেউজীয়া প্ৰেম
তোমালৈ মাথোঁ এটাই অনুৰোধ
তুলাচনীত নুঠাবা মোৰ প্ৰেম ভালপোৱাক ! ◆◆





# হৃদয়ত প্ৰেমৰ ফুল

❒ ৰেজিয়া খাতুন
স্নাতক ৩ য় বৰ্ষ

বুকুৰ নিজানত এখন মৌচাক সাজিছো
তোমাৰ প্ৰেম প্ৰত্যয়ৰ ৰূপ ৰঙেৰে
যদিও তুমি মোৰ বৃত্তৰ বাহিৰত
তথাপিও আনন্দিত বুকুৰ নিজানত
জকমকীয়া সজীৱ সপোনৰ
চিৰ জাগ্ৰত সহচৰী প্ৰহৰী মোৰ
পাহৰিম বুলিওতো পাহৰিব নোৱাৰি
সোণোৱলী অতীত স্মৃতি আৰু ভৱিষ্যতৰ সপোন
তুমি হেৰাই যাবা মোৰ জীৱন একুৰিয়ামৰ পৰা
তথাপিও ফুলিব হৃদয়ত প্ৰেমৰ ফুল ........ ◆◆



MOHAN LAL CHOUDHURY LIBRARY :

# কথা শিল্প



MOHAN LAL CHOUDHURY LIBRARY :





MOHAN LAL CHOUDHURY LIBRARY :

Library :

উপন্যাসোপম গল্প

# যুঁজৰ ঘোঁৰা

□ হেমন্ত কুমাৰ দাস
প্ৰবক্তা, অসমীয়া বিভাগ



(এক)

শাৰদীয় বতৰ। অলপ ঠাণ্ডা, অলপ গৰম।

প্ৰচণ্ড জোৰে নচলালেও সি মজলীয়া গতিত চলাই তাৰ পুৰণি চাইকেলখন। অভ্যাসগত কাম বাবে ভাগৰ নালাগিলেও তাৰ কপালত জিলিকি উঠিছিল ঘামৰ ত'ৰা। সি ভীষণ উত্তেজিত হৈ পৰিছে। ঘামৰ ত'ৰাবোৰ মচি দিবলৈ তাৰ ইচ্ছা যোৱা নাই। অলপ দুৰ গ'লেই সি তাৰ নষ্ট নীড়ত উপস্থিত হ'ব পাৰিব।

বিজয় স্বপ্নাতুৰ হৈ পৰিছে। দহবছৰ পুৰণি ছবিবোৰ তাৰ মনৰ মাজেৰে অগা-দেৱা কৰিব ধৰিলে। সি থান-থিত লগাব বিচাৰিছে তাৰ প্ৰিয় ছবিবোৰ। "এখোজ-দুখোজ খোজেৰে আগুৱাই আহিব তাৰ জীউ। কোলাত উঠিব। দৌৰিব, পৰিব। সি উঠাই দিব। হাঁহিব-কান্দিব। সি তাৰ বুকুত হেচি ধৰিব। তাৰ ঘামৰ ত'ৰাবোৰ মচি দিব। ঘৰ্মসিক্ত নাকত তাই নাকটো লগাই দিব। তাৰ পিছত অস্পষ্ট উচ্চাৰণেৰে গাব-Twinkle Twinkle Little Star......"

হঠাতে বিজয়ৰ ভাবনাত যতি পেলালে তাৰ চাইকেলৰ মামৰে ধৰা চেইনডালে। জীউৰ লিটিল ষ্টাৰ যেন স্বপ্নময় আকাশৰ পৰা মাটিত খহি পৰিল। সি চেইনডাল ঠিক কৰি নতুন উদ্যেমেৰে গতি বঢ়ালে। হাত-ঘড়ীটোলৈ চকু ফুৰালে। ঘড়ীৰ কাটা সঠিক গতিত চলি আছে যদিও সিহে চলিব পৰা নাই। গতিৰ লগত, সময়ৰ লগত তাল মিলাই চলিব পৰা নাই বাবেইতো তাৰ আপোন আকাশৰ পৰা এটি এটিকৈ খহি পৰিছে ত'ৰাবোৰ। কপালত জিলিকি থকা ত'ৰাবোৰে যেন তাকেই ক'ব বিচাৰে। যাৰ কাৰণে আপোন ঘৰখনৰ পৰা নিৰ্বাসিত হ'ব লগা হ'ল, যাৰ থুনুক-থানাক মাতৰ বাবে হাজাৰ বাৰ মৃত্যু উপত্যকাত শয়ন কৰিবলৈ প্ৰস্তুত— সেই ত'ৰাবোৰ তাৰ জীৱনৰ পৰা ক'ব নোৱাৰাকৈয়ে খহি পৰিল এটি এটিকৈ। খেয়াল স্ৰোতে উটুৱাই নিলেও তাৰ প্ৰেম, সি যে লিখি থৈছে তাৰ বুকুত একমাত্ৰ তাইৰে নাম।

ছন্দ পতন। বিজয়ৰ ছন্দপতন। বিমূৰ্ত এসোপা চিন্তাই তাক খুলি খুলি খাব ধৰিছে। চিন্তাবোৰৰ মূল আঁত সি বিচাৰি পোৱা নাই। ক'ত যে খেলি-মেলিখন হৈ গ'ল। কেৰোন লাগিল কোনখিনিত? নাই, আনদিনাৰ দৰে আজিও সি অস্বচ্ছ চিন্তাৰ আঁত উলিয়াব পৰা নাই। তাৰ এনে লাগিছে যেন তাৰ প্ৰিয় ছাত্ৰই এলজেব্ৰাৰ উত্তৰ মিলাব পৰা নাই। চিন্তাৰ ধাম খুমিয়াত উটি-ভাহি থাকিলেই তাৰ মনত পৰি যায়-সপোনৰ দৰে এটি মিঠা চুমাৰ আলফুলীয়া পৰশৰ কথা ............



(দুই)

বিজয়ে নতুন চাইকেলখন মচি-কাচি ল'লে। আকাশখনলৈ মূৰ তুলি চালে। আকাশখনত মেঘে ওন্দোলাই আনিছে। বৰষুণ আহিব। সি বৰষুণ বৰ ভাল পায়। সি বৰষুণত তিতিব পাৰে, কান্দিব পাৰে, হাঁহিব পাৰে। বৰষুণত তিতি তিতি কান্দিলে কোনেও ধৰিব নোৱাৰে। সেই বৰষুণ তাৰ প্ৰিয়।

বৰষুণত নিতিতাকৈয়ে সি গৈ গন্তব্য স্থান পালে। চাইকেলখন থিয় কৰাই থৈ এবাৰ বেলটো বজাই দিলে। বেলৰ শব্দত যন্ত্ৰৱৎ পদূলিৰ লাইট জ্বলি উঠিল। আটোম-টোকাৰিকৈ বন্ধ কৰি থোৱা ঘৰৰ দুৱাৰ খোল খাই যায় বেলৰ শব্দত; বেলৰ শব্দত Star Plus, Zee T.V. ৰ শব্দ অনুচ্চ হৈ পৰে স্বাভাৱিকভাৱে।

— বিজয় আহিলা?

— হয় বৌ। বৰষুণজাক অহাৰ আগতেই আহি গ'লো।

বৌৱেকৰ প্ৰশ্নৰ উত্তৰ দি বিজয় বাৰান্দাত উঠিল। সি পোনে পোনে আদৰৰ পঢ়া-কোঠালিলৈ সোমাই গ'ল। পঢ়া টেবুলত আদৰক নেদেখি বিজয়ে চিঞৰিলে—

— আদৰ....

— আহি আছোঁ চাৰ।

ভিতৰৰ পৰা মাত দি উধাতু খাই দৌৰি আহিল দশম শ্ৰেণীৰ ছাত্ৰ আদৰ। লগত আহিল কম্প্লেইন দিবলৈ আদৰৰ ছয়বছৰীয়া



MOHAN LAL CHOUDHURY LIBRARY :
Library:

ভনীয়েক বিমি। চাৰ্কোল অফিচাৰ নয়নদেৱবৰাৰ একমাত্ৰ পুত্ৰ সন্তান আদৰ। বিজয়ে তিনিবছৰ ধৰি তাক ঘৰত পঢ়াই আছে। সাংঘাতিক চোকা ল'ৰা। মেট্ৰিকত প্ৰথম তিনিটা স্থানৰ ভিতৰত থাকিব লাগে। বিজয়ে অন্য ছাত্ৰক ঘৰলৈ গৈ টিউচন নপঢ়ায়। আদৰৰ ক্ষেত্ৰত বিজয় ব্যতিক্ৰম হৈছে। ইয়াৰ কাৰণো নথকা নহয়।

— আজি কি উলিয়াবা, অংক নে বিজ্ঞান?

আদৰে কি ক'ব ভাবি পোৱা নাই। মূৰ খুজোৱাত ব্যস্ত। আচলতে তাৰ আজি পঢ়াৰ ইচ্ছা সমূলি নাই। T.V ও চলি আছে ভাৰত-পাকিস্থানৰ দিবা নৈশ এদিনীয়া ক্ৰিকেট খেল। আজি মেগা ফাইনেল। আদৰে ক্ৰিকেটখেল বৰ ভাল পায়। আদৰৰ এই খেলখন চোৱাৰ বৰ ইচ্ছা। সেয়ে সি টেষ্ট পেপাৰখনৰ পৰা অংক উলিয়ালে। যি কেইটা অংকৰ উত্তৰ সহজে উলিয়াব নোৱাৰি, তেনে দুটামান অংক উলিয়ালে আদৰে।

— চাৰ! এই কেইটা অংকৰ উত্তৰ মই উলিয়াব পৰা নাই।

— চাও, দিয়াচোন, কি অংক ..........

বিজয়ে একান্ত মনে অংক কৰাত লাগি গ'ল। অংক পাতিছে, কাটিছে। আকৌ পাতিছে, আকৌ কাটিছে। আদৰে মনে মনে হাঁহিছে তাৰ বুদ্ধিয়ে কাম দিয়া বুলি। বিজয়ে হাত-ভৰি মেলি দি চকীখনত আউজি ল'লে। দুচকু মুদি ভাবিব ধৰিলে। লাহে লাহে সি অৱগাহন কৰিলে অংক ৰাজ্যত। লাহেকৈ উঠি গ'ল আদৰ। মগ্ন হৈ পৰিল তেণ্ডুলকাৰৰ পৰাক্ৰমত। থূলন্তৰ ইন্‌জামামৰ ওচৰেৰে বগা বলটো নাচি নাচি আগুৱাই গ'ল সীমাৰেখাৰ কাষলৈ। ইন্‌জীয়ে বলৰ পিছে পিছে কেইগজমান দৌৰিছিল যদিও বলটোক ধৰিবলৈ সক্ষম নহ'ল, যেনেকৈ সক্ষম হোৱা নাই বিজয়— অংকৰ উত্তৰ ধৰিবলৈ.......।



— ধেৎ!

— কি হ'ল?

— এইবোৰ কি ধেমালি কৰিছা?

— ধেমালি কৰা নাই নহয় দাৰ্লিং, মৰমহে যাচিছোঁ।

— বৌৱেৰাই দেখিলে সৰ্বনাশ হ'ব। আৰু আদৰ!

— নাই নাই। সকলো টি ভিৰ সন্মুখত। ইণ্ডিয়া জিকিব।

গৰম চাহ কাপ খাই ল'লে বিজয়ে। অংকৰ উত্তৰ উলিয়াব নোৱাৰিলে যদিও তাৰ মন আজি অশান্ত হৈ উঠা নাই। অশান্তিৰে ভৰি পৰিছে তাৰ হৃদয়ৰ প্ৰেমৰ কোঠালি। কঁহুৱা ফুলবোৰ যেন



আলফুলে দুহাতেৰে সাৱটি ধৰিব। অংগনাৰ গালত চিকুট এটা মাৰি উঠি আহিল। জোনাকবোৰ যেন চপৰা-চপৰে খহি পৰিছে নদীখনৰ পাৰত। মেঘে ঢাকি ৰাখিব পৰা নাই জোনাক। তাৰ মনটো ৰোমাঞ্চিত হৈ উঠিল। পুলকিত হৈ ভাবিলে সপোনৰ দৰে মিঠা যেন লগা চুমাৰ আলফুলীয়া পৰশৰ কথা ...........। হাজৰিকাৰ দৰে আজি তাৰো গাবৰ মন গৈছে 'কঁহুৱা বন, মোৰ অশান্ত মন , আলফুল হাতেৰে লোৱা সাৱটি।'

## (তিনি)

ৰ'দে ঢাকি ৰাখিলে তৰাবোৰ। ক্ষন্তেক পিছতে ৰ'দক ঢাকি ধৰিলে গৰ্ভৱতী হৈ পৰা ডাৱৰবোৰে। ডাৱৰবোৰ যেন এতিয়া প্ৰসৱ কৰিব প্ৰিয় সন্তান পানী। মেঘাচ্ছন্ন আকাশৰ তলত বিজয়ৰ মনাকাশ চিন্তাই আৱৰি পেলালে।

ঃ হমানকৈ কি ভাবি আছা?

ঃ ভাবিব লগা কথা কাৰণেই তো ভাবিছো। টিউচন আৰু কলেজৰ পৰা পোৱা সামান্য টকা কেইটাৰে জানো চলিব পাৰিম? তোমাৰে মোৰে বিয়া পতাৰ ক্ষেত্ৰত আমাৰ ঘৰখনে কেতিয়াও সন্মতি নিদিয়ে। আমাৰ ঘৰখন যথেষ্ট উদাৰ যদিও কিছু ক্ষেত্ৰত গোড়ামী আছে। কৈৱৰ্তৰ ছোৱালী ব্ৰাহ্মণৰ জাতত তুলিবলৈ সন্দেহ আছে। ইপিনে তোমাকো মই এৰি আনৰ হ'ব নোৱাৰো। তোমাক বিয়া কৰালে, মই ঘৰ এৰিব লাগিব এয়া নিশ্চিত। কথাখিনি চিন্তাবিদ হৈ বিজয়ে অংগনাক ক'লে। তাইও কিছু সময় নিৰৱে থাকি পৰিস্থিতিটো বুজিবলৈ চেষ্টা কৰিলে। তাৰ পিছত বিজয়ৰ হাতখন



MOHAN LAL CHOUDHURY LIBRARY :
Library :

সাৰটি ধৰি ক'লে-

ঃ আমাৰ ঘৰখনে কিন্তু তোমাক জোঁৱাই বুলি ধৰিয়েই লৈছে। দাদা এইবাৰ বিহুত আহিলে তোমালোকৰ ঘৰলৈ যাব বুলি বৌক কৈছে।

ঃ নাই নালাগে। নয়নদা ঘৰলৈ গ'লে অপমানিত হোৱাৰ সম্ভাৱনা আছে। আমাৰ কাৰণে দাদাক অপমানৰ পাত্ৰ কৰিব নোৱাৰি।

বিজয়ে এনেদৰে কোৱাত অংগনাৰ মনটো ভাল লাগি গ'ল। বিজয়ে নয়ন বৰাক বৰ শ্ৰদ্ধা কৰে, নিজৰ আদৰ্শৰ ব্যক্তি বুলি গণ্য কৰে। কিয়নো অংগনাৰ ককায়েকেও আৰ্থিক আনাটনৰ লগত যুঁজ কৰি আজিৰ অৱস্থা পাইছে। কোনো ক্ষেত্ৰতে হাৰ মানিব নোখোজা নয়নদেৱ বৰা। অংগনাই ক'লে-

ঃ বিজু, এটা কাম নকৰোঁ কিয়, অহা বহাগত কোৰ্ট মেৰিজ ............

ঃ কোৰ্ট মেৰিজ বেছি চিন্তা কৰিছা। আমি দুয়ো সুখে দুখে দুবেলা দুমুঠি খাই থাকিলেই হয়। মোকতো অট্টালিকাত ৰাখিব নালাগে, গাড়ীত ঘূৰাব নালাগে। গাঁৱলীয়া ছোৱালী। অভাৱৰ লগত যুঁজ কৰা অভ্যাস আছে। এনেকৈয়ে আমি কিমান দিন থাকিব লাগিব, কলেজখন প্ৰাদেশিকীৰণ হ'বই দেখোন। নোহোৱালৈকে তুমি টিউচন কৰিবা, আৰু পাৰিলে মইও কিবা কৰিম। কিমান এনেকৈ চলি আছে।

অংগনাই বিজয়ক এনেদৰে সাহস দিছে যদিও তাইও ত্ৰস্তমান। পাৰিবনে চলিব এনেকৈ? ভাড়াঘৰত থাকি?

## (চাৰি)



অংগনা বৰা। বিজয় দেৱশৰ্মাৰ ভাবী পত্নী। সুশীল, সুশিক্ষিতা আৰু সুশ্ৰী বুলি ক'লে যিবোৰ গুণৰ সমাহাৰ হ'ব লাগে সেই আটাইবোৰেই অংগনাৰ বাহিৰে-ভিতৰে আছে। তথাপি বিজয়ৰ ঘৰখনৰ কিছুমানে এচকুৰেও দেখিব নোৱাৰে অংগনাক। বিজয়ৰ দেউতাক নৈষ্ঠিক ব্ৰাহ্মণ, উদাৰ আৰু সৰল স্বভাৱৰ। জাত-পাতৰ শেলত দুভৰি পেলোৱা নাই যদিও বৰপুত্ৰৰ সিদ্ধান্তক নস্যাৎ কৰিব পৰা শক্তি নাই ৰজা ভীষ্মকৰ দৰে। আজলী মাকে আওপুৰণি নীতি- নিয়ম সাৰটি থাকিলেও স্বামীৰ আদৰ্শ আৰু সিদ্ধান্তক সন্মান জনাই আহিছে ইমানদিনে। আজি কিন্তু বৰপুতেক আৰু স্বামীৰ আঁকোৰগোজ সিদ্ধান্তত ক্ষুণ্ণ হৈছে, অন্তৰত আঘাত পাইছে।

অজয় দেৱ শৰ্মা আৰু ময়ূৰী দেৱী চৌধুৰী— দুয়ো চৰকাৰী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী। সঘনে ৰূপ সলাব জানে। ময়ূৰীয়ে দেখুওৱা সপোন ৰাজ্যত উটি-বুৰি অজয়ৰ ৰাজহাড় বেঁকা হৈছে। অনিচ্ছা সত্বেও বিজয়ৰ মাক আৰু ভনীয়েকে বিজয়ৰ বিৰুদ্ধে লোৱা অজয়ৰ সিদ্ধান্ত মানি ল'ব লগা হৈছে নিৰ্বিবাদে। নহ'লে যে সিহঁতৰ ভাত-পানী বন্ধ হৈ পৰিব।

বিজয়ে টিউচনত পোৱা টকাৰে ঘৰখনত অলপ-অচৰপ সহায় কৰে। সেই সহায় ময়ূৰীয়ে একেবাৰে নগন্য বুলি ভাবে। ময়ূৰীৰ বাবে চকুৰ কুটা দাঁতৰ শূল হৈ পৰিছে বিজয়। তাৰ বাবে যেন ঘৰৰ জপনা বন্ধ হৈ পৰিব। আজি 'দিচ্‌পজিবল' প্লাচৰ দৰে হৈ পৰা বিজয়ৰ বাবেই ককায়েকৰ লগত ময়ূৰীৰ বিয়া সম্ভৱ হৈছিল। ময়ূৰীৰ ককায়েক বিজয়ৰ বন্ধু, সেইবাবে সহজে সোনকালে পাহৰিলেনে তাৰ সহায়ৰ কথা? বৌৱেক জেতুকা পাত হৈ পৰিল নেকি-বাহিৰত সেউজীয়া, মোহাৰি দিলে ৰঙচুৱা। বিজয় ভাবৰ সমুদ্ৰত ডুব মাৰিলে যদিও মানিক উলিয়াব নোৱৰিলে। বিজয় তন্ময়তাৰ আবেশ ফালি বাস্তৱলৈ উভতি আহিল যদিও ময়ূৰীৰ মাতত-

ঃ বিজু, তুমি এতিয়া কি কৰিবা, সেয়া তোমাৰ কথা। আমাৰ শেষ কথা, তুমি অংগনাক বিয়া কৰালে ঘৰৰ পৰা ওলাব লাগিব। অংগনা ভাল ছোৱালী, মোৰ প্ৰিয় বান্ধৱী, তথাপি তোমাক তাইক বিয়া কৰাবলৈ দিব নোৱাৰোঁ। আমি আজিৰ যুগৰ মানুহ, জাত-পাতৰ বিচাৰ নকঁৰো সঁচা। কিন্তু সমাজ বুলিওতো এটা কথা আছে। আমাৰ সমাজখনে জানো তোমাৰ মোৰ চিন্তাধাৰা মানি ল'ব? নলয়, কেতিয়াও নলয়। অজন্তাকো আমি এইখন সমাজতে বিয়া দিব নালাগিব জানো? অংগনাক বোৱাৰী কৰি আনিলে সমাজে আমাৰ ঘৰখনক এঘৰীয়া কৰিব। তেতিয়া-মান-দেউতাৰ কি অৱস্থা হ'ব?

আনৰ কান্ধত বন্ধুক থৈ ময়ূৰীয়ে প্ৰায় উশাহ নসলোৱাকৈ কোৱা কথাত মাক বৰ অস্বস্তিত পৰিছিল। একো ক'ব পৰা নাছিল। বাপেকেও নিজাকৈ একো মন্তব্য দিয়া নাছিল। সি তলমূৰকৈ থাকি কথাবোৰ হজম কৰিবলৈ চেষ্টা কৰিছে। ককায়েক অজয় নিশ্চুপ হৈ বহি আছে। বিজয়ে দুচকু তুলি চালে। মাক-ভনীয়েকে নীৰৱে চকুলো টুকিছে আৰু ময়ূৰীৰ দুচকুৱে যেন হাঁহিছে। এক সহজ বিজয়ৰ নীৰৱ হাঁহি।

বিজয়ে এনে এটা পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব বুলি আগতে কল্পনা কৰিছিল। তেনে কল্পনা আজি বাস্তৱ হ'ল। আগতেই প্ৰয়োজনীয় বস্তু ভৰাই থোৱা বেগখন বিজয়ে হাতত সাৰটিলে। অজন্তাৰ দুচকুৰ পানীয়ে তিতাই পেলালে সৰু ককায়েকৰ কপাহী চোলা। ভতিজাক ৰাহুলে একো নুবুজা বাবে সকলোৰে মুখৰ পিনে চাই আছে। মাক-ভনীয়েকক সান্ত্বনা দিবলৈ বৃথা চেষ্টা নকৰি সি ওলাই আহিল পদূলিৰ জপনা খুলি.........।



MOHAN LAL CHOUDHURY LIBRARY :
Library:



(পাঁচ)

ভাড়াঘৰত থকা দুবছৰ হৈ গ'ল। আৰ্থিক অনাটনে জুৰুলা কৰিলেও বিজয় ভাগি পৰা নাই। ৰাজহাড় পোন হৈয়ে আছে। নিয়মিত ভাৱে কলেজৰ ক্লাচ কৰিছে। টিউচন কৰিছে। সামাজিক কামত ব্যস্ত হৈ আছে। কলেজৰ পৰা পোৱা সামান্য মাননি আৰু টিউচনৰ টকাৰে সুখে-দুখে চলি আছে। মাজে মাজে বিজয় আৰু অংগনাৰ দাঁতে-ওঠে লাগিলেও সিহঁতৰ সংসাৰ সুখৰ বুলিয়েই ক'ব পাৰি। অভাব নামৰ দৈত্যটোৱে সিহঁতৰ দাম্পত্য জীৱনত প্ৰভাৱ পেলাব পৰা নাই। বিয়াৰ পিছতে সময়বোৰ নোযোৱা হৈছিল অংগনাৰ। ভাৰতীয়া হিচাপে বিশেষ কৰিবলগীয়া কামো নাথাকে। দিনৰ সময়খিনি সম্পূৰ্ণ অকলশৰীয়া হৈ থাকিব লাগিছিল। এইখিনি সময়ত একমাত্ৰ সংগী আছিল পৰ্টেবল টি. ভি.টো। বিজয়ে তাইক পৰ্যাপ্ত সময় দিব নোৱাৰে। সাংঘাতিক ব্যস্ত কলেজ আৰু টিউচনক লৈ। ৰাতিহে দুয়ো সময় পায় প্ৰাণখুলি কথা পাতিবলৈ। অভাবে কোঙা কৰা জীৱনলৈও বৰষে হাঁহি-ধেমালিৰ বৰষুণ।

ঘৰৰ পৰা ওলাই অহাৰ পিছত বিজয় কোনো দিনে যোৱা নাই তাৰ গাৱঁৰ ঘৰলৈ। ঘৰলৈ নগ'লেও ঘৰৰ খবৰ পাই থাকে অজন্তাৰ পৰা। তাই প্ৰায়ে আহি থাকে। এবাৰ ককায়েক অজয়ও আহিছিল তাৰ ভাড়াঘৰলৈ বিজয়ৰ তেজ বিচাৰি। অজয়ৰ একমাত্ৰ পুত্ৰ ৰাহুল আৰু বিজয়ৰ ব্লাড গ্ৰুপ একে— 'B⁻'। এই গ্ৰুপৰ তেজ কম সংখ্যক মানুহৰে থাকে। হস্পিতালৰ ব্লাড বেংকতো নাথাকে এই তেজ। উপায়বিহীন হৈ অজয় দৌৰি আহিছিল বিজয়ৰ ওচৰলৈ—একমাত্ৰ পুত্ৰক জীয়াই ৰখাৰ তাড়নাত। অজয় অহা সময়ত বিজয় ঘৰত নাছিল। অংগনাৰ আগতে কৈ গৈছিল ৰাহুলৰ বেমাৰৰ কথা।

বিজয় ঘৰলৈ অহাত অংগনাই বিৰৰি কৈছিল ৰাহুলৰ কথা। সি দৌৰি গৈছিল নাৰ্ছিংহোমলৈ। নাৰ্ছিংহোমলৈ গৈ সি পাইছিল ক্ৰন্দনৰত ককায়েক-বৌৱেক, মাক-দেউতাক সকলোকে। নিথৰ হৈ হস্পিতালৰ বেডত শুই থকা ৰাহুলক দেখি তাৰ অত্যন্ত দুখ লাগিছিল। দুখ লাগিছিল অংগনাৰো। তাৰ দেহৰ পৰা প্ৰয়োজনীয় তেজ দি দিলে। বিজয়ৰ উদাৰতাত লজ্জিত হৈ পৰিছিল অজয়-ময়ূৰী। মাত এষাৰ দিবলৈও ইতঃস্ততবোধ কৰিছিল। কিছু দুৰ্বল অনুভৱ কৰা বিজয়ক অংগনাই ধৰি ধৰি ওলাই আহিছিল হস্পিতালৰ পৰা। নতশিৰে থিয় দি আছিল অংগনাৰ বৰজনা। ভদ্ৰতাৰ খাতিৰত ময়ূৰীৰ ককায়েকে তাক মাত এষাৰ দিছিল। বিশেষ একো কথা নাপাতি বিজয় উভতি আহিছিল ভাড়াঘৰলৈ।

বিজয়ৰ দৰে এতিয়া গৃহিণী অংগনাৰো ব্যস্ততা বাঢ়িছে। সময় নোহোৱা হৈছে বিজয়ৰ প্ৰতি চকু দিবলৈ। জীউক লৈয়ে তাই সাংঘাতিক ব্যস্ত। ৰাতিপুৱাৰ পৰা ৰাতিলৈ পাখিলগা কাড়ৰ দৰে সময়ছোৱা পাৰ হ'ব ধৰিছে। তাইৰ মুখত আখৈ ফুটাদি ফুটে কেৱল জীউৰ কথা। অংগনাৰ এই ব্যস্ততা দেখি বিজয়ৰ ভাল লাগে। এতিয়া টি. ভি.-ৰ ৰিমোট ক'ত থাকে অংগনাই নাজানে। চিৰিয়েল চাই ভাল পোৱা ছোৱালীজনীৰ মাতৃত্বই সাংঘাতিক পৰিৱৰ্তন আনিছে। এতিয়া নিয়মিতভাৱে গুণগুণাই থাকে। মাজনিশালৈ অংগনাৰ মুখত কথাবিহীন চিনাকী-অচিনাকী গীতৰ সুৰ চলিয়েই থাকে এফ. এম. ৰেডিঅ'ৰ দৰে।

আঠুৱাৰ ভিতৰত জীউক শুৱাই থ'লে। দুয়োখন হাত সমানে আগুৱাই নি গুণগুণাই থকা মহটো এটা চাপৰতে বিজয়ে মাৰিলে। তেনেতে অংগনাই মাত লগালে—

ঃ বহুদিনৰ পৰা সাঁচি ৰখা এটা কথা সোধো সোধো বুলি ভাবি আছিলোঁ।

ঃ কি কথা, সোধা।

ঃ ময়ূৰীৰ কইনাৰ লগত যাওঁতে তোমাৰে-মোৰে প্ৰেমৰ সূত্ৰপাত। এইক্ষেত্ৰত সহায় কৰিছিল ময়ূৰীয়ে, নহয়নে?

ঃ নিশ্চয়।

ঃ তেতিয়া হ'লে তাই আমাৰ বিয়াত কিয় বাধা দিছিল?

বিজয়ে অংগনাৰ কথাত স্মিত হাঁহি এটা মাৰি ক'লে—

ঃ বুজা নাই। Role of double standard. এই নীতি এতিয়া ৰাজনীতি ক্ষেত্ৰখনৰ পৰা ওলাই আহি ঘৰুৱা পৰিৱেশতো প্ৰচলন হ'ব ধৰিছে।



(ছয়)

প্ৰচণ্ড গৰম। মেঘে ওন্দোলাই আনিছে আকাশ। পৰো পৰো হৈ আছে এজাক গা জুৰ পেলোৱা বৰষুণ। বৰষুণে উটুৱাই লৈ যাব দেহৰ উত্তাপ। গৰমৰ বন্ধ বাবে বিজয়ে ৰাতিপুৱাৰ পৰা টিউচন পঢ়াই আছে। আবেলি সময়তো দলে দলে ছাত্ৰ আহিছে আৰু গৈছে। পদাৰ্থ বিজ্ঞানৰ বিষয়ে জ্ঞান আছে বাবে বিজয়ৰ চাহিদা বেছি। সি পঢ়োৱা ছাত্ৰই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান আজুৰি আনেই। কেতিয়াবাহে গুৱাহাটীৰ কোনোবা কলেজে সেই স্থান কাঢ়ি লৈ যায়। তেতিয়া বিজয়ৰ বিৰাট



MOHAN LAL CHOUDHURY LIBRARY :
Library:

খং উঠে, জেদ বাঢ়ি যায়।

ঃ চাৰ! চাৰ!! অকণমান মাত দিব নেকি?

আগন্তুকৰ মাতত সঁহাৰি জনাই বিজয় টিউচনৰ ৰূমৰ পৰা উঠি গ'ল বাৰান্দলৈ। আগন্তুকৰ মুখত বয়সৰ চাপ পৰিছে। তেওঁক চিনি পোৱা নাই যদিও বিজয়ে বাৰান্দাত থকা প্লাষ্টিকৰ চকীত স-সন্মানে বহিব দি সি নিজেও বহিল। ভদ্ৰলোকজনে সেমেনা-সেমেনি কৰি বিজয়ক 'চাৰ' বুলি সম্বোধন কৰি অহাৰ উদ্দেশ্য পাতনি মেলিব ধৰোতেই বিজয়ে বিনয়েৰে ক'লে—

ঃ আপুনি বয়সত মোতকৈ ডাঙৰ। গতিকে 'চাৰ' শব্দটো ব্যৱহাৰ নকৰাকৈ কথাখিনি ক'লে ভাল পাম।

ঃ ঠিক আছে বাৰু। মই নামনি অসমৰ এখন কলেজৰ প্ৰবক্তা। বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছো। মোৰ গাইড ড° সিন্‌হা চাৰ। 'থেচিচ' লিখা কাম প্ৰায় শেষ। 'থেচিচ'খন জমা দিয়াৰ আগতে সিন্‌হা চাৰে আপোনাৰ ওচৰলৈ পঠালে। চাৰে কৈছে আপুনি হেনো ইতিমধ্যে কেবাজনো স্ক'লাৰক সহায় কৰিছে। মোকো অকণমান সহায় কৰিব বুলি ঘৰৰ পৰা ইয়ালৈ আহিছো। ৰ'ব......। এইখিনি লওক, —এই বুলি ভদ্ৰলোক জনে পেন্টৰ পকেটৰ পৰা এটা এন্‌ভেলপ উলিয়ালে।

ঃ ইয়াত কি আছে?

ঃ কেইহাজাৰমান টকা। আপোনাৰ হাত খৰচৰ বাবে।

ঃ আপুনি ক'লৈ যাব এতিয়া?

বিজয়ৰ প্ৰশ্নটো বুজাত অসুবিধা পালে গৱেষকজনে। সেয়ে বিজয়ে আকৌ এবাৰ সুধিলে—

ঃ আপুনি এতিয়া যাব ক'লৈ?

ঃ গুৱাহাটীলৈ ..........

বিজয়ে হাতঘড়ীটো চাই ক'লে—

ঃ ৰংপুৰ পেচেঞ্জাৰ সন্ধিয়া পাঁচ বজাত। এতিয়া আধাঘন্টা বাকী আছে। সোনকালে যাওক। আৰু শুনক। সিন্‌হা চাৰৰ কিছু স্ক'লাৰক সহায় কৰাটো হয়, কিন্তু টকাৰ বিনিময়ত নহয়। আপুনি যাব পাৰে। কেইখনমান হাজাৰটকীয়া নোটেৰে বিজয় দেৱ শৰ্মাৰ মূৰটো কিনিব নোৱাৰে।

বিজয়ে কোনোমতে খঙটো সম্বৰণ কৰি কথাখিনি কৈছিল। ৰূমৰ ভিতৰত থকা ছাত্ৰ-ছাত্ৰীয়ে সকলো শুনি আছিল। সিহঁতে বুজি পায় 'চাৰৰ মেজাজ'ৰ কথা। আজি আৰু টিউচন নহ'ব।

বাৰান্দাত থিয় দি থকা 'চাৰ'ক মাত নলগোৱাকৈয়ে ছাত্ৰ-ছাত্ৰীখিনি এজন এজনকৈ ওলাই গ'ল। বিজয়ে সিহঁতক একো নক'লে। মাত্ৰ উদাস হৈ চাই থাকিল বেলিৰ লুকা-ফাকু কৰা মেঘখিনিক।

(সাত)



বতৰটো বৰ সুন্দৰ। ফৰকাল। আকাশত বেলিৰ লগত চতুৰতাৰে খেলি দৌৰি আছে কঁহুৱাৰঙী মেঘবোৰ। মেঘৰ চতুৰালি চাই পলাশবোৰে হাঁহি আছে। মাজে মাজে সিহঁতে মিছা অভিমান দেখুৱাইছে, পলাশ নহ'লে যে পূজিত নহয় বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী।

সৰস্বতী পূজা আহিলেই বিশেষ দায়িত্ব পৰে বিজয় দেৱ শৰ্মাৰ ওপৰত। সি পুৰোহিতৰ দায়িত্ব পালন কৰে প্ৰতি বছৰে। সৰস্বতী বন্দনা সি অতি শুদ্ধ আৰু সুন্দৰ সুৰ লগাই উচ্চাৰণ কৰে বাবে সকলোৰে এইখিনি সময়লৈ আগ্ৰহেৰে অপেক্ষা কৰি থাকে।

স্কুল-কলেজৰ সৰস্বতী পূজা মানেই ছাত্ৰ-ছাত্ৰীৰ এক অনাবিল আনন্দৰ উৎসৱ। সকলোৱে হেঁপাহ পলুৱাই স্ফূৰ্তি কৰিব পাৰে। ফুৰিব পাৰে। কথা পাতিব পাৰে হিয়া-উজাৰি। ফিজিকচ্-কেমেষ্ট্ৰিৰ সূত্ৰ আৰু প্ৰেক্‌টিকেলত মূৰ ঘমাব নালাগে। নালাগে শিক্ষক সকলৰ গালি শুনিব।

ল'ৰা-ছোৱালী উভয়ে ধুনীয়াকৈ সাজি-কাচি আহে। কোনোবাজনী আকৌ পাৰ্লাৰৰ পৰাই পোনে পোনে আহিছে যেন ফেশ্বন শ্ব'ৰ প্ৰতিযোগীহে। সুন্দৰকৈ সাচি কাচি অহা প্ৰতিগৰাকী ছোৱালীয়েই হৈ পৰে একোগৰাকী সৰস্বতী। কোনজনী ধুনীয়া, ইজনী নে সিজনী- ল'ৰাবিলাকে ঠাৰৰ কৰিব নোৱাৰা হৈ পৰে।

ল'ৰা বিলাকো পিছ পৰি থকা বিধৰ নহয়। যুগ সাপেক্ষে সিহঁত দেখনিয়াৰ হ'বলৈ চেষ্টা ক্ৰুটি নকৰে। সাতদিনৰ মূৰত গা-ধোৱা ল'ৰাইও সেইদিনা সানে চাবোন-চেম্পু। দাড়ি-মোচ কাটি দামী দামী ব'ডি স্প্ৰে মাৰি সুশোভিত হৈ আহে। কোনোবা জনে যদি থুতুৰিৰ তলত আমিৰ খান ষ্টাইল দাড়ি ৰাখিছে। কোনোবাজনে আকৌ চুলি দীঘলকৈ ৰাখি কাণত কাণফুলি পিন্ধিছে। ল'ৰা নে ছোৱালী ধৰিবই নোৱাৰি। ইপিনে বেল কেইটাই ৰান্ধনিৰ লগত গেবাৰি খাটি মৰিছে।

আদৰ নয়ন বৰা। বিজয়হঁতৰ কলেজৰ সৰস্বতী পূজাৰ সম্পাদক। মেট্ৰিক আৰু হায়াৰ চেকেণ্ডাৰীত স্থান লাভ কৰা সত্বেও সি গুৱাহাটীৰ নামী দামী কলেজলৈ পঢ়িবলৈ নগৈ বিজয়হঁতৰ অপ্ৰাদেশীকৃত কলেজখনতে বি. এচ্. চি. পঢ়ি আছে। সি মেডিকেল



MOHAN LAL CHOUDHURY LIBRARY :

বা ইঞ্জিনীয়াৰিং কলেজত অনায়সে পঢ়িব পাৰিলেহেঁতেন। কিন্তু তাৰ উদ্দেশ্য ডাক্তৰ বা ইঞ্জিনীয়াৰ হোৱা নহয়, তাৰ লক্ষ্য বেলেগ। সেই লক্ষ্যত উপনীত হ'ব পাৰিব বিজয়ৰ কাষত থাকিহে-সি এনেকৈয়ে ভাৱে। সেইবাবে সি বিজয়হঁতৰ অপ্ৰাদেশীকৃত কলেজখনতে পঢ়ি আছে।

আদৰৰ প্ৰতি বহু ছোৱালী অনুৰক্ত, সি কিন্তু প্ৰেম সম্পৰ্কে নিৰ্বিকাৰ। ছোৱালীৰ কথা ভাবিবলৈ যেন তাৰ আহৰি নাই। পূজা শেষ। সকলোৱে পুষ্পাঞ্জলি দিলে। প্ৰীতিভোজ আৰম্ভ হোৱাৰ সময়তে পূজা মণ্ডপত বিজয় ঢলি পৰিল। আদৰহঁতে ততালিকে ওচৰৰ হস্পিতাললৈ লৈ গ'ল। ডাক্তৰে পৰীক্ষা কৰি দেখিলে বিজয় উচ্চ ৰক্তচাপ আৰু ডায়াবেটিছ ৰোগত আক্ৰান্ত হৈছে। প্ৰবক্তা শ্বহিদুল ইছলামৰ নেতৃত্বত ছাত্ৰসকলে বিজয়ৰ বাবে হস্পিতালত পাল পাতি থাকি উজাগৰী নিশা কটাইছিল। বিজয় সুস্থ হোৱাত ভাড়াঘৰলৈ গ'ল।

বিজয়ৰ আৰু এটা নতুন চিন্তা বাঢ়িল। অভাৱৰ খাটাত আন এটা নতুন অভাৱ যোগ হ'ল।

(আঠ)



বিজয়ে জীৱনৰ ওচৰত পৰাজিত নহ'বৰ বাবে প্ৰাণেপণে চেষ্টা কৰিছে। সি হাৰিব নিবিচাৰে। অভাৱৰ আচলে তাক আবৰি ধৰিছে। কি কৰিব, ভাবি উপায় নোপোৱা হৈছে। তিনিমাহ ধৰি নিয়মিতভাৱে টিউচন কৰিব পৰা নাই বাবে দৈত্যৰ দৰে থিয় দিছে অভাৱবোৰে। জেদৰ বাবে অন্য প্ৰাদেশীকৃত কলেজলৈ চাকৰি কৰিবলৈ নোযোৱাটো যে তাৰ এটা সাংঘাতিক ভুল সিদ্ধান্ত আছিল সি যেন অনুভৱ কৰিছিল। জেদৰ বাবে সি নিজকে নিঃশেষ কৰি দিব পাৰে, তথাপি পৰাজিত হ'ব নিবিচাৰে।

বিজয় ঘৰতে আছে যদিও সুস্থ অনুভৱ কৰিছে। টিউচন কৰাৰ বাবে সি আকৌ মানসিকভাৱে সাজু হৈছে। এনেতে পাগঘৰৰ পৰা অংগনাই মাত দিলে-

ঃ বিজু, পাগঘৰত একোৱেই নাই। আদৰে ঘৰৰ পৰা আনি দিয়া চাউল-দাইল শেষ হ'ল। বহুত বস্তু আনিবলগীয়া আছে। মই টেবুলৰ ওপৰত লিষ্ট এখন লিখি থৈছো।

এইবুলি কৈ অংগনা বিজয়ৰ কাষলৈ আহিল। অংগনাৰ তালিকা দেখি বিজয়ৰ চকু কপালত উঠিল। সি লাহেকৈ মাত দিলে—

ঃ তোমাৰ হাতত টকা আছে নেকি অ'?

ঃ নাই। যিখিনি আছিল ইতিমধ্যে খৰচ কৰিলো। জীউৰো দুমাহৰ স্কুলৰ মাচুল মোৰ হাতত থকা টকাৰেই দি দিলো।

ঃ ছেঃ। মোৰ হাতত ফুটা কড়ি এটাও নাই। ধাৰো বহুত হ'ল। আজি ৰাতিটোৰ বাবে চাউল-দালি হ'বনে? কাইলৈ কিবা এটা কৰিব পৰা যাব।

ঃ চাউল অকণমান আছে।

ঃ হ'ব দিয়া। নিমখ-তেলেৰে ৰাতিটো পাৰ কৰিব নোৱাৰিমনে?

ঃ এনেকৈ আমি আৰু কিমান চলিম বিজু। মই আৰু নোৱাৰা হৈছো। ভাগৰি গৈছো অভাৱৰ লগত যুঁজি যুঁজি। ধুনীয়া চাদৰ- মেখেলা, দামী গহনা লোৱা দূৰৰ কথা, জীউকো ভালকৈ খুৱাব-পিন্ধাব নোৱাৰা হৈছো। লগৰ ছোৱালীবোৰে বিয়া হৈ নামী-দামী গাড়ীত ফুৰিব লাগিছে। মোৰোতো মন যায় ....... ৷ এনেকৈ জীয়াই থকাতকৈ........

এই বুলি কৈ অংগনাই হুকহুকাই কান্দিব ধৰিলে। বিজয়ে অংগনাৰ হিয়া ভাঙি ওলাই অহা কান্দোনক বাধা দিব নিবিচাৰিলে। তাইৰ চকুপানীয়ে বিজয়ৰ পুৰুষ হৃদয়ক ধিক্কাৰ দিলে। কোনেও নেদেখাকৈ দুটোপাল চকুলো মচি সি চাইকেলখন লৈ ওলাই আহিল।

(ন)



কলেজৰ তোৰণৰ কাষতে থকা ৰজনীগন্ধা ফুলৰ সুবাসে সকলোকে ৰোমাঞ্চিত কৰি তোলে। সেই সুবাসে বিজয়ৰ বিষণ্ণ মনাকাশ স্পৰ্শ কৰিলে। বিজয়ে লক্ষ্য কৰিলে কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মুখত ফুলি থকা সৰিয়হ ফুলৰ হাঁহি। ক'মন ৰুমত প্ৰবেশ কৰাৰ লগে লগে নৃপেন নামৰ উৎসাহী ল'ৰাজনে উচ্ছ্বাসেৰে ক'লে—

ঃ শৰ্মাদা, টি. ভি.ৰ নিউজ শুনিছিল- শিক্ষামন্ত্ৰীৰ ঘোষণা? আমাৰ অপ্ৰাদেশীকৃত কলেজ বিলাক হেনো প্ৰাদেশিকীকৰণ কৰিব। এয়া চাওক বাতৰি কাকতৰ হেড্‌লাইন।

ঃ থোৱাহে তোমাৰ শিক্ষামন্ত্ৰী-মুখ্যমন্ত্ৰীৰ ঘোষণা। এনে অন্তঃসাৰশূন্য ঘোষণা আজি দহ-বাৰ বছৰে শুনি আহিছো। কিমান শিক্ষকে আন্দোলন কৰি পুলিচৰ লাঠিৰ কোব খালে, কিমানে আত্মহত্যা কৰিব লগা হ'ল, পিছে ক'ত?

ৰূপনজিতে তেতিয়া ন-দি ক'ব ধৰিলে এইদৰে—

ঃ নহয় শৰ্মাদা। আগৰ ঘোষণাবোৰ ফুটুকাৰ ফেন আছিল সঁচা। কিন্তু নতুনকৈ শিক্ষাৰ দায়িত্ব লোৱা যুৱ শিক্ষামন্ত্ৰীজন শেনৰ এজাত। চেলেঞ্জ লৈছে, কৰিহে এৰিব।

ঃ দেখিলেহে লেখিম।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

এটা নিৰাশাজনক মন্তব্য কৰি বিজয়ে হাতত ৰেজিষ্টাৰখন লৈ ক্লাচলৈ গ'ল। আগতে বিজয় পেচিমিষ্টিক নাছিল। যিমানে দিন যাব ধৰিছে, সিমানে সি নৈৰাশ্যত প্ৰৱেশ কৰিবলৈ ধৰিছে। সি যেন অনুভৱ কৰিছে- তাৰ জীৱন ঘন ঘোৰ অন্ধকাৰ বেহুত সোমাই পৰিছে। তাৰ ভৱিষ্যৎ যেন এটা ডাঙৰ শূন্য, বিশাল আকাশৰ দৰে.......।

বিজয়ে অৱসাদগ্ৰস্ত হৈ পৰিছে। উৎসাহ-উদ্দীপনা নোহোৱা হৈছে। হাঁহি-স্ফূৰ্তি কাহানিবাই নোহোৱা হ'ল তাৰ মুখৰ পৰা। অনবৰত আৰ্থিক সংকট মোচন কৰাৰ ভাৱনাত আবদ্ধ হৈ থাকে। চাহ-চিঙৰা কিনি খোৱা দূৰৰ কথা, তামোল এখন কিনি খাবলৈও তাৰ ভয় লাগে।

এক বজাৰ প্ৰেক্‌টিকেলৰ ক্লাচ এটা কৰি থাকোতে সহকৰ্মী ৰুবুল দিয়া দুঃসংবাদটোৱে তাক কঁপাই তুলিলে। এতিয়া কি কৰিব ভাবি পাৰ নোপোৱা হ'ল। খবৰটো ইকাণ সিকাণকৈ গৈ ছাত্ৰ-ছাত্ৰীৰ কাণতো পৰিল। সহকৰ্মী কল্যাণ, খনিনহঁতে উদ্যোগ লৈ বাৰ হাজাৰ মান টকা এঘণ্টাৰ ভিতৰতে সংগ্ৰহ কৰিলে। মিচুৱেল বেনিফিট ফাণ্ডৰ ফৰ্ম এখনত পঞ্চাশ হাজাৰ টকাৰ আবেদন কৰি বিজয় গুৱাহাটী অভিমুখী ৰংপুৰ পেচেঞ্জাৰৰ যাত্ৰী হ'ল।

### (দহ)



নগাঁৱৰ পৰা গুৱাহাটী আহি পাওঁতে বিজয়ৰ তিনিটা যুগৰ পাৰ হোৱা যেন লাগিছিল। GNRC হস্পিতালৰ ৰিচে'পশ্বন কাউণ্টাৰত সুধি গম পালে যে জীউক ইতিমধ্যে O.T. লৈ লৈ গৈছে। O.T. ৰ সন্মুখত উদ্বিগ্ন মনেৰে থিয় হৈ আছে অংগনা আৰু আদৰৰ মাক। উচপিচাই আছে এজন ডেকা ল'ৰা। বিজয় উপস্থিত হোৱাৰ লগে লগে তাক সাৱটি ধৰি হুক্ হুকাই কান্দিলে। বৌৱেকে তাইক উপস্থিত অধৈৰ্য্য হৈ নপৰিবলৈ সান্ত্বনা দিলে। বিজয়ে তাইক বেঞ্চ এখনত বহুৱাই দিলে। অংগনা কিছু সুস্থিৰ হোৱাত বিজয়ে অংগনাক সুধিলে—

ঃ এক্সিডেন্টটো কেনেকৈ হ'ল?

ঃ স্কুল ছুটিৰ পিছত।

ঃ কি গাড়ীয়ে খুন্দিয়ালে?

বিজয়ৰ প্ৰশ্নত নীৰৱতা ভংগ কৰি ডেকা ল'ৰাজনে মাত লগালে—

ঃ মোৰ নাম অৰিন্দম চৌধুৰী। ব্যৱসায় সূত্ৰে গুৱাহাটীত নিগাজিকৈ থাকো যদিও পিতৃভূমি নগাঁৱ। গুৱাহাটীৰ পৰা নগাঁৱলৈ গৈ থাকোতে লিটিল ফ্লাৱাৰ স্কুলৰ সন্মুখত আপোনাৰ ছোৱালীজনী অসাবধানবশতঃ মোৰ স্ক'ৰপিঅ' খনৰ সন্মুখত পৰিল। ড্ৰাইভাৰে গাড়ীখন কোনোমতে নিয়ন্ত্ৰণ কৰিলে যদিও ছোৱালীজনীয়ে মূৰত আঘাত পাইছে। সেয়ে আপোনালৈ অপেক্ষা নকৰি স্কুলৰ শিক্ষক দুজন আৰু এখেতক ঘৰৰ পৰা তুলি লৈ ইয়ালৈ গুচি আহিলোঁ।

অতি বিনয়েৰে কোৱা কথাখিনি শুনি বিজয়ে গভীৰ হুমুনিয়াহ এৰি ক'লে—

ঃ ভালেই কৰিলে। আঘাত কেনে? ডাক্তৰে কি কৈছে?

ঃ মাইন'ৰ অপাৰেশ্যন এটা হ'ব, চিন্তাৰ কাৰণ নাই বুলি কৈছে।

ঃ টকা-পইচা বা কিমান লাগে?

ঃ সেই বিষয়ে আপুনি চিন্তা নকৰিব। যি লাগে মই দিম।

ঃ হ'লেও.......

অপাৰেশ্যনটো ভালে-ভালে হ'লেই বিজয়ে ৰক্ষা পৰে। জীউ সোনকালে আৰোগ্য হ'ব লাগে-এইটোৱে বিজয়ৰ একমাত্ৰ কামনা। সিহঁতৰ ভাগ্য ভাল যে অৰিন্দমৰ দৰে সৎ মানুহৰ গাড়ীয়ে তাইক খুন্দিয়ালে। অন্য হোৱা হ'লেতো খুন্দিওৱাৰ পিছত পলাই গুচি গ'লহেতেন। সেইবাবে বিজয়ে মনে মনে ভগৱানক শত কোটি প্ৰণাম যাচিলে। সি ভাবিলে অৰিন্দমক যেন ভগৱানে দূত হিচাপেহে পঠিয়াই দিছে।

### (এঘাৰ)



জীউ আৰু অংগনা আদৰহঁতৰ ঘৰত থকা ছমাহ হৈ গ'ল। হস্পিতালৰ পৰা ৰিলিজ দিয়াৰ পিছত বিজয়ৰ অনুমতি সাপেক্ষে আদৰৰ মাকে অংগনাহঁতক সিহঁতৰ ঘৰত ৰাখিছে। তাৰ পৰাই জীউ স্কুল-ভেনত স্কুললৈ অহা-যোৱা কৰে। বিজয়ে এতিয়া জীউৰ খৰচ দিব নালাগে। অংগনাই খৰচ বহন কৰে।

অংগনা-বিজয়ৰ ঘৰুৱা অৱস্থাৰ কথা বুজি অৰিন্দমে অংগনাক তাৰ কম্পিউটাৰ ইনষ্টিটিউট এটা চোৱা-চিতাৰ কাম কৰিবলৈ দিলে। সি গুৱাহাটীতে থাকে বাবে ইনষ্টিটিউটৰ সকলো দায়িত্ব অংগনাৰ ওপৰত। অংগনাক চাকৰিত নিযুক্তি কৰাৰ আগতে অৰিন্দমে নিজে আহি বিজয়ৰ পৰা অনুমতি লৈছে। অংগনাৰ ওপৰত বিজয়ৰ বিশ্বাস আছে। তাই যিহেতু নিজেও কাম কৰিবলৈ আগ্ৰহী, সি বাধা নিদিলে।

প্ৰতি দেওবাৰে অংগনা আৰু জীউ বিজয়ৰ ওচৰলৈ আহে। মলিয়ন কাপোৰ-কানি, ঘৰ-দুৱাৰ সাৰি পুচি চাফা কৰে। তাৰ ডায়াবেটিচ ৰোগটোৱে অসুবিধা দি আছে নেকি?-খবৰ লয় অংগনাই।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

খবৰ লয় সি নিয়মিতভাৱে ঔষধ খাই আছেনে? কিয় ইমান খিনাইছে, নতুনকৈ লোৱা ম'বাইল ফোনটোৰে কিয় ফোন নকৰে- ইত্যাদি এশ এবুৰি প্ৰশ্ন সোধে। সি যথাযথ উত্তৰ দি যায়। এনেয়ে বিজয়ে কম কথা কয়। কথা কৈ থকাতকৈ সি জীউৰ লগত থাকিহে ভাল পায়। তাইও দেউতাকক পালে খোৱা-লোৱাৰ কথা পাহৰি যায়। দেউতাকৰ লগত দিনটো খেলি থাকে। দেউতাকৰ ম'বাইলটোৰে আদৰ, ৰিমি আৰু অজন্তাৰ জীয়েক ফুটুকীৰ লগত কথা পাতে। আবেলি খোৱাৰ সময়ত জীউৰ চকু চল্‌চলীয়া হৈ পৰে। দেউতাকৰ লগত ৰাতিটো থাকি যোৱাৰ বাবে ঠেহ পাতে। কিন্তু তাইৰ পঢ়া ক্ষতি হ'ব বুলি অংগনাই জীউক লৈ যায়। জীউৰ দচকুৱে কান্দি উঠে। আৰু বিজয়ৰ? বিজয়ৰ অন্তৰাত্মাই যেন ক'ব খোজে- জীউৰ চকুপানীয়ে উটুৱাই লৈ যায় তাৰ জীয়াই থকাৰ ঠিকনা, জীয়াই থকাৰ প্ৰেৰণা।

অংগনা আৰু জীউ আহিব বুলি বিজয় বৈ থাকে প্ৰত্যেক দেওবাৰে। লাহে লাহে অংগনাৰ দেওবাৰেও ব্যস্ততা বাঢ়িবলৈ ধৰিলে। তাই বিজয়লৈ ফোন কৰে-ব্যস্ততাৰ বাবে যাব নোৱাৰা বুলি। জীউকো আৰ্ট স্কুলত নাম লগাই দিছে। প্ৰতি দেওবাৰে তাইৰ আৰ্টৰ ক্লাচ থাকে বাবে দেউতাকৰ ওচৰলৈ যাবলৈ সময় নোপোৱা হ'ল। কিন্তু তাইৰ অবুজ মনটোৱে সদায়ে যে বিচাৰে পিতৃৰ সান্নিধ্য, অকণমান মৰম।

বিজয়ে কেতিয়াবা-কেতিয়াবা জীউক চাবলৈ আদৰহঁতৰ ঘৰলৈ যায়। দেউতাকক কাষত পালে জীউ যেন জীপাল হৈ উঠে। কিন্তু বিজয়ে লক্ষ্য কৰে তাৰ উপস্থিতিত যেন নিস্পৃহ হৈ পৰা অংগনা। সিহঁত দুটাৰ মাজত যেন এটা ফাটৰ সৃষ্টি হৈছে। কথাটো গোপনে উপলব্ধি কৰে আদৰে। আদৰৰ দুখ লাগে বিজয়ৰ বাবে। দূৰন্ত যুঁজৰ ঘোঁৰা এটা আজি ক্লান্ত হৈ পৰিছে।

(বাৰ)



কলেজৰ ক্লাচ বিলাক আৰম্ভ হোৱা নাই বাবে বিজয়ে পলমকৈ শুই উঠে। কলেজত নামভৰ্তিকৰণ প্ৰক্ৰিয়া চলিহে আছে। অপ্ৰাদেশীকৃত কলেজ যদিও বিজয়হঁতৰ কলেজৰ ৰিজাল্টৰ গ্ৰাফডাল সদায় উৰ্দ্ধমুখী হৈ আছে। যোৱা বৰ্ষৰ ৰিজাল্ট কলেজখনৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আছিল। আদৰ নয়ন বৰাই পদাৰ্থ বিজ্ঞানত বিশ্ববিদ্যালয়ৰ পুৰণি সকলো ৰেকৰ্ড ভংগ কৰি প্ৰথম স্থান আৰু ডিষ্টিংশ্যন পাইছিল। সেয়ে এইবাৰ অসমৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বিজয়হঁতৰ কলেজত নাম ভৰ্তিকৰণৰ বাবে হেতাওপৰা লগাইছে। কলেজ পৰিচালনা সমিতিৰ অনুৰোধ ৰক্ষা কৰি কলেজৰ শিক্ষক গোটে দুটাকৈ Shift ত ক্লাচ কৰিবলৈ সিদ্ধান্ত লৈছে।

বিজয়ে বিচনাত বাগৰি ঘৰৰ কাষত গাড়ী এখন ৰোৱাৰ শব্দ শুনিলে। তাৰ পিছত কলিং বেলটো দুবাৰ মান বাজি উঠাত সি ল'বালৰিকৈ দুৱাৰখন খুলি দিলে। আশ্চাৰ্য্য প্ৰকাশ কৰি বিজয়ে কৈ উঠিল—

ঃ চাৰ! আপুনি!! হাইঠা দেখোন মাটিত পৰিল। বহকচোন। মই মুখখন ধুই লওঁ।

ঃ অসুখ নেকি? ইমান পলমকৈ যে উঠিলা?

ঃ এনেয়ে বাগৰি আছিলো। কামও বিশেষ নাই।

ব্ৰাচত টুথপেষ্ট লগাই সি উত্তৰ দি কুঁৱাৰ পাৰলৈ গ'ল। বিজয়ে পঢ়া কলেজৰ অধ্যক্ষ ৰাজমোহন দাসে তাৰ ঘৰখনত চকু ফুৰালে। অপৰিপাটি আৰু অপৰিষ্কাৰ হৈ আছে ঘৰঘন। তৰি শোৱা আঠুৱাখন চাব নোৱাৰাকৈ লেতেৰা হৈ পৰিছে। ক'লা-বগা দাড়িয়ে আবৰি পেলোৱা তাৰ শীৰ্ণকায় মুখখন মচি মচি সি চাৰৰ আগমনৰ কথা সুধিলে স্বাভাবিকভাবে। অধ্যক্ষ দাসে বিজয়ৰ ওচৰত সহজ হ'ব পৰা নাছিল। তথাপি স্বাভাৱিক হোৱাৰ যত্ন কৰি অধ্যক্ষ জনে ক'লে—

ঃ বিজয়, তুমি আগৰ কথাবোৰ ধৰি নাথাকিবা। সেই সময়ত লোৱা সিদ্ধান্তৰ বাবে মই লজ্জিত। আচলতে......

পুৰণি ঘা ডোখৰ খুচুৰিবলৈ যোৱা বাবে বিজয়ে ক'লে—

ঃ চাৰ, পুৰণি কথাবোৰ নুলিয়ালেই ভাল পাম। কি কামৰ উদ্দেশ্যে আহিছে, সেইখিনি কওক.....

অধ্যক্ষ দাসে পাতনি নেমেলি এইবাৰ পোনে পোনে ক'ব ধৰিলে—

ঃ বিজয়, আমাৰ কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট কমিছে। ফিজিক্স, কেমেষ্টিৰ মেজৰত দুবছৰ ধৰি কোনো ছাত্ৰ-ছাত্ৰী নাই। তোমালোকে যদি কিছু ছাত্ৰ-ছাত্ৰী পঠোৱা ...., নহ'লে কলেজৰ মান-সন্মানেই নাথাকিব। অধ্যাপক-অধ্যাপিকা সকল ঢাল-তৰোৱাল নথকা নিধিৰাম চৰ্দাৰ হৈ পৰিছে।

টেমি-কটাৰীৰ সলনি হাঁচতি বজা দেখি বিজয়ে স্মিত হাঁহি এটা মাৰি ক'লে—

ঃ ভালেই হৈছে দেখোন। ক্লাচ নকৰাকৈ চৰকাৰী দৰমহা পাই আছে।

ঃ নহয়হে। নতুন শিক্ষামন্ত্ৰী যিহে কাঢ়া, কলেজৰ অৱস্থা কি হয়, ঠিক নাই।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

অতিমাত্ৰা চিন্তাক্লিষ্ট হৈ অধ্যক্ষ চাৰে কথাযাৰ কোৱাত সি ক'লে—

ঃ ঠিক আছে। আপুনি কৈছে যেতিয়া নিশ্চয় কিবা এটা কৰিম।

বিজয়ৰ আশ্বাস পাই অধ্যক্ষ ৰাজমোহন দাস থিয় হ'ল। যোৱাৰ সময়ত বিজয়ে তেওঁক চেনিবিহীন ৰঙা চাহ একাপ খাই যাবলৈ অনুৰোধ কৰিলে।

## (তেৰ)



নিশা এঘাৰ বাজিছে। দীঘলীয়াকৈ ৰিং টোন বাজি থকাত বিজয়ে টিপি দিলে ম'বাইলৰ সেউজ বুটাম। সি শুনিবলৈ পালে এক নাৰী কণ্ঠ—

ঃ হেল্ল বিজয় ...........

ঃ অ' বৌ। কওকচোন ........! এই ৰাতিখন কিয় ফোন কৰিলে?

ঃ বিজয়, মই অংগনাৰ চাল-চলন ভাল দেখা নাই। ইমান ৰাতিলৈ আহিয়ে পোৱা নাই। তিৰোতা মানুহ ইমান ৰাতিলৈ বাহিৰত থকা ভাল কথা নহয়।

ঃ ক'লৈ গৈছে?

ঃ গুৱাহাটীলৈ গৈছিল ৰাতিপুৱাতে। অৰিন্দমৰ লগত। অলপ আগতে ফোন কৰোতে আহি আছো বুলি কৈছে। ৰিমিও ডাঙৰ হৈ আহিছে। সকলো কথা বুজা হৈছে। তাইৰ ওপৰত বেয়া প্ৰভাৱ নপৰিব জানো? আদৰেও কথাটো ভাল পোৱা নাই। জীউ কান্দি কান্দি এইমাত্ৰ শুলে।

ঃ বৌ ........। আপুনি মিছাতে ইমান চিন্তা কৰিছে। অংগনাৰ ওপৰত মোৰ বিশ্বাস আছে। হয়তো কিবা কাৰণত পলম হৈছে।

ঃ নহয় বিজয়। তুমি কথাটো যিমান সহজে লৈছা, সিমান সহজ হৈ থকা নাই। তুমি অতি সহজ-সৰল বাবেহে এনেকৈ কৈছা। জানা বিজয়, তোমাক মই মোৰ ভাইটি বুলি ভাৱো। তোমাৰ সংসাৰ খেলি-মেলি হোৱাটো কামনা নকৰো। আৰু এটা কথা, তাইক অতি সোনকালে চাকৰি বাদ দিবলৈ ক'বা। বিশেষকৈ অৰিন্দমৰ চাকৰি কৰিব নালাগে বুলি ক'বা।

ঃ বৌ......। আপুনি দেখোন বেলেগ সুৰত কথাখিনি কৈছে।

ঃ মই যি বুজিছো, যি দেখিছো, সেই মতেই কৈছো। অৰিন্দম আজিকালি সঘনাই আমাৰ ঘৰলৈ আহে। এদিন সন্ধিয়া মই চাহ দিবলৈ গৈ দেখো অৰিন্দমৰ গালে-মুখে সেন্দুৰ। এতিয়াও সময় আছে বিজয়, তুমি অংগনাক ভাড়াঘৰলৈ লৈ যোৱা। আৰু ......

বৌৱেকে ফোনত আৰু কিবা-কিবি কৈ আছিল। সি শুনা নাপালে। তাৰ মূৰটোত হঠাতে প্ৰচণ্ড বিষ উঠি ঘূৰিবলৈ ধৰিলে। চকুৰে অন্ধকাৰ দেখা পালে। সি ম'বাইলটো টেবুলত থেকেচা মাৰি থ'লে। হাই-প্ৰেচাৰৰ টেবলেট এটা খাই কোনোমতে বিচনাত শুই পৰিল।

## (চৈধ্য)



ৰাতি পুৱাইছে। বিজয়ৰ মনটো আজি বেচ ফৰকাল হৈ পৰিছে। বহুদিন নুখুৰোৱাকৈ থকা ক'লা-বগা দাড়ি খিনি খুৰাই ল'লে। মুখত সানি ল'লে বৰ প্লাচ ক্ৰীম। এটা ফুৰফুৰিয়া সুবাস বিয়পি পৰিছে। শুই উঠাৰ পৰাই সি আজি গুণগুণাই আছে গীতৰ কলি। আকাশে-বতাহে যেন তাৰ মনটো উপঙি ফুৰিছে, এবুকু সপোন যেন সি আজি দিঠকত সাৱটি ল'ব। পুৰণি চাইকেলখন চলাই কলেজৰ পদুলি পালে।

কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰৰ মনতো আজি বিৰাজ কৰিছে এক উৎসৱ মুখৰ পৰিৱেশ। বিজয়ৰ এনে লাগিল-ছাত্ৰ-ছাত্ৰীবোৰ যেন হৈ পৰিছে একোপাহ ৰজনীগন্ধা, একোপাহ খৰিকাজাঁই।

অধ্যক্ষৰ কোঠাত সোমাই বিজয়ে দেখা পালে দুই-চাৰিজনমান কলেজ পৰিচালনা সমিতিৰ সদস্য বহি আছে। কলেজখনে প্ৰাদেশিকীকৰণৰ অন্তিম ক্ষণত উপস্থিত হৈছে। ইনচপেক্টৰ হিচাপে আহিব বিজয়ৰ অন্যতম প্ৰিয় গুৰু ড° এ. কে. সিন্‌হা আৰু অৰ্থনীতি বিভাগৰ মূৰব্বী অধ্যাপক ড° সোণমণি দাস। তেওঁলোকে নিয়ম মাফিকহে পৰিদৰ্শন কৰিব। কাৰণ, কলেজখনৰ বিষয়ে ইনচ্‌পেকশ্যন কৰিবলগীয়া একো নাই। কলেজখনলৈ আহি এটা প্ৰীতিভোজন খাব বিচাৰিছে। অধ্যক্ষই প্ৰীতিভোজৰ দায়িত্ব অৰ্পন কৰিছে মুকুট, কল্যাণ, বাবুল, হেমন্তহঁতৰ দৰে উদ্যমী প্ৰবক্তা কেইজনৰ ওপৰত।

অসুস্থ বাবে বিজয়ৰ কান্ধত একো দায়িত্ব পৰা নাই। কলেজৰ ম'ষ্ট চিনিয়ৰ প্ৰবক্তা সঞ্জীৱ চৌধুৰী, ছেত্ৰী, সাহা, মিৰানহঁত গহীন আলোচনাত ব্যস্ত হৈ আছে। তেওঁলোকৰ কাষত নীৰৱে বহি আছে বিজয় দেৱ শৰ্মা। কলেজৰ মহিলা প্ৰবক্তা জয়া, ৰূপা, মাইকনহঁতে, সুন্দৰকৈ সাজি কাচি আহিছে পৰিদৰ্শকক সম্ভাষণ জনাবলৈ। বাবুলে খৰখোজেৰে আহি ক'মনৰুমত খবৰটো দিলে "Inspector have ust arrived". পৰিদৰ্শক দুজনক আদৰি নি অধ্যক্ষৰ কোঠাত বহুৱালে। তেওঁলোকে ৰুটিন মাফিক কিবা-কিবি লিখি কলেজ সন্দৰ্ভত বিভিন্ন কথা পাতি আছে। কথাৰ মাজতে ড° সিন্‌হাই বিজয়ক বিচাৰিলে। মহন্তই গৈ বিজয়ক কোৱাত সি ততালিকে ড° সিন্‌হাক দেখা কৰিবলৈ



MOHAN LAL CHOUDHURY LIBRARY :

আহিলে। দুয়োজন পৰিদৰ্শককে সি হাতযোৰ কৰি শ্ৰদ্ধা নিবেদিলে। বিজয়ক দেখাৰ লগে লগে ড° সিন্‌হাই স্বভাৱসুলভ উচ্চস্বৰত হাঁহি মাৰি ক'লে—

ঃ We are talking about you.

ঃ Is it good or bad Sir ?

ঃ My God, তোমাৰ বিষয়ে বেয়া কথা ক'বলৈ কিবা আছে নেকি? অৱশ্যে তোমাক মই এটা ক্ষেত্ৰত বেয়া পাইছো। কাৰণ, তোমাৰ দৰে ল'ৰা বিশ্ববিদ্যালয়ত থকাটোৱে ভাল আছিল।

ঃ Why Sir ? মই দেখোন ইয়াত থাকিহে ভাল পাইছো। আমাৰ এই মফচলীয় অঞ্চলটোৰ ছাত্ৰক বিজ্ঞানৰ কিছু পোহৰ দিব পাৰিছো ইয়াতকৈ মোক একো নালাগে চাৰ।

বিজয়ৰ কথাত ড° সিন্‌হাই আপোন ভোলা হাঁহি এটা মাৰি ক'লে—

ঃ বিজয়, তোমাৰটো এখন চৰকাৰী কলেজত চাকৰি হোৱা কথা আছিল?

ঃ নাই নহ'ল। কলেজৰ অধ্যক্ষই যদি নিবিচাৰে, বিভাগীয় প্ৰধানেই যদি বাধা দিয়ে, তেতিয়া আৰু ক'ত হ'ব?

ঃ কিয়?

ঃ I have no answer regarding this matter. টকা পইচাৰ ফালৰ পৰা মোৰ বহুত Lost হৈছে সঁচা, এইখন অপ্ৰাদেশীকৃত কলেজত চাকৰি কৰি বৰ্তমান মই বহুত সুখী।

ঃ অন্য কলেজত কিয় ইণ্টাৰভিউ দিয়া নাই? অন্য কলেজত নিশ্চয় চাকৰি পালাহেতেন!

ঃ মোৰ জেদ, মোৰ অহংকাৰে তেনে কৰিব নিদিলে। মই গোপনে চেলেঞ্জ লৈছিলো, সপোন দেখিছিলো - এইখন কলেজক অসমৰ বুকুত নতুনকৈ চিনাকি কৰাই দিম। এই ক্ষেত্ৰত কলেজৰ প্ৰত্যেকেই ত্যাগ স্বীকাৰ কৰিছে। আৰু চাৰ, আজি মোৰ সেই সপোন দিঠকত পৰিণত হোৱাৰ উপক্ৰম হৈছে।

ঃ তোমাৰ জেদ, তোমাৰ সততাৰ ওপৰত মোৰ সন্দেহ নাই। আগতেও এনে প্ৰমাণ তুমি দি থৈছা। এতিয়াৰ পৰা আৰু চিন্তা নাই দিয়া। আমি চৰকাৰক এটা ভাল ৰিপোৰ্ট দিম।

ড° সিন্‌হা আৰু বিজয়ৰ মাজত আলোচনা চলি থাকোতেই হেমন্তই আহি আহাৰ প্ৰস্তুত হোৱাৰ খবৰটো দিলে।



(পোন্ধৰ)

পূজাৰ বন্ধ। এতিয়া বিজয়ৰ অফুৰন্ত সময়। কিন্তু সময় বিলাকে তাৰ বাবে যেন স্তব্ধ হৈ পৰিছে। দিনবিলাক নোযোৱা হৈছে। অকলশৰে থকা সময়ছোৱাত সদায় জীউৰ কথা মনত পৰে। ৰাতি-ৰাতি চকুলো টুকে আনে নেদেখাকৈ। এইবাৰ পূজাত তাইক সি বহু বস্তু দিয়া কথা আছিল। বাৰ্বি পুতলা, টেডিবেয়াৰ, চাইকেল ইত্যাদি ইত্যাদি। পূজাৰ বন্ধ আৰম্ভ হৈ গ'ল, জীউ এদিনো অহা নাই।

আবেলি সি জীউক দেখা কৰিবলৈ গ'ল। তাইক পূজা দেখুৱাবলৈ নিব বুলি ভাবি সি চাইকেলখন উলিয়ালে। সি গৈ গম পালে অংগনা আৰু জীউ ইতিমধ্যে ওলাই গৈছে।

বিজয়ে দুই তিনিখন পূজাথলী ঘূৰি চালে। ক'তোৱে সি জীউক দেখা নাপালে। তাৰ মনটো দুখতে মৰহি যাব ধৰিলে। তাৰ মনলৈ আহিব ধৰিলে কিছুমান দুঃচিন্তা।

আৰ্থিক অনাটনৰ বাবে তাৰ সুখৰ সংসাৰ জহি-খহি গ'ল। চৰকাৰী চাকৰি নথকা বাবেই সি ককায়েক-বৌৱেকৰ পুতৌৰ পাত্ৰ হ'ব লগা হৈছিল। নিজ ঘৰৰ পৰা নিৰ্বাসিত হ'ব লগা হৈছিল এদিন। এতিয়া তাৰ চাকৰিটো চৰকাৰীকৰণ হৈছে। বিজয়ে কল্পনা কৰে- টকা পইচা হ'ব। গাড়ী কিনিব, মাটি কিনিব, ঘৰ সাজিব। কিন্তু সেই নতুন ঘৰত আবাসী হ'ব কোন? এশ এবুৰি চিন্তাই তাক আবৰি ধৰিলে।

সি চাইকেলখন চলাই সত্ৰ অভিমুখে গ'ল। ধুম-ধামেৰে উদ্‌যাপিত হৈছে শঙ্কৰদেৱৰ জন্মোৎসৱ। নাগাৰা-তালৰ শব্দত ৰজনজনাই গৈছে সত্ৰৰ চৌদিশ। নামৰ সুৰে পাতল কৰিলে বিজয়ৰ গধুৰ মন। সি সেৱা জনাই ওলাই আহিল।

বিজয়ৰ ওভতনি যাত্ৰাৰ সময়ত দেখা পালে জীউ আৰু অংগনা নামি আহিছে অৰিন্দমৰ গাড়ীৰ পৰা। বিজয়ক দেখাৰ লগে লগে জীউ দৌৰি আহি তাক সাৱটি ধাৰিলে। বিজয়ৰ দুচকু সেমেকি উঠিল। তাই থোকা-থুকি মাতেৰে দেউতাকক ক'লে—

ঃ মোক ধুনীয়া গাড়ী নালাগে, চাইকেলতে উঠিম।

বিজয়ে আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলে। দুচকুৰে বৈ আহিল আকাশী গংগা। সি এবাৰ অৰিন্দম আৰু অংগনাৰ ফালে চালে। তাৰ কাণত ৰিনি ৰিনি বাজি আছে পূজাথলীত উচ্চ ভলিউমত বজাই



MOHAN LAL CHOUDHURY LIBRARY :
Library:

থকা গীতৰ কলি—

"সুখে থেকো ভাল থেকো
সুখে থেকো ভাল থেকো
দূৰ থেকে চাইবো
তবু তোমাৰ জন্য মনেৰ
দুৱাৰ খোলা যে ৰাখবো ......"

নিস্তব্ধ হৈ পৰিছে অংগনা আৰু অৰিন্দম। অংগনা দুখোজ আগুৱাই যাওতেই বিজয় তীব্ৰ গতিত চাইকেল চলাই গুচি গ'ল। অংগনাৰ সৰ্ব শৰীৰৰ মাজেৰে যেন প্ৰবাহিত হ'ল- এক শিঁহৰণকাৰী কাল ধুমুহা। যুঁজৰ ঘোঁৰাৰ খোজেৰে যেন ক্ষত-বিক্ষত হৈ পৰিছে তাইৰ হৃদয়।

অৰিন্দমে অংগনাক সান্ত্বনা দিব ধৰিলে। 'মই আছো নহয়' বুলি কৈ সি চিনেমাৰ কায়দাৰে তাইক সাৱটি ধৰাৰ চেষ্টা কৰিলে। অংগনাই উচাৎ মাৰি আঁতৰি দিলে। ধূৰ্ত খেলুৱৈৰ দৰে সি খেলিবলৈ বিচাৰিলে। সি গহীন সুৰত ক'লে—

ঃ অংগনা মই বিচাৰি থকা তোমাৰ বিশ্বাসখিনি মোক দিয়া, মই দিম তোমাক নিৰাপত্তা।

ঃ অৰিন্দম, ভুলতেও তুমি তেনে কথা নাভাবিবা। মোৰ বিশ্বাস, মোৰ পবিত্ৰতা এতিয়াও বিজুৰ বাবেহে, আনৰ বাবে নহয়। আৰু শুনা, নিৰাপত্তা বিচাৰি যদি তোমাৰ ওচৰলৈ অহা বুলি ভাবিছা, তুমি ভুল কৰিছা। মই আহিলো....।

অংগনাই জীউক হাতত ধৰি উভতি আহিল জোনাক সানি থোৱা বাটেৰে।

(ষোল্ল)



বিজয়ৰ চাইকেলৰ তীব্ৰ গতি লাহে লাহে মন্থৰ হ'ল। শাৰদীয় সন্ধিয়াতো তাৰ কপালত জিলিকি উঠিছে ঘামৰ ত'ৰা। ঘামৰ ত'ৰাবোৰ মচি দিবলৈ তাৰ সত নগ'ল। বিজয়ৰ ছন্দ পতন। সি হৈ পৰিল ফলিং ষ্টাৰ বুলি। এনেকৈ দুৰ্বিষহ হ'ব বুলি কাহানিও ভবা নাছিল, যাৰ বাবে গৰল পান কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল, যাৰ বাবে সৰ্বস্ব ত্যাগ কৰি জীয়াই থকাৰ সপোন দেখিছিল, সপোনৰ দৰে এটি মিঠা চুমাৰ অলফুলীয়া পৰশত উজ্জীৱিত হৈ উঠিম বুলি ভাবিছিল, সেই সপোন যেন তাৰ নিমিষৰ ভিতৰতে ধুলিসাৎ হৈ গ'ল। সপোনৰ ৰাজ কাৰেঙৰ খুঁটাবোৰ লাহে লাহে মাটিৰ তলত সোমাই গ'ল। নিশাৰ ত'ৰাৱলী আকাশৰ পৰা ধুপুচকৈ সৰি পৰিল এটি পপীয়া ত'ৰা। যুঁজৰ ঘোঁৰাৰ খুৰাবোৰ এটি এটিকৈ সুলকি পৰিল। বিজয়ে চাইকেলৰ গতি বঢ়াই দিলে। মুহূৰ্তৰ ভিতৰতে সি উপস্থিত হ'ব বিচাৰিলে তাৰ নষ্টনীড়ত। প্ৰৱেশ কৰিব বিচাৰিলে কেতিয়াও ওলাই আহিব নোৱাৰা নিষিদ্ধ কাৰাগাৰৰ পৰা।

বিজয় ঘামিছে। উত্তেজনাত ঘামিছে। বাঢ়িছে তাৰ 'হাৰ্টবিট'। তাৰ যেন বাঢ়ি গৈছে উচ্চ ৰক্তচাপ।

ঘৰৰ কাষত সি চাইকেলখন থিয় কৰাই থ'লে। ওলমি থকা ঘৰৰ তলাটো খুলি ধুমুহাৰ দৰে প্ৰৱেশ কৰিলে সি। একে উশাহতে ধক্ ধক্কৈ আধা বটল পানী খালে। ম'বাইলটো উলিয়াই ফোন এটা কৰিম বুলি ভাবিও নকৰিলে। সি কি কৰিব ভাবি পাৰ পোৱা নাই। তাৰ বিশ্বাস, তাৰ প্ৰেম সকলো উটি গ'ল। তাৰ প্ৰেম মথাউৰিয়ে বান্ধি ৰাখিব নোৱাৰিলে অংগনাৰ প্ৰেম আৰু বিশ্বাসক।

চকী এখনত বহি কাগজ-কলম উলিয়াই ল'লে। তাৰ কাণত বাজি আছে 'সুখে থেকো, ভালে থেকো .........' নাই, একো লিখিব নোৱাৰিলে। এটা শব্দও ওলাই নাহিল। অতি কষ্ট কৰি যেন লিখিলে 'অ-ং-গ-না'। ঘামৰ ত'ৰাবোৰ তেতিয়াও জিলিকি আছিল তাৰ কপালত। সি বিচনাখনৰ পৰা টান মাৰি উলিয়াই আনিলে চাদৰ খন। দলিয়াই দিলে চিলিং ফেনখনলৈ। বিচনাৰ ওপৰত চকী তুলি তাৰ ওপৰত থিয় হ'ল। তেনেতে দীঘলীয়াকৈ বাজি উঠিল তাৰ ম'বাইল ৰিংট'ন- মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম .......।

সি ওপৰৰ পৰা নামি ক'লটো চালে। ম'বাইলত জিলিকি উঠিছে সৰিয়হ ফুলীয়া হাঁহিৰে জীউৰ ফটোখন। অংগনাৰ ম'বাইলৰ পৰা ৰিঙটো বাজিছে। বিজয়ে সেউজীয়া বুটামটো বিৰক্তিৰে টিপি দিলে। লগে লগে শুনা পালে জীউৰ কণ্ঠস্বৰ "দেউতা, আমি গৈ আছো ...."। ◆◆



MOHAN LAL CHOUDHURY LIBRARY :
Library:

# প্রতিবিম্ব

## মহাবিদ্যালয় চৌহদ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ নিভাঁজ বতৰাৰে নিৰ্মিত হৈছে এই শিতান—

# প্ৰতিবিম্ব

- তোমাৰ মহাবিদ্যালয়ৰ কোনটো শুভ দিশে তোমাক বেছিকৈ আকৰ্ষিত কৰে?
- মাত্ৰাধিক টিউচনে ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশত ক্ষতিসাধন কৰিছে বুলি তুমি ভাবানে?
- ছাত্ৰ আৰু শিক্ষকৰ মাজত কেনেধৰণৰ সম্বন্ধ তুমি কামনা কৰা?
- তোমাৰ জীৱনৰ এটা হাঁহি উঠা ঘটনা?

- আমাৰ মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ সকলৰ কথা বতৰা আৰু আমাক শিক্ষা প্ৰদান কৰা পদ্ধতিয়ে মোক অতিকৈ আকৰ্ষিত কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰী সকলক হাঁহি-ধেমালিৰ বিষয়বস্তুবোৰ বুজাই দিয়ে। ছাৰ-বাইদেউ সকলে তেওঁলোকৰ বক্তব্যৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ-উদ্দীপনা, সাহস আদি দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যৎ জীৱনত একোজন ভাল ব্যক্তিত্বসম্পন্ন মানুহ হ'বলৈ পৰামৰ্শ প্ৰদান কৰে।
- অতিমাত্ৰা টিউচনে ছাত্ৰ ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশত বাধা প্ৰদান কৰে বুলি মই নাভাবো কিয়নো শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশত বাধা প্ৰদান নকৰে ইয়াৰ পৰিবৰ্তে শিক্ষা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত সহায়হে কৰে। ইয়াৰ উপৰিও টিউচনৰ সময়খিনিক বাদ দি আন সময়ত ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন খেলা ধূলা, নৃত্যগীত, বিভিন্ন কাম ইত্যাদি কৰি, বিভিন্ন কিতাপ পঢ়ি নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিব পাৰে।
- পিতৃ-মাতৃ আৰু সন্তানৰ মাজত যেনেকুৱা সম্পৰ্ক থাকে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজতো তেনেকুৱা সম্পৰ্ক থকাটোকে মই কামনা কৰো। সন্তানে যেনেদৰে পিতৃ-মাতৃক শ্ৰদ্ধা কৰে আৰু নিজৰ সকলো সমস্যাৰ বিষয়ে ক'ব পাৰে ছাত্ৰ-ছাত্ৰীয়েও বুজি নোপোৱা বিষয়বোৰৰ বিষয়ে শিক্ষকক সুবিধা পৰাটোকে আৰু পিতৃ মাতৃৰ দৰে শিক্ষক সকলক শ্ৰদ্ধা কৰাটোকে মই কামনা কৰো।
- এদিন আমাৰ আইতা এজনীয়ে মোৰ ভাইটিৰ লংপেন্ট-চাৰ্ট পিন্ধি, মূৰত পাগুৰি মাৰি জ্যোতিষীৰ বেশ ধৰিছিল আৰু মোৰ ভৱিষ্যদ্বাণী কৰিছিল। আইতাই মোৰ ভৱিষ্যৎবাণী কৰি মোক কৈছিল যে, তোৰ ভৱিষ্যৎ অন্ধকাৰ, সেয়েহে তই সদায় লগত এটা টৰ্চ লৈ থাকিবি ইত্যাদি বহুতো খুহুতীয়া কথা। সেইদিনা আমাৰ ঘৰত বহুতো আলহী আহিছিল। আইতাৰ কথা শুনি কোনোৰেও নহঁহাকৈ থাকিব পৰা নাছিল। এইটো মোৰ জীৱনৰ এটি হাঁহি উঠা ঘটনা।



চয়নিকা দাস
স্নাতক ১ ম বৰ্ষ

♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦ ♦

- আচলতে ক'বলৈ গলে আমাৰ মহাবিদ্যালয় খনৰ সকলোবোৰ দিশেই অতি সুকীয়া। শিক্ষাদানৰ ক্ষেত্ৰতেই হওক বা পৰীক্ষা ব্যৱস্থাৰ ফালৰ পৰাই হওক বা ইয়াৰ অনুশাসন ব্যৱস্থাৰ ফালৰ



MOHAN LAL CHOUDHURY LIBRARY :

পৰাই হওক আমাৰ মহাবিদ্যালয় খনৰ সকলোবোৰ দিশেই অতি সুকীয়া। বিশেষকৈ ক'বলৈ গলে এই মহাবিদ্যালয়খনৰ পৰীক্ষা ব্যৱস্থাটো মোৰ বৰ ভাল লাগে। নকলৰ দৰে ভয়াবহ ব্যাধিৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত। ইয়াৰ উপৰিও আমাৰ শিক্ষাগুৰু সকলে পৰীক্ষা ব্যৱস্থাটো সুকলমে পৰিচালনা কৰাত অগ্ৰণী ভূমিকা আগবঢ়ায়। পৰীক্ষাৰ্থী সকলে যাতে কোনো অসৎ উপায় অৱলম্বন কৰিব নোৱাৰে তাৰ বাবে তেওঁলোক সদায় সচেতন। তাৰোপৰি আমাৰ মহাবিদ্যালয়খনৰ পাঠদান প্ৰক্ৰিয়াটোও অতি সাৱলীল। আমাৰ শিক্ষাগুৰু সকলে নিজৰ সাধ্যানুসাৰে শ্ৰেণীত পাঠদান কাৰ্য্য তুলি ধৰে আৰু পাঠ্যক্ৰম সম্পৰ্কীয় শিক্ষাৰ্থীৰ যিকোনো সমস্যা সমাধানৰ বাবে যথেষ্ট প্ৰয়াস কৰে। মহাবিদ্যালয়খনৰ এটা দুটা শুভ দিশৰ প্ৰতি মই খুৱেই আকৃষ্ট। আৰু এনেবোৰ শুভ দিশে আমাৰ মহাবিদ্যালয় খনৰ ভৱিষ্যৎ উজ্বলাই তুলিব। ভক্তিৰ প্ৰদীপ স্বৰূপ আমাৰ মহাবিদ্যালয়খনৰ এই শুভ দিশবোৰো সদায় জিলিকি থাকিব।



অজন্তা নাথ
স্নাতক ২ য় বৰ্ষ

- মাত্ৰাধিক টিউচনে ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশত ক্ষতি সাধন কৰিছে বুলি মই ভাবো। কিয়নো যিকোনো সমাধানৰ বাবে যদি কেৱল টিউচনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়, তেন্তে ছাত্ৰ-ছাত্ৰীৰ নিজস্ব যি প্ৰতিভা সেয়া প্ৰকাশ কৰাত সুবিধা নাপায়। মাত্ৰাধিক টিউচনৰ হেঁচাত নিজস্ব যি গুণ, প্ৰতিভা সেয়া মুখস্থ বিদ্যাৰ মাজতে আবদ্ধ হৈ ৰয়। নিজস্ব যি গুণ প্ৰতিভা সেয়া নিৰ্ভৰ কৰে নিজৰ জ্ঞান আৰু দক্ষতাৰ ওপৰত।
- এজন গুণী গুৰু আৰু শিষ্যৰ মাজত যি ধৰণৰ সম্পৰ্ক গঢ়ি উঠে এজন আদৰ্শ শিক্ষক আৰু ছাত্ৰৰ মাজতো তেনে ধৰণৰ সম্পৰ্ক গঢ়ি উঠে। এজন আদৰ্শ শিক্ষক আৰু ছাত্ৰৰ মাজতো তেনে ধৰণৰ সম্পৰ্ক গঢ়ি উঠাতো মই কামনা কৰো। গুৰু এজনে যিদৰে গুপ্ত জ্ঞানৰ সন্ধান শিষ্যক দিয়ে, ঠিক তেনেদৰে শিক্ষক এজনেও ভৱিষ্যৎ জীৱনৰ বাবে প্ৰয়োজনীয় জ্ঞান ছাত্ৰক প্ৰদান কৰে। মাক দেউতাকে সন্তান জন্মহে দিয়ে কিন্তু শিক্ষক এজনেহে সেই শিশুটোক জীৱন পথত অগ্ৰসৰ হোৱাত পথ প্ৰদৰ্শক হয়। গতিকে ছাত্ৰৰ জীৱনত শিক্ষকৰ ভূমিকা গুৰু এজনতকৈ কোনো গুণেই কম নহয়।
- মোৰ জীৱনৰ এটা হাঁহি উঠা ঘটনা বুলিবলৈ গ'লে হাইস্কুলত পঢ়ি থাকোতে এদিন সমাজ বিদ্যাৰ ক্লাচত ছাৰ এজনে কোৱা কথা এটা মনলৈ আহে। ছাৰ জনে পৰীক্ষাৰ বহী চোৱাত পোৱা কথা এটা কৈছিল। ইংৰাজ বণিক ডুপ্লে নামৰ ব্যক্তি এজনৰ বিষয়ে লিখিবলৈ আহিছিল। কোনোবাই হেনো লিখিছিল "ডুপ্লে এটা সাগৰীয় বস্তু, ইয়াক সাগৰত পোৱা যায়, সাগৰত ডুপ্লে বেছি হ'লে সাগৰৰ ঢৌও বেছি হয়।" সেইদিনা ক্লাচত আমি সকলোবোৰ বৰকৈ হাঁহিছিলো। সেই দিনটো মোৰ বাবে খুবেই স্মৰণীয়।

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

- মোৰ মহাবিদ্যালয়ৰ মনোৰম শৈক্ষিক বাতাবৰণে মোক বেছিকৈ আকৰ্ষিত কৰে। বিশেষকৈ মহাবিদ্যালয়খন ৰেগিং আৰু নকলৰ মাৰাত্মক ব্যাধিৰ পৰা মুক্ত। যিটো মহাবিদ্যালয় খনৰ বাবে এটা যোগাত্মক দিশ।



MOHAN LAL CHOUDHURY LIBRARY :
Library:

- মাত্ৰাধিক টিউচনে ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰতিভা বিকাশত ক্ষতিসাধন কৰিছে বুলি মই ভাবো। কিয়নো সৰুৰে পৰাই অত্যাধিক টিউচনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিলে শিক্ষাৰ্থী সকলে স্বকীয় প্ৰতিভাৰে সৃষ্টাত্মক কাৰ্য্য কৰিবলৈ অক্ষম হৈ পৰে। এক কথাত তেওঁলোক পৰমুখাপেক্ষী হৈ পৰে।
- ছাত্ৰ আৰু শিক্ষকৰ মাজত সহিষ্ণুতাপূৰ্ণ সহজ সৰল এক মননশীল সম্বন্ধ থকাটো বাঞ্ছনীয়। ইয়াৰ দ্বাৰা ছাত্ৰ আৰু শিক্ষক উভয়ৰে শিক্ষাৰ আদান প্ৰদান তথা বুজাপৰাত সহায়ক হয়।
- মই যেতিয়া দশম শ্ৰেণীত আছিলো তেতিয়া স্কুলত এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতা খনত কেইবাজনো প্ৰতিযোগীৰ ভিতৰত দুজন প্ৰতিযোগীয়ে সপক্ষে আৰু বিপক্ষে এঘন্টা ধৰি তৰ্কযুদ্ধ কৰিছিল। প্ৰতিযোগী দুজনৰ প্ৰায়ভাগ কথাই আছিল হাস্যৰস সমৃদ্ধ। যিটোৱে আমাক যথেষ্ঠ হাঁহিৰ খোৰক যোগাইছিল। এনেকুৱা হাঁহি উঠা ঘটনাবোৰ স্মৃতিপটত সদায় জিলিকি থাকে।



ৰণদ্বীপ ৰায়
উঃ মাঃ ২ য় বৰ্ষ

◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆◆

- আমাৰ মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা মৰম-স্নেহ আৰু দায়িত্ববোধে মোক বেছিকৈ আকৰ্ষিত কৰে। আমাৰ মহাবিদ্যালয়ৰ ছাৰ বাইদেউসকলে সঠিক সময়ত ক্লাচত আহি সোমায়। আমাৰ মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক সকলো বিষয়ৰ জ্ঞান বহু কষ্ট আৰু মৰমেৰে প্ৰদান কৰে। তেওঁলোকে আমাক বিষয়বস্তুবোৰ এবাৰত নুবুজিলে দুবাৰ, তিনিবাৰকৈ বুজাই দিয়ে। আকৌ যদি কেতিয়াবা কোনোবা ছাত্ৰ-ছাত্ৰীয়ে ক্লাছত কথা পাতি থাকে বা বেয়া কাম কৰে তেতিয়া তেওঁলোকক সঠিক শাস্তিও বিহা হয়।
- মাত্ৰাধিক টিউচনে ছাত্ৰ-ছাত্ৰীক মৌলিক প্ৰতিভা বিকাশত ক্ষতি কৰিছে বুলি মই ভাবো। কাৰণ আজিকালিৰ ছাত্ৰ-ছাত্ৰীসকল বিশেষকৈ টিউচনৰ ওপৰত নিৰ্ভৰশীল। বৰ্তমান যুগত টিউচন যেন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক প্ৰতিযোগিতাতহে পৰিণত হৈছে। হয়, এটা বা দুটা বিষয়ৰ টিউচন লোৱাটো প্ৰয়োজন। কিন্তু, এতিয়া ছাত্ৰ ছাত্ৰীসকলে সকলো বিষয়ৰেই টিউচন লোৱাটো প্ৰয়োজনীয় বুলি ভাৱে। ফলত সিহঁতে ঘৰত পঢ়িবলৈ সময় নাপায়। আৰু মাত্ৰাধিক টিউচনে ভাবিব পৰা ক্ষমতাও কমাই তোলে।
- মই ছাত্ৰ আৰু শিক্ষকৰ মাজত বন্ধুত্বপূৰ্ণ সম্বন্ধ স্থাপন হোৱাটো বিচাৰো। কাৰণ যেতিয়া ছাত্ৰ আৰু শিক্ষকৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিব, তেতিয়াহে ছাত্ৰ এজনে শিক্ষক এজনৰ পৰা ভাল-বেয়া সকলো জ্ঞান ল'ব পাৰিব। ছাত্ৰ আৰু শিক্ষকৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্কই এটা ভাল পৰিৱেশ আৰু পিতা পুত্ৰৰ দৰে সম্বন্ধ গঢ়ি তোলে।
- মোৰ জীৱনত ঘটা হাঁহি উঠা ঘটনা বিশেষ তেনেকুৱা একো মনত নপৰে। তথাপিও এটা ঘটনা মনত পৰিলে আজিও হাঁহি উঠে। আমাৰ ঘৰত আলহী আহিলেই মোৰ ভাইটিক সিহঁতে পইচা দিছিল। সি আলহীয়ে দিয়াপইচাবোৰ এটা ড্ৰয়াৰত থৈ দিছিল। আৰু মই ড্ৰয়াৰৰ পৰা পইচাবোৰ



উদেষ্ণা বৰ্মন
উঃ মাঃ ১ ম বৰ্ষ



MOHAN LAL CHOUDHURY LIBRARY :
Library :

চুৰ কৰিছিলো। পিছদিনা ড্ৰয়াৰত পইচা চাবলৈ গৈ দেখে যে ড্ৰয়াৰত এটা পইচাও নাই। তেতিয়া সি মোক আহি কৈছিল যে— বা, মোক কালি যে আলহীয়ে পইচা দিছিল, মই ড্ৰয়াৰত থৈছিলো, এতিয়া নাই দেখোন। তাৰ পিছত মই তাক কৈছিলো— তোৰ পইচাকেইটা ভূতে ড্ৰয়াৰটো খুলি লৈ গৈছে। আৰু সি তেনেকৈয়ে বিশ্বাস কৰিছিল।

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

**প্ৰতিভা বৰ্মন**
স্নাতক ৩ য় বৰ্ষ

- কোনো ৰাজনৈতিক আৰু সাংগঠনিক দিশৰ প্ৰভাৱ নপৰা আৰু অসম বন্ধ, ভাৰত বন্ধ, চকা বন্ধ আদি শিক্ষাৰ প্ৰতিবন্ধকে সেওঁ মনাব নোৱাৰা বৰপেটাৰোডৰ বুকুৰ মাজত গঢ়ি উঠা গণেশলাল চৌধুৰী মহাবিদ্যালয় খনি মোৰ অতিকৈ আপোন। ইয়াত শিক্ষাৰ আধুনিকতা, গতিশীলতাৰ প্ৰতি লক্ষ্য ৰাখি অইন মহাবিদ্যালয় সমূহৰ লগত ফেৰ মাৰিব পৰাকৈ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। শিক্ষা ব্যৱস্থাৰ লগতে অভিজ্ঞ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো অতিকৈ লেখত ল'বলগীয়া।
- মহাবিদ্যালয় সমূহৰ পাঠ্যক্ৰমত বিশেষকৈ মানৱতা, নৈতিকতা আদি আধ্যাত্মিক বিষয় সমূহৰ চৰ্চা বাৰুকৈ কম হোৱা দেখা যায়। ছাত্ৰ ছাত্ৰী সকলক কেৱল বৃত্তি মুখী শিক্ষাৰ দিশেহে আগুৱাই লৈ যোৱা চেষ্টা কৰা হয়। যাৰফলত ছাত্ৰ-ছাত্ৰীয়ে মৌলিক প্ৰতিভা বিসৰ্জন দিবলগা হয়। আনহাতে মাত্ৰাধিক টিউচনে ছাত্ৰ ছাত্ৰীকসকলক গেছ দি বেলুন বায়ুত উৰুৱাৰহে চেষ্টা কৰা যেন হয়।
- বহুতো শিক্ষকে টিউচনে আৰু ব্যক্তিগত মুনাফা লাভৰ আশাৰ ছাত্ৰ ছাত্ৰীৰ লগত অন্তৰঙ্গ বন্ধুত্ব গঢ়ি তোলাৰ মাজত বহু ক্ষেত্ৰত আৰ বেৰ নোহোৱা পৰিলক্ষিত হয়। মই ভাবো শিক্ষক হ'ল এজন শিক্ষাৰ গুৰু, জ্ঞানদাতা যিয়ে আমাক সৰ্বশক্তিমান কৰি তোলে। তেখেতে আমাৰ সদায় নমস্য
- এপ্ৰিল ফুলৰ কথা। মই তেতিয়া ষষ্ঠ শ্ৰেণীত পঢ়ো, প্ৰথম ক্লাচত প্ৰধান শিক্ষকে ৰেজিষ্টাৰৰ ৰোল নং মাতিবলৈ আৰম্ভ কৰি হঠাৎ ৰৈ কলে, "ও প্ৰতিভা, পাহৰি আছো তোমাক মামাই অফিচত মাতিছে"। মোৰ মামা সেইখন পঢ়াশালিৰে এজন শিক্ষক। মই বৰ বিপদত পৰিলো। কাৰণ ক্লাচত মাতিছে বুলি কোৱাত মই লাহে লাহে ক্লাচৰ পৰা ওলাই আহি মামাক বিচাৰিলো। মামাৰ ক্লাচ নথকাত বাহিৰত বাকী ছাৰ সকলৰ লগত ৰ'দ পুৱাই আছিল। মই লাহেকৈ মামাৰ কাষচাপি সুধিলো "মোক মাতিছিল নেকি?" মামাই ক'লে, "কোনে কৈছে"। মই প্ৰধান ছাৰে বুলি ক'লো। মামাই ক্ষন্তেক সময়ৰ বাবে চুপ হৈ ক'লে, অ' আজি ভাত খাই আহিছানে, ক্ষন্তেকতে এটি মৃদু হাঁহিৰ জোকাৰণি চাৰিওফালৰ পৰা মোৰ কাণত বাজি উঠিল।

♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦♦

